www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

অসম বার্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

মানুহৰ এই জীবন অনন্ত আৰু প্ৰেম অমৰ। কিন্তু মৃত্যু ? আমাৰ দৃষ্টিৰে ঢুকি পোৱা দিগন্তুই হ'ল মৃত্যু। - বক্তিটাৰ ৰেমণ্ড

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

প্ৰথম বছৰ ❑ সংখ্যা- ২৩৪ ❑ শুকুৰবাৰ ❑ ০৩ জুলাই, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 233 ❑ Friday ❑ 03rd July, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page-8

ভাৰত-জাপান বার্ষিক শীৰ্ষ সম্মিলনত জাপানী প্ৰধানমন্ত্ৰী

মোদী-টাকাইচিৰ উপস্থিতিত প্ৰতিনিধি পৰ্যায়ৰ গুৰুত্বপূৰ্ণ আলোচনা

ৰণনৈতিক আৰু অৰ্থনৈতিক সহযোগিতা শক্তিশালী কৰাৰ লক্ষ্যৰে কেইবাখনো বুজাবুজি চুক্তিও সম্পন্ন

নেশ্যনেল ডেস্ক, অসম বার্তা, ২ জুলাই ঃ ভাৰত আৰু জাপানৰ মাজত বিদ্যমান বিশেষ কৌশলগত আৰোদাৰিত্বক আৰু অধিক মজবুত কৰাৰ লক্ষ্যৰে নতুন দিল্লীস্থিত হায়দৰাবাদ হাউছত এক গুৰুত্বপূৰ্ণ প্ৰতিনিধি পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। বৃহস্পতিবাৰে অনুষ্ঠিত এই উচ্চস্তৰীয় আলোচনাত ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু জাপানৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ছানাই টাকাইচিয়ে যুটীয়াভাবে অংশগ্ৰহণ কৰে। বৈঠকখনত ভাৰতীয় প্ৰতিনিধি দলটোৰ নেতৃত্ব দিয়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে। ইয়াৰ লগতে বাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা শ্ৰী অজিত ডোভাল, বৈদেশিক সচিব শ্ৰী বিক্ৰম মিশ্ৰী ❑ ৬ পৃষ্ঠাত

ভাৰত-জাপান বায়ুগেছ প্ৰকল্প ঘোষণা ঃ এআই আৰু প্ৰতিৰক্ষাত নৱ অধ্যায়

প্ৰধানমন্ত্ৰী মোদীৰ ভবিষ্যৎ ৰূপৰেখা

নেশ্যনেল ডেস্ক, অসম বার্তা, ২ জুলাই ঃ প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়েবৃহস্পতিবাৰে ভাৰত আৰু জাপানৰ মাজত প্ৰযুক্তিগত অংশীদাৰিত্বক ❑ ৬ পৃষ্ঠাত

বানপীড়িতসকলৰ পুনৰ সংস্থাপন আৰু সাহায্যৰ বাবে কেন্দ্ৰৰ সৈতে আলোচনা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৰ সৈতে বৈঠক

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী ২ জুলাই ঃ ৰাজ্যৰ বিভিন্ন প্ৰান্তত বানৰ তাণ্ডৰ অব্যাহত থাকোঁতে অসম চৰকাৰে পৰিস্থিতিটোৰ ওপৰত কেৰা চকু ৰাখিছে। ইতিমধ্যে বানাক্ৰান্ত লোকসকলৰ বাবে সাহায্য ঘোষণা কৰা হৈছে। এই প্ৰেক্ষাপটত অসমৰ মুখ্যমন্ত্ৰী ❑ ৬ পৃষ্ঠাত

অসমৰ মীন আৰু দুগ্ধ খণ্ডৰ বিকাশৰ বাবে দিল্লীত মুখ্যমন্ত্ৰী-কেন্দ্ৰীয় মন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক

উৎপাদন বৃদ্ধি, ৰপ্তানি সম্প্ৰসাৰণ আৰু প্ৰক্ৰিয়াকৰণ আন্তঃগাঁথনি শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২ জুলাই ঃ অসমৰ মীন পালন, পশুপালন আৰু দুগ্ধ উৎপাদন খণ্ডক অধিক বিকশিত কৰাৰ লক্ষ্যৰে এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৃহস্পতিবাৰে নতুন দিল্লীস্থিত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ চৰকাৰী বাসভৱনত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ উন্নয়ন মন্ত্ৰী শ্ৰী ৰাজীব ৰঞ্জন সিং (লালন সিং) ডাঙৰীয়াক সাক্ষাৎ কৰি ৰাজ্যৰ এই খণ্ড দুটাত থকা অপাৰ সম্ভাৱনাৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। বৈঠকখনত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই অসমৰ মীন পালন আৰু দুগ্ধ উৎপাদন ক্ষেত্ৰখনৰ প্ৰচুৰ সম্ভাৱনাৰ প্ৰতি গুৰুত্ব আৰোপ কৰাৰ লগতে ৰাজ্য চৰকাৰে ইতিমধ্যে এই খণ্ডটোত গ্ৰহণ কৰি থকা পদক্ষেপসমূহৰ কথা ❑ ৬ পৃষ্ঠাত

শুকুৰবাৰে ইৰাণলৈ যাব উচ্চস্তৰীয় ভাৰতীয় প্ৰতিনিধি দল

৪ জুলাইৰ পৰা ৯ জুলাইলৈ তেহৰাণ আৰু মাছহাদত আয়াতুল্লা খামেইনিৰ জানাজা

নিউজ ডেস্ক, অসম বার্তা, ২ জুলাই ঃ ইৰাণৰ প্ৰাক্তন সৰ্বোচ্চ নেতা আয়াতুল্লা ছেয়দ আলী খামেইনিৰ জানাজা অনুষ্ঠানত ভাৰতক প্ৰতিনিধিত্ব কৰিবলৈ এখন উচ্চস্তৰীয় প্ৰতিনিধি দল শুকুৰবাৰে ইৰাণলৈ ৰাওনা হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে বৃহস্পতিবাৰে আনুষ্ঠানিকভাবে জনায় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিনিধি হিচাপে কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্গেৰিটা আৰু বিহাৰৰ ৰাজ্যপাল লেফটেনেণ্ট জেনেৰেল (অবসৰপ্ৰাপ্ত) ছৈয়দ আতা হাছনেইনে এই অন্ত্যেষ্টিক্ৰিয়াত অংশগ্ৰহণ কৰিব। ❑ ৬ পৃষ্ঠাত

নগাঁও উপ-নিৰ্বাচনৰ ৰণকৌশল চূড়ান্ত কৰিবলৈ কংগ্ৰেছৰ গুৰুত্বপূৰ্ণ বৈঠক

গৌৰৱ গগৈৰ সভাপতিত্বত ৰাজীব ভৱনত তৃণমূল নেতাৰ সমাগম

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২ জুলাই ঃ নগাঁও লোকসভা সমষ্টিৰ আগন্তুক উপ-নিৰ্বাচনক লৈ ৰাজ্যৰ ৰাজনৈতিক মহলত প্ৰচাৰ আৰম্ভ হৈছে। অহা নিৰ্বাচনৰ কৌশল চূড়ান্ত ৰূপ দিবলৈ ❑ ৬ পৃষ্ঠাত

বানাক্ৰান্ত শিক্ষাৰ্থীক নতুন কিতাপ-ইউনিফৰ্ম প্ৰদানৰ নিৰ্দেশ শিক্ষামন্ত্ৰীৰ

জুলাই মাহৰ ভিতৰতে সম্পূৰ্ণ কৰিব লাগিব বিদ্যালয়ৰ পুনৰ নিৰ্মাণ আৰু ক্ষতিগ্ৰস্ত সামগ্ৰীৰ যোগান

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২ জুলাই ঃ শেহতীয়াকৈ ধেমাজি জিলাত সৃষ্টি হোৱা প্ৰলয়ংকৰী বানে ব্যাপক ধ্বংসলীলা চলাই জিলাখনৰ জনজীবন প্ৰভাৱিত কৰাৰ লগতে বহু লোকৰ ঘৰ-দুৱাৰ আৰু যাতায়াত ব্যৱস্থাও সম্পূৰ্ণৰূপে বিঘ্নিত কৰি পেলায়। এই অঞ্চলৰ বানে শিক্ষা খণ্ডতো যথেষ্ট ক্ষতি সাধন কৰে, যাৰ ফলত জিলাখনৰ বহু বিদ্যালয় আৰু শিক্ষানুষ্ঠান ভাঙি-ছিঙি যায়। শিক্ষা খণ্ডত এই বিপৰ্যয় ঘটাৰ পাছতে ৰাজ্যৰ শিক্ষা বিভাগ সতৰ্ক হৈ পৰে আৰু দ্ৰুতগতিত পুনৰুদ্ধাৰৰ পদক্ষেপ গ্ৰহণৰ নিৰ্দেশ প্ৰদান কৰে। ❑ ৬ পৃষ্ঠাত

অসমত প্ৰস্তাৱিত বিমানবন্দৰ, হেলিপ'ৰ্ট স্থাপনৰ বুজ ল'লে কেন্দ্ৰীয় বিমান পৰিবহণ মন্ত্ৰীয়ে

শিলচৰ, মানস, উমৰাংছু, মাজুলী, ডিফু, চৰাইদেউত গ্ৰীনফিল্ড বিমানবন্দৰ আৰু হাফলঙত হেলিপ'ৰ্টৰ অগ্ৰগতি

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২ জুলাই ঃ অসমক পূব ভাৰতৰ এক গুৰুত্বপূৰ্ণ বিমান পৰিবহণ আৰু বাণিজ্য কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ সংকল্পত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বিমান যোগাযোগ আৰু লজিষ্টিক খণ্ডৰ ভবিষ্যৎ ৰূপৰেখা প্ৰস্তুত কৰিবলৈ এক উচ্চস্তৰীয় পৰ্যালোচনা কৰে। আজি নতুন দিল্লীত কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী শ্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডুৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত ❑ ৬ পৃষ্ঠাত

বেংগালুৰুত শিল কুৰেৰী দুৰ্ঘটনাত অসমসহ ৩ ৰাজ্যৰ ৭ শ্ৰমিকৰ মৃত্যু

৪০ ফুট ওপৰৰ পৰা প্ৰকাণ্ড শিল বাগৰি শোকাৱহ ঘটনা

নেশ্যনেল ডেস্ক, অসম বার্তা, ২ জুলাই ঃ বেংগালুৰু দক্ষিণ জিলাৰ মদাপত্তা গাঁৱত বৃহস্পতিবাৰে পুৱা প্ৰায় ৭ ৰজাত সংঘটিত হয় এক ভয়াবহ দুৰ্ঘটনা। কাবেৰী ক্ৰাছাৰৰ মালিকানাধীন এখন শিল কুৰেৰীত কাম কৰি থকা শ্ৰমিকসকলৰ ওপৰত হঠাতে প্ৰায় ৪০ ফুট ওপৰৰ পৰা এটা বিশাল শিলৰ টুকুৰা বাগৰি পৰে। এই দুৰ্ঘটনাত ততাতৈয়াকৈ ৭জন শ্ৰমিকে প্ৰাণ হেৰুৱায় আৰু কেইবাজনো গুৰুতৰভাৱে আহত হয়। স্থানীয় সূত্ৰই জনোৱা মতে, নিহত শ্ৰমিকসকল অসম, বিহাৰ আৰু মধ্যপ্ৰদেশৰ বাসিন্দা। ভাল ৰোজগাৰ আশাত নিজৰ ঘৰ-সংসাৰ এৰি দূৰৈৰ বেংগালুৰুলৈ যোৱা এই শ্ৰমিকসকলৰ সপোন চূৰ্ণ হয় এই শোকাৱহ ঘটনাত। দুৰ্ঘটনাটো ঘটা সময়ত কুৰেৰীটোত প্ৰায় ১৮ গৰাকী শ্ৰমিকে কাম কৰি আছিল আৰু শিলৰ তলত আৰু কিছুমান শ্ৰমিক আবদ্ধ হৈ থকাৰ আশংকা কৰিছে প্ৰশাসনে। ঘটনাৰ পিছত ততাতৈয়াকৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে স্থানীয় আৰক্ষী আৰু বিপৰ্যয় মোকাবিলা দলে। আহত কেইবাজনো শ্ৰমিকক উদ্ধাৰ কৰি বেংগালুৰুৰ আৰ আৰ হাস্পতালত ❑ ৬ পৃষ্ঠাত

গুৱাহাটী মহানগৰীত এশ কোটি টকাৰ জালনোটৰ ক'লা বেহা

সৰবৰাহকাৰীৰ বিস্ফোৰক স্বীকাৰোক্তি গুৱাহাটীত বিশাল নেটৱৰ্ক

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২ জুলাই ঃ গুৱাহাটী মহানগৰী এতিয়া জালনোটৰ ক'লা বেহাৰ এক ডাঙৰ কেন্দ্ৰ হৈ পৰিছে। দিছপুৰ আৰক্ষীয়ে বৃহস্পতিবাৰে গ্ৰেপ্তাৰ কৰা এজন জালনোট সৰবৰাহকাৰীয়ে চাঞ্চল্যকৰ স্বীকাৰোক্তি দিয়ে যে ৰাজধানী চহৰখনত এশ কোটি টকাতো অধিক জালনোট সঁচৰতি হৈ আছে। নাম আজয় বিশ্বকৰ্মা বুলি চিনাক্ত হোৱা এইসৰবাহকাৰীজন ধেমাজি চিলাপথাৰৰ দেউৰীগাঁৱৰ বাসিন্দা আৰু ❑ ৬ পৃষ্ঠাত

পান কার্ড বা ভোটাৰ কার্ড নাগৰিকত্বৰ প্ৰমাণ নহয় !



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২ জুলাই ঃ গুৱাহাটী উচ্চ ন্যায়ালয়ে ৩০ জুন তাৰিখে এখন গুৰুত্বপূৰ্ণ ৰায়দান কৰি স্পষ্ট কৰে যে পান কার্ড, ভোটাৰ আইডি কার্ড (ইপিআইচি) আৰু এনআৰচিৰ নথি ভাৰতীয় নাগৰিকত্ব প্ৰমাণৰ বাবে যথেষ্ট নহয়। বিদেশী ন্যায়াধিকৰণৰ ২০১৯ চনৰ এটা সিদ্ধান্তক প্ৰত্যাহ্বান জনাই আমিনুল হকে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে বিদেশী ন্যায়াধিকৰণৰ মূল ৰায়টোকে বহাল ৰাখে আৰু আবেদনকাৰী আমিনুল হকৰ আবেদন খাৰিজ কৰি দিয়ে। ন্যায়াধীশ কল্যাণ ৰাজ চুবানা আৰু শ্ৰীমিমা ডাহাৰিয়া গঠিত খণ্ডপীঠে পৰ্যবেক্ষণ কৰে যে এভিডেন্স এক্ট (তথ্য আইন) ১৮৭২ৰ ধাৰা ৬৫বি-ৰ অধীনত কোনো প্ৰমাণ-পত্ৰ অবিহনে ইলেকট্ৰনিক নথি যেনে এনআৰচি লিগেচী ডাটা, পান কার্ড বা ইপিআইচি ভোটাৰ কার্ড নাগৰিকত্ব প্ৰমাণৰ বাবে উপযুক্ত তথ্য হ'ব ❑ ৬ পৃষ্ঠাত

ডিব্ৰুগড়ত প্ৰশাসনৰ বৃহৎ উচ্ছেদ অভিযান; ব্ৰহ্মপুত্ৰ পাৰৰ সংৰক্ষিত ভূমি বেদখলমুক্ত

পূৰ্বৰ জাননী অৱজ্ঞা কৰা বেদখলকাৰীৰ ঘৰত বুলড'জাৰ

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২ জুলাই ঃ ডিব্ৰুগড়ৰ ব্ৰহ্মপুত্ৰ নদীৰ পাৰত এক বৃহৎ উচ্ছেদ অভিযান চলাই প্ৰশাসনে দীৰ্ঘদিনীয়া বেদখলৰ অন্ত পেলালে। চৰকাৰ গঠনৰ পাছতেই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অবৈধ বেদখলকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ প্ৰতিশ্ৰুতি দিছিল আৰু সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰি বৃহস্পতিবাৰে দ্বিতীয় ৰাজধানী ডিব্ৰুগড় মহানগৰীত প্ৰশাসনে উচ্ছেদ অভিযান চলায়। ❑ ৬ পৃষ্ঠাত

ৰাজ্যত ১৪ আগষ্টৰ ভিতৰতে ১ কোটি পুলি ৰোপণৰ লক্ষ্য বন বিভাগৰ

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ২ জুলাই ঃ স্বাধীনতা দিবসৰ প্ৰাক্কালত অসম চৰকাৰৰ বন বিভাগে সমগ্ৰ ৰাজ্যজুৰি আয়োজন কৰিবলৈ লোৱা ঐতিহাসিক মেগা বৃক্ষৰোপণ অভিযানৰ বাবে প্ৰস্তুতি চলাই আছে। অহা ১৪ আগষ্টৰ ভিতৰতে ৰাজ্যৰ প্ৰত্যেক প্ৰান্তত ৰ কোটি পুলি ৰোপণৰ ভব্য লক্ষ্য স্থিৰ কৰিছে বিভাগটোৱে। বৃহস্পতিবাৰে মৰিগাঁও জিলাৰ পবিতৰা অঞ্চলত আয়োজিত 'বন মহোৎসৱ' কাৰ্যসূচীত অংশগ্ৰহণ ❑ ৬ পৃষ্ঠাত

পবিতৰাত বন মহোৎসৱত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ ঘোষণা

গোসাঁইগাঁও টাউন ই-ৰিস্কা ওনাৰ এছোছিয়েশ্যন যৌথ উদ্যোগত সাধাৰণ সভা

গোসাঁইগাঁও মহকুমা ই-ৰিস্কা সন্থা গঠন

অসম বাৰ্তা, গোসাঁইগাঁও, ১ জুলাই ঃ গোসাঁইগাঁও টাউন ই-ৰিস্কা ওনাৰ এছোছিয়েশ্যনৰ যৌথ উদ্যোগত আজি গোসাঁইগাঁও উওৰপাৰা বাছ ষ্টেণ্ডত এখন সধাৰণ সভাৰ আয়োজন কৰা হয়। সমাজসেৱক ফজৰ আলীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সাধাৰণ সভাখনৰ উদ্দেশ্য ব্যাখ্য কৰে ই-ৰিস্কা সন্থাৰ সৈতে ওতপ্ৰোতভাৱে জড়িত থকা শান্তিষোৰ নাৰ্জাৰীয়ে। সাধাৰণ সভাখনত বিধায়ক শোভাৰাম বসুমাতাৰীয়ে উপস্থিত থাকি বিভিন্ন দিহা পৰামৰ্শ আগবঢ়াই ভাষণ প্ৰদান কৰে। বি পি এফ দলৰ গোসাঁইগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক বিল্লা কুমাৰ ব্ৰহ্মই ই ৰিস্কা চালক সকলক ই-ৰিস্কা চলোৱাৰ নিয়মীয়াৱলী মানি চলিবলৈ আহ্বান জনায়। গোসাঁইগাঁও পৌৰসভাৰ প্ৰাক্তন। পৌৰপতি ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰীয়ে চমু ভাষণ প্ৰদান কৰে। বি পি এফ দলৰ গোসাঁইগাঁও জিলা সমিতিৰ সভাপতি দেৱজিৎ নাৰ্জাৰী, গোসাঁইগাঁও পৌৰ সভাৰ পৌৰপতি নৰপতি ব্ৰহ্ম, বি পি এফ দলৰ শৰাইবিল ব্লকৰ সভাপতি আফতাৱ উদ্দিন শ্বেখ উপস্থিত থাকে। উক্ত সভাতে গোসাঁইগাঁৱৰ তিনিটা ৰিস্কা সন্থা ক্ৰমে গোসাঁইগাঁ ই-ৰিস্কা ওৱাৰ্কাছ ইউনিয়ন, গোসাঁইগাঁও টাউন ই-ৰিস্কা ওনাৰ এছোছিয়েশ্যন, গোসাঁইগাঁও ই-ৰিস্কা ড্ৰাইভাৰ ইউনিয়ন ভংগ কৰা হয়। ই ৰিস্কা চালক সকলৰ তিনিটা ইউনিয়ন ভংগ কৰি বিভিন্ন আলোচনা বিলোচনাৰ অন্তত ই ৰিস্কা চালক সকলে গোসাঁইগাঁৱত ই-ৰিস্কা ইউনিয়ন এটা হ'ব লাগে বুলি সকলোৱে সহমত প্ৰকাশ কৰে। যাৰ ফলশ্ৰুতিত সৰ্বসন্মতি ক্ৰমে মনোৰঞ্জন ৰায়ক সভাপতি আৰু লালজিৎ নাৰ্জাৰীক সাধাৰণ সম্পাদক হিচাপে লৈ ২১ জনীয়া সদস্যৰে গোসাঁইগাঁও মহকুমা ই-ৰিস্কা সন্থা নতুনকৈ গঠন কৰা হয়।

মাজুলীত ৰাষ্ট্ৰীয় চিকিৎসক দিৱস ২০২৬ উদ্‌যাপন

অসম বাৰ্তা, মাজুলী, ২ জুলাই ঃ সমগ্ৰ দেশৰ লগতে মাজুলী জিলাৰ পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়ত উলহ-মালহেৰে কালি ৰাষ্ট্ৰীয় চিকিৎসক দিৱস ২০২৬ উদ্‌যাপন কৰা হয়। বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা উক্ত অনুষ্ঠানত মাজুলী জিলা সাহিত্য সভা, পাঞ্জাব নেশ্যনেল বেংক, এচ বি আই লাইফকে ধৰি বিভিন্ন দল-সংগঠনে চিকিৎসাৰ লগত জড়িত প্ৰতিগৰাকী ব্যক্তিক সম্বৰ্ধনা জনাই। অসম চিকিৎসা সেৱা সন্থা, মাজুলী শাখাৰ উদ্যোগত আৰু শ্ৰীশ্ৰী পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়ৰ সহযোগত জিলা চিকিৎসালয়ৰ প্ৰেক্ষাগৃহত মানৱতাৰ সেৱাত ব্ৰতী চিকিৎসকসকলক সন্মান জনোৱাৰ উদ্দেশ্যে আয়োজিত অনুষ্ঠানত সভাপতিত্ব কৰে পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়ৰ অধীক্ষক ডাঃ মাণিক মিলিয়ে, উদ্বোধন কৰে মাজুলী জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ কিশোৰ কামানে আৰু আতধৰে ডাঃ প্ৰণৱ নাথে। জিলাখনৰ বিশিষ্ট চিকিৎসক ডাঃ পুলক দেউৰী আৰু ডা: জয়ন্ত বৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। অসম চিকিৎসা সেৱা সন্থাৰ মাজুলী শাখা আৰু শ্ৰী শ্ৰী পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়ৰ যৌথ প্ৰচেষ্টাত আয়োজিত অনুষ্ঠানত নদীদ্বীপ মাজুলীৰ দৰে দুৰ্গম জিলাখনত সেৱা আগবঢ়োৱা কেইবাগৰাকীয়েও চিকিৎসকক মানপত্ৰ, গামোচা আৰু চেলেংৰে সম্বৰ্ধনা জনোৱা হয়। সভাত উপস্থিত থকা বক্তাসকলে দুৰ্গম নদীদ্বীপ মাজুলীৰ স্বাস্থ্য খণ্ডৰ উন্নয়ন আৰু চিকিৎসকসকলে অহৰহ আগবঢ়াই অহা নিঃস্বাৰ্থ সেৱাৰ শলাগ লয়। চিকিৎসক দিৱসৰ পবিত্ৰ ক্ষণত চিকিৎসাকৰ্মীসকলে আগন্তুক দিনবোৰতো মাজুলীবাসীক অধিক তৎপৰতাৰে স্বাস্থ্য সেৱা আগবঢ়াই যোৱাৰ সংকল্প গ্ৰহণ কৰে। উল্লেখযোগ্য যে, প্ৰতি বছৰে ১ জুলাইত ভাৰতত ৰাষ্ট্ৰীয় চিকিৎসক দিৱস (National Doctors' Day) পালন কৰা হয়। স্বাস্থ্য আৰু সমাজলৈ চিকিৎসকসকলে আগবঢ়োৱা নিঃস্বাৰ্থ অৱদানক স্বীকৃতি প্ৰদান আৰু সন্মান জনোৱাৰ বাবে এই দিৱস উদ্‌যাপন কৰা হয়। চিকিৎসক দিৱসৰ ইতিহাস অনুসৰি ভাৰতৰ এগৰাকী মহান চিকিৎসক, স্বাধীনতা সংগ্ৰামী তথা পশ্চিমবংগৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঃ বিধানচন্দ্ৰ ৰয়ৰ জন্ম আৰু মৃত্যু বাৰ্ষিকীৰ স্মৃতিত এই দিনটো উৎসৰ্গা কৰা হৈছে। ১৮৮২ চনৰ ১ জুলাইত জন্মগ্ৰহণ কৰা ডাঃ ৰয়ে ১৯৬২ চনৰ ১ জুলাই তাৰিখে ইহলীলা সম্বৰণ কৰে। তেখেতৰ চিকিৎসা ক্ষেত্ৰখনৰ লগতে সমাজলৈ থকা অৱদানক সন্মান জনাই ভাৰত চৰকাৰে ১৯৯১ চনৰ পৰা ১ জুলাইক চিকিৎসক দিৱস হিচাপে ঘোষণা কৰে।

গোলকগঞ্জত চোৰাং গৰুসহ ৱাগনাৰ বাহন জব্দ; ছটা গৰু উদ্ধাৰ

অসম বাৰ্তা, গোলকগঞ্জ, ২ জুলাই ঃ ধুবুৰী জিলাৰ গোলকগঞ্জত চোৰাং গৰু সৰবৰাহৰ বিৰুদ্ধে আৰক্ষীয়ে চলোৱা এক অভিযানত ৬টা গৰুসহ এখন ৱাগনাৰ বাহন জব্দ কৰিবলৈ সক্ষম হয়। অৱশ্যে বাহনখনৰ চালকজন ঘটনাস্থলীৰ পৰা পলায়ন কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, ১২৭-বি ৰাষ্ট্ৰীয় ঘাইপথৰ উৰণীয়া সেতুৰ ওপৰত গোলকগঞ্জ আৰক্ষীয়ে অভিযান চলাই থকা সময়ত দ্ৰুতগতিত আহি থকা এখন ৱাগনাৰ বাহনক ৰখাবলৈ নিৰ্দেশ দিয়ে। কিন্তু চালকজনে আৰক্ষীৰ নিৰ্দেশ অমান্য কৰি বাহনখন লৈ পলাবলৈ চেষ্টা কৰে। ইয়াৰ পিছতে গোলকগঞ্জ আৰু বালাজান আৰক্ষীয়ে বাহনখন খেদি টেঁপটেঁপি বজাৰলৈকে অনুসৰণ কৰে। পলায়নৰ সময়ত দ্ৰুতগতিত থকা বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই এখন দোকানত খুন্দা মৰাত চালকজন সুযোগ লৈ পলাই যায়। তীব্ৰবেগী বাহন খনে টেঁপটেঁপি বজাৰস্থিত এখন সাৰৰ দোকান সম্পূৰ্ণৰূপে তচনচ হৈ পৰে পিছত দোকানীৰ স্বত্বাধিকাৰী গাড়ী খনৰ গৰাকীৰ নামত এখন গোলকগঞ্জ থানাত এজাহাৰ দাখিল কৰে। পিছত বালাজান, গোলকগঞ্জ আৰু শৈলমাৰী আৰক্ষীৰ যৌথ দল ঘটনাস্থলীত উপস্থিত হৈ বাহনখনত তালাচী চলায়। তালাচীৰ সময়ত অতি নিৰ্মমভাৱে বান্ধি ৰখা অৱস্থাত ৬টা চোৰাং গৰু উদ্ধাৰ কৰা হয়। গৰু সমূহ চোৰাং ভাৱে বাংলাদেশলৈ চালান দিয়াৰ উদ্দেশ্যে চোৰাং বেপাৰীৰ। জব্দ কৰা বাহনখনৰ পঞ্জীয়ন নম্বৰ AS-16-H-8264 এই ঘটনাক কেন্দ্ৰ কৰি কিছু সময়ৰ বাবে অঞ্চলটোত উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয় যদিও আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনে। ঘটনাৰ সৈতে জড়িত লোকসকলক চিনাক্ত কৰাৰ লগতে চোৰাং গৰু সৰবৰাহ চক্ৰৰ সন্ধানত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত নগাঁৱৰ ৩ কেন্দ্ৰত বহিব ১,৮৭৬ প্ৰাৰ্থী

দেওবাৰে এচিএছৰ প্ৰাৰম্ভিক পৰীক্ষাক লৈ নগাঁও প্ৰশাসনৰ ব্যাপক প্ৰস্তুতি

অসম বাৰ্তা, পুৰণিগুদাম, ২ জুলাই ঃ অহা ৫ জুলাইত অনুষ্ঠিত হ'বলগীয়া ৰাজ্য প্ৰশাসনৰ আটাইতকৈ গুৰুত্বপূৰ্ণৰূপে বিবেচিত অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত (প্ৰাৰম্ভিক) নগাঁও জিলাৰ ১৮৭৬জন প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। অসম অসামৰিক সেৱাসহ অন্যান্য সহযোগী সেৱাৰ বাবে অনুষ্ঠিত হ'বলগীয়া এই গুৰুত্বপূৰ্ণ প্ৰাৰম্ভিক পৰীক্ষা নগাঁও চহৰৰ তিনিটা কেন্দ্ৰত অনুষ্ঠিত হ'ব। ইয়াৰে নগাঁও বিশ্ববিদ্যালয়ত ৫৭০ জন, নগাঁও ছোৱালী মহাবিদ্যালয়ত ৭২০ আৰু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত ৫৮৬ প্ৰাৰ্থীৰ বাবে সকলো ব্যৱস্থা সাজু কৰা হৈছে। সেই দিনা ৰাজ্যৰ অন্যান্য অংশৰ লগতে নগাঁও জিলা সদৰতো এই তিনিটা কেন্দ্ৰত পুৱা ১০ বজাৰ পৰা ১২ বজালৈ আৰু ২ বজাৰ পৰা ৪ বজালৈ দুয়ো বেলা পৰীক্ষা অনুষ্ঠিত হ'ব। পৰীক্ষা সম্পূৰ্ণ নীতি-নিয়মৰ মাজেৰে আৰু কঠোৰ সুৰক্ষা ব্যৱস্থাৰ মাজত অনুষ্ঠিত কৰিবলৈ জিলা আয়ুক্ত দেৱাশিস শৰ্মাই ব্যৱস্থা হাতত লৈছে। এই উপলক্ষে জিলা আয়ুক্তগৰাকীৰ সভাপতিত্বত জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতিম দাস, অতিৰিক্ত আয়ুক্ত গোপাল শৰ্মা, যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ পঞ্চম কুমাৰ বৰা, অতিৰিক্ত আৰক্ষী অধীক্ষক ৰোজী তালুকদাৰ, কোষাগাৰ বিষয়া অলক তামোলী, বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথ, প্ৰধান ডাকঘৰৰ অধীক্ষক, দুয়োখন মহাবিদ্যালয়ৰ

অধ্যক্ষ, বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক আদিক লৈ অলপতে আয়োজিত এখন সভাত পৰীক্ষা সম্পৰ্কীয় সকলো বিষয় বিতংকৈ আলোচনা কৰা হয়। সমগ্ৰ পৰীক্ষাৰ প্ৰস্তুতিৰ জিলা আয়ুক্তই নিজেই তদাৰক কৰি আছে। পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত সেই দিনা পৰীক্ষাৰ্থী আৰু পৰীক্ষাৰ দায়িত্বত নিয়োজিত বিষয়া -কৰ্মচাৰীৰ বাহিৰে আন কোনো লোকৰে প্ৰৱেশ নিষিদ্ধ কৰি জিলা আয়ুক্তই ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নং ধাৰাৰ অধীনত আদেশ জাৰি কৰিছে। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এই কথা প্ৰকাশ কৰি জনাইছে যে, ই-নামভৰ্তি প্ৰমাণপত্ৰ অবিহনে কোনো প্ৰাৰ্থীকে পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। প্ৰাৰ্থীসকলক কেৱল নিজৰ প্ৰৱেশ পত্ৰ, পৰিচয়পত্ৰ আৰু কলমৰ বাহিৰে আন সামগ্ৰী নানিবলৈ পৰামৰ্শ দিয়া হৈছে। বিশেষকৈ যিকোনো ধৰণৰ ঘড়ী, পেঞ্চিল বাকচ, ক্লিপ বৰ্ড, বহী, কিতাপ, কাগজ, মোবাইল ফোন, খাদ্য সামগ্ৰী, বেগ আদি সম্পূৰ্ণ বাৰণ কৰা হৈছে। আটাইবোৰ পৰীক্ষা কেন্দ্ৰত চিচি টিভি কেমেৰাৰ ব্যৱস্থা কৰা হৈছে। প্ৰতিখন শিক্ষানুষ্ঠানৰ অধ্যক্ষ বা পঞ্জীয়কক সংশ্লিষ্ট কেন্দ্ৰৰ দায়িত্ব অৰ্পণ কৰা হৈছে। পৰীক্ষাৰ বাবেই সেই দিনা দেওবৰীয়া বন্ধৰ মাজতো ভাৰতীয় ডাক সেৱাৰ জিলাৰ প্ৰধান কাৰ্যালয় খোলা ৰখা হ'ব।

টাপাট্টাৰী উন্নয়ন খণ্ডত বিকশিত ভাৰত-জি ৰাম জি আঁচনি ২০২৫ৰ শুভ উদ্বোধন

অসম বাৰ্তা, লেংটিছিঙা, ২ জুলাই ঃ "জল সংৰক্ষণ আৰু জল সংবৰ্ধন এই আচঁনিৰ উদেশ্য। জীৱিকাৰ লগত জড়িত আন্তঃগাঁথনি নিৰ্মাণ কৰা হৈছে আঁচনিৰ লক্ষ্য। প্ৰাকৃতিক দুৰ্যোগ নিয়ন্ত্ৰণ আৰু প্ৰশমণৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিব। জব কাৰ্ড কৰ্মীক বছৰত ১২৫ দিনৰ কামৰ গেৰাণ্টি নিশ্চিত কৰিব।" আজি টাপাট্টাৰী উন্নয়ন খণ্ডত বিকশিত ভাৰত-জি ৰাম জি আঁচনিৰ শুভ উদ্বোধনী অনুষ্ঠানত এই দৰে ভাষণ প্ৰদান কৰে বঙাইগাঁও জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই। সভাত অভয়াপুৰী সমষ্টিৰ বিধায়ক ভূপেন ৰায়ে ভাষণ প্ৰসংগত কয় যে এই অভিলাষী আঁচনিটো সফল ৰূপায়ন কৰিবলৈ হলে প্ৰতিজন জনপ্ৰতিনিধিয়ে ব্যাক্তিগত উন্নয়ন কৰাতকৈ সমূহীয়া উন্নয়নৰ বাবে কাম কৰক। তেহে নিজ নিজ দলৰ লগতে নিজৰ স্ব-জনগোষ্ঠীৰ লোকসকলে আদৰি ল'ব।" ভাৰত চৰকাৰে আজি বিকশিত ভাৰত-জি ৰাম জি আঁচনিটো কেন্দ্ৰীয় ভাৱে অন্ধ্ৰ প্ৰদেশৰ ত্ৰিপল্লীত আনুষ্ঠানিক ভাৱে শুভ উদ্বোধন কৰাৰলগতে সমান্তৰাল ভাৱে সমগ্ৰ দেশৰ লগতে বঙাইগাঁও জিলাৰ টাপাট্টাৰী উন্নয়ন খণ্ডত আজি জিলা পৰ্যায়ত বিকশিত ভাৰত- জি ৰাম জি আঁচনি, ২০২৫ৰ শুভ উদ্বোধন কৰা হয়। জিলা পৰ্যায়ৰজন সন্মীলন তথা উদ্বোধনী অনুষ্ঠানৰ যোগেদি বিকশিত ভাৰত গেৰাণ্টি ফৰ ৰোজগাৰ এণ্ড আজীৱিকা মিছন, গ্ৰামীণ, আঁচনিৰ যোগেদি গ্ৰাম্য উন্নয়নৰ কৰিব। আজিৰ সভাত জিলা খনৰজন প্ৰতিনিধি, জব কাৰ্ড কৰ্মী, আত্ম সহায়ক গোট, বেচৰকাৰী সংস্থা, যুৱ সংঘ, হিতাধীকাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। খণ্ড উন্নয়ন বিষয়া গৌতম লাল মজুমদাৰে পৰিচালনা কৰা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে ক্ৰমে-বঙাইগাঁও জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়া, অভয়াপুৰী সমষ্টিৰ বিধায়ক ভূপেন ৰায়, বঙাইগাঁও জিলা পৰিষদৰ সভানেত্ৰী মৃদুলা সিংহ, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া গয়া প্ৰশাদ আগৰৱালাই। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে- অভয়াপুৰী সম জিলা আয়ুক্ত শান্তা কাৰ্কী ছেত্ৰী, টাপাট্টাৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি ৰাজীৱ আলী আৰু টাপাট্টাৰী জিলা পৰিষদ সদস্য কেৰামত আলী আদিয়ে।

কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰামৰ মন্তব্যক লৈ অসন্তুষ্ট আক্ৰাসু; তীব্ৰ সমালোচনা কেন্দ্ৰীয় সাধাৰণ সম্পাদক বলোৰাম বৰ্মনৰ

অসম বাৰ্তা, বঙাইগাঁও সদৰ, ২ জুলাই ঃ কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰামে অসমৰ ছয় জনগোষ্ঠীক লৈ কৰা এক বিতৰ্কিত মন্তব্যক লৈ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সংসদৰ বৰ্ষাকালীন অধিবেশনত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিল উত্থাপন হোৱাৰ কোনো সম্ভাৱনা নাই বুলি স্পষ্ট কৰি দিয়াৰ পাছতেই এই প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এই সন্দৰ্ভত আজি বঙাইগাঁৱত সৰৱ হৈ পৰে সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাসু)। আছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক বলোৰাম বৰ্মনে কেন্দ্ৰীয় মন্ত্ৰী জুৱেল ওৰামৰ উক্ত মন্তব্যক গৰিহণা দি তীব্ৰ ভাষাৰে সমালোচনা কৰে। বৰ্মনে অভিযোগ কৰে যে চৰকাৰে দীৰ্ঘদিন ধৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগটোক লৈ কেৱল প্ৰতিশ্ৰুতি দি আহিছে, কিন্তু কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত কোনো আন্তৰিকতা প্ৰদৰ্শন কৰা নাই। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ এই ঘোষণাই ছয় জনগোষ্ঠীৰ লোকসকলক পুনৰ হতাশ কৰি তুলিছে বুলিও তেওঁ মন্তব্য কৰে।

ভাওনাৰ জৰিয়তে নৈতিক শিক্ষা প্ৰদানৰ লক্ষ্য

উৰিয়ামঘাটত ১৪ দিনীয়া গ্ৰীষ্মকালীন সাংস্কৃতিক কৰ্মশালা

অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, সৰুপথাৰ, ২ জুলাই ঃ উৰিয়ামঘাট আঞ্চলিক বৰনামঘৰৰ সৌজন্যত, উৰিয়ামঘাট আঞ্চলিক বৰনামঘৰ যুৱ সমিতিৰ উদ্যোগত আৰু উৰিয়ামঘাটবাসী ৰাইজৰ সহযোগত অহা ১২ জুলাইৰ পৰা ২৬ জুলাইলৈ উৰিয়ামঘাট আঞ্চলিক বৰনামঘৰত ১৪ দিনীয়া গ্ৰীষ্মকালীন সাংস্কৃতিক কৰ্মশালা অনুষ্ঠিত হ'ব। "ভাওনা শিকোঁ আহা" শীৰ্ষক এই কৰ্মশালাৰ মূল উদ্দেশ্য হৈছে ভাওনাৰ জৰিয়তে নতুন প্ৰজন্মক গুৰুজনা শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য সৃষ্টিৰ সৈতে পৰিচিত কৰাৰ লগতে ভাওনাৰ পৰা আহৰণ কৰিবলগীয়া আধ্যাত্মিক, সামাজিক, নৈতিক আৰু মানৱীয় মূল্যবোধৰ শিক্ষা প্ৰদান কৰা। ইয়াৰ জৰিয়তে অংশগ্ৰহণকাৰীসকলে সমাজত পৰিশীলিতভাৱে নিজকে প্ৰতিষ্ঠা কৰাৰ প্ৰস্তুতি লাভ কৰিব বুলি আয়োজকসকলে জানিবলৈ দিয়ে। কৰ্মশালাত শিৱসাগৰৰ বিশিষ্ট নাট্যকাৰ, পৰিচালক আৰু বিচাৰক উজ্জ্বল খনিকৰ মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকিব। লগতে গোলাঘাটৰ ৰঞ্জিত হাজৰিকা মুখ্য প্ৰশিক্ষক, ডিম্পল বৰা সহকাৰী প্ৰশিক্ষক আৰু বিজিত বৰা ৰূপসজ্জাৰ প্ৰশিক্ষক হিচাপে প্ৰশিক্ষণ প্ৰদান কৰিব। কৰ্মশালাৰ প্ৰশিক্ষণ সম্পূৰ্ণ বিনামূলীয়া হ'ব। শিশু, যুৱক আৰু যুৱতী—সকলো আগ্ৰহী লোকে এই কৰ্মশালাত অংশগ্ৰহণ কৰিব পাৰিব। কৰ্মশালাৰ অন্তিম পৰ্যায়ত প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা এখন ভাওনা মঞ্চস্থ কৰা হ'ব। অনুষ্ঠানটো সফলভাৱে সম্পন্ন কৰাৰ ক্ষেত্ৰত উৰিয়ামঘাট আঞ্চলিক বৰনামঘৰৰ গায়ন-বায়ন দলে সহযোগিতা আগবঢ়াব। কৰ্মশালাত অংশগ্ৰহণৰ বাবে আগ্ৰহীসকলে ৯৯৫৭৭৯৭৯১৩, ৬৯০০২৩৫৬০৩, ৮৪৭২০১৩৯৯৯ আৰু ৯১০১১৯৯৪৩৪ নম্বৰত যোগাযোগ কৰি নাম পঞ্জীয়ন কৰিব পাৰিব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে।

মৰিগাঁও সাপমাৰিত শান্তি কমিটিৰ স্থায়ী কাৰ্যালয়ৰ আধাৰশিলা স্থাপন অনুষ্ঠান

অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, মৰিগাঁও, ২ জুলাই ঃ মৰিগাঁও জিলাৰ সাপমাৰি অঞ্চলত শান্তি কমিটিৰ উদ্যোগত দিনযোৱা এক বিস্তৃত কাৰ্যসূচী সফলভাৱে সম্পন্ন হয়। কাৰ্যসূচীৰ আৰম্ভণিত পুৱা ভাগত মৰিগাঁও সমষ্টিৰ বিধায়ক ৰামাকান্ত দেউৰীয়ে এটি স্থায়ী কাৰ্যালয়ৰ শিলান্যাস স্থাপন কৰে। এই উপলক্ষে স্থানীয় লোকসকলৰ মাজত উল্লাসৰ পৰিবেশে বিৰাজ কৰে। এই শিলান্যাস স্থাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে মৰিগাওঁ সদৰ সমষ্টি বিধায়ক ৰামাকান্ত দেউৰী লগতে জিলা বিজেপি সম্পাদক জিতু বৰা, ভূৰবন্ধা মণ্ডল বিজেপি সভানেত্ৰী মিনু পাটৰ দেৱীসহ অঞ্চলটোৰ বহু সংখ্যক লোক। তাৰ পিছতে দুপৰীয়া ১ বজাত এখনি সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাত বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয় আৰু শান্তি, সম্প্ৰীতি তথা সমাজ উন্নয়নৰ ক্ষেত্ৰত কমিটিৰ ভূমিকা অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সভাৰ বিশেষ আকৰ্ষণ হিচাপে পূৰ্বৰ সভাপতি আৰু সম্পাদক সকলক সম্বৰ্ধনা জনোৱা হয়। তেওঁলোকৰ সমাজসেৱামূলক অৱদানক শলাগ লৈ সম্বৰ্ধনা প্ৰদান কৰা হয়। এই দিনযোৱা কাৰ্যসূচীত স্থানীয় বহু লোকৰ উপস্থিতিয়ে অনুষ্ঠানটিক সাফল্যমণ্ডিত কৰি তোলে।

LOST

I have lost my B.Ed 4th Semester Marksheet bearing Roll- 020192, No-23001, Year- 2023-25.
Abdul Samad Ali
D/O- Sostulla Sk
Contact No.- 6901366943
AB-94/2026

NAME CORRECTION

Swarn before Notary Public at Bilasipara on 01-07-2026, that in my Bank passbook of Assam Gramin Vikash Bank vide A/C no.- 7150010006932, Lakhiganj Branch my name has been wrongly recorded as RANU DEVI instead of RANU NATH. But my actual name is RANU NATH, which is recorded in my all relevant papers and documents including in Aadhaar card, PAN Card. Both RANU NATH and RANU DEVI is the same name and i.e. myself. Applying for correction at the appropriate authority.
AB-95/2026

সঠিক তথ্য আহৰণত সৰ্বাধিক গুৰুত্ব দিবলৈ জিলা আয়ুক্তৰ আহ্বান

নগাঁও জিলাত লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণৰ সামৰণি

অসম বাৰ্তা, পুৰণিগুদাম, ১ জুলাই ঃ আগন্তুক লোকপিয়ল ২০২৭ ৰ সৈতে জড়িত হ'বলগীয়া কৰ্মচাৰী সকলৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। লোকপিয়লৰ গৃহ তালিকাভুক্তি আৰু গৃহ গণনা কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাৰ লক্ষ্যৰে ক্ষেত্ৰ প্ৰশিক্ষকসকলৰ বাবে দ্বিতীয়খন জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কৰ্মশালাৰ আজি সফলতাৰে সামৰণি পৰে। নগাঁও জিলা পৰিষদৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচী দুটা গোটত বিভক্ত কৰি অনুষ্ঠিত কৰা হয়। ইয়াৰে প্ৰথম গোটৰ প্ৰশিক্ষণ প্ৰক্ৰিয়া বিগত ২৩ জুনৰ পৰা আৰম্ভ হৈ ২৫ জুনত সামৰণি পৰাৰ বিপৰীতে দ্বিতীয় গোটৰ প্ৰশিক্ষণ কাৰ্যসূচী বিগত ২৯ জুনত আৰম্ভ হৈ আজি সফলতাৰে সামৰণি পৰে। লোকপিয়ল ২০২৭ ৰ তথ্য সংগ্ৰহ প্ৰক্ৰিয়া যাতে অতি সঠিক, নিখুঁত আৰু প্ৰণালীবদ্ধ হয়, তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই ক্ষেত্ৰ প্ৰশিক্ষকসকলক প্ৰয়োজনীয় জ্ঞান আৰু দক্ষতা প্ৰদানৰ উদ্দেশ্যে এই বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। আজি দ্বিতীয় গোটৰ সামৰণি দিনটোৰ কাৰ্যসূচীত জিলা আয়ুক্ত দেৱাশিস শৰ্মা উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলৰ সৈতে এক গুৰুত্বপূৰ্ণ মত বিনিময় কৰে। তেওঁ পৰিয়ালৰ গৃহ গণনাৰ ক্ষেত্ৰত মানিবলগীয়া ব্যৱস্থাৰ সম্পৰ্কে প্ৰশিক্ষাৰ্থীসকলক যাৱতীয় দিশসমূহৰ ওপৰত আলোকপাত কৰে। আয়ুক্ত গৰাকীয়ে কয় যে, লোকপিয়ল আমাৰ দৰে পৰিকল্পিত অৰ্থনৈতিক ব্যৱস্থাৰ সফলতাৰ বাবে অপৰিহাৰ্য। লোক পিয়লৰ সঠিক তথ্যইহে আমাৰ পৰিকল্পনা আৰু আঁচনিৰ সফলতা সুনিশ্চিত কৰিব বুলি উল্লেখ কৰি শৰ্মাই পিয়লত সদায় সঠিক তথ্য আহৰণ কৰাটো নিশ্চিত কৰিবলৈ আহ্বান জনায়। উক্ত প্ৰশিক্ষণ কাৰ্যসূচীত নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়া আৰু সহকাৰী আয়ুক্ত অঞ্জলি কুমাৰীও উপস্থিত থাকে।

বিহালীত আদিবাসী ছাত্ৰ নেতাৰ লুণ্ঠন

চাকৰি দিয়াৰ নামত নিবনুৱা যুৱক-যুৱতীক প্ৰৱঞ্চনা

অসম বাৰ্তা, বিহালী, ২ জুলাই ঃ ৰাজ্যত প্ৰায়েই সংঘটিত হৈ আহিছে চৰকাৰী তথা বেচৰকাৰী প্ৰতিষ্ঠানত চাকৰি, নিযুক্তি দিয়াৰ নামত ঠগ প্ৰৱঞ্চনাৰ দৰে ঘটনা। এই বাৰ তেনেধৰণৰ ঘটনা সংঘটিত হৈছে বিহালী সমষ্টিত। অভিযোগ অনুসৰি বিশ্বনাথ জিলা আদিবাসী ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক জিতেন গড়ে নিৰনুৱা যুৱতীক চাকৰি দিয়াৰ নামত বুজন পৰিমাণৰ ধন সংগ্ৰহ কৰি আত্মসাৎ কৰাৰ অভিযোগ উত্থাপিত হৈছে। মতে বিহালী অভিযোগ মতে বিহালী চাহ বাগিচাৰ নিৰনুৱা যুৱতী অৰ্পনা চৱৰকে ধৰি ১২ গৰাকী নিৰনুৱা যুৱতীক এক এন জিঅত চাকৰি দিয়াৰ প্ৰলোভন দিছিল অভিযুক্ত জিতেন গড়ে। ২০২১ চনৰ ২১ এপ্ৰিলত চাকৰিৰ বাবে আৱশ্যকীয় পঞ্জিয়নৰ নামত প্ৰতিগৰাকীৰ পৰা ধন সংগ্ৰহ কৰি জিতেন গড়ে মুঠ ২২ হাজাৰ টকা আত্মসাৎ কৰে। চাকৰিৰ সপোন দেখুৱাই ধন সংগ্ৰহ কৰাৰ পাছত কিন্তু কাৰ্যকৰী নহল নিযুক্তিৰ কোনো প্ৰক্ৰিয়া। ভুক্তভোগী সকলে পৰৱৰ্তী সময়ত চাকৰিৰ কোনো উমান নাপাই নিজৰ কষ্টোপাৰ্জিত ধন ঘূৰাই বিছাৰি যোৱাত ছাত্ৰ নেতা গৰাকীয়ে বিষয়টো গুৰুত্ব নিদিয়া হল। অভিযোগ অনুসৰি কেইজনমান মান যুৱতীক মাত্ৰ ৬ হাজাৰ টকা ঘূৰাই দি বাকী ১৬ হাজাৰ টকা কৰি ৰাখিছে জিতেন গড়ে। ভুক্তভোগী অৰ্পনা চৱৰৰ ভাষ্য অনুসৰি বিগত এটা বছৰ ধৰি কেৱল মিছা প্ৰতিশ্ৰুতি দি আহিছে জিতেন গড়ে। এতিয়া চিন্তনীয় বিষয়টো হল এটা দায়িত্ব শীল চাত্ৰ সংগঠনৰ শিক্ষা সম্পাদকৰ দৰে পদত অধিষ্ঠিত হৈ কেনেকৈ নিৰনুৱা যুৱতী ৰ টকা লুণ্ঠনত লিপ্ত হব পাৰে, মাত্ৰ সমাজৰ স্বাৰ্থ ৰক্ষা কৰিবলগীয়া এজন দায়িত্বশীল বিষয় ববীয়াই এনে ধৰণৰ দুৰ্নীতিত লিপ্ত হোৱা কাৰ্য্যই সংগঠনটোৰ নৈতিক স্থিতিত গভীৰ প্ৰশ্ন বোধক চিহ্নৰ অৱতাৰনা হৈছে। সমাজ সংস্কাৰৰ বাবে আগুৱাই অহা আদিবাসী চাত্ৰ সন্থাই নিজৰ ভিতৰচৰাতে এনে দুৰ্নীতি গ্ৰস্থ নেতাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবনে? প্ৰশ্ন হৈছে সংগঠনটোৱে যদি এই সন্দৰ্ভত মৌনতা অৱলম্বন কৰে তেন্তে ভৱিষ্যতে সংগঠনটোৰ ভাবমূৰ্তি কলংকিত হোৱাটো নিশ্চিত। আনহাতে এই সন্দৰ্ভত ভুক্তভোগী যুৱতী সকলে ন্যায় পোৱাৰ আশাৰে প্ৰশাসনৰ দ্বাৰস্থ হৈছে। আইনৰ চকুত ধূলি দি নিৰনুৱাৰ তেজ শুহি খোৱা জিতেন গড়ৰ বিৰুদ্ধে প্ৰশাসনে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া সময়ত স্পষ্ট হ'ব।

বকোৰ শাখাতি নৃত্যজ্ঞানম কলা কেন্দ্ৰত ১১ জুলাইৰ পৰা পাঁচদিনীয়াকৈ সত্ৰীয়া আৰু সৃষ্টিশীল নৃত্যৰ কৰ্মশালাৰ আয়োজন

অসম বাৰ্তা, বকো, ২ জুলাই ঃ কামৰূপ জিলাৰ বকোত অহা ১১ জুলাইৰ পৰা ৫ দিনীয়া সত্ৰীয়া আৰু সৃষ্টিশীল নৃত্যৰ কৰ্মশালাৰ আয়োজন কৰিছে। ২৮ নং বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত শাখাতিস্থিত নৃত্যজ্ঞানম কলা কেন্দ্ৰত ৰাতিপুৱা ১০ বজাৰ পৰা বিয়লি ২ বজালৈ হ'ব লগা কৰ্মশালাত নৃত্যজ্ঞানম কলা কেন্দ্ৰৰ অধ্যক্ষা মণিকংকনা দাস আৰু সহকাৰী শিক্ষয়িত্ৰী কৃষ্ণাংগী দাসে সত্ৰীয়া আৰু সৃষ্টিশীল নৃত্যৰ প্ৰশিক্ষণ প্ৰদান কৰিব। প্ৰশিক্ষণ গ্ৰহণ কৰিব খোজা ইচ্ছুক ছাত্ৰ-ছাত্ৰীক মোবাইল নম্বৰ - ৯১২৬৯/৮৩৩৫৩ যোগাযোগ কৰিবলৈ অহ্বান জনাইছে। কৰ্মশালা উপলক্ষে ১১ জুলাইৰ দিনা এক মুকলি অনুষ্ঠানৰ আয়োজন কৰিছে। সেই মুকলি অনুষ্ঠানত ৰাতিপুৱা ১১ বজাত কৰ্মশালা মুকলি কৰিব প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কথাছবি কাঞ্চনজংঘাৰ বিখ্যাত সংগীত "পানচুনা"- শীৰ্ষক গীতটোত কণ্ঠদান কৰা কণ্ঠশিল্পী ড° বুলবুণি ৰাভা। ইয়াৰ আগতে ৰাতিপুৱা ১০ বজাত গুৰুজনাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰিব নৃত্যজ্ঞানম কলা কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সভাপতি বিনয় কুমাৰ দাসে। মাল্যাৰ্পণ কৰিব বন্দাপাৰা জনতা সংঘৰ প্ৰতিষ্ঠাপক প্ৰয়াত ভাৰত চন্দ্ৰ দাসৰ সহধৰ্মিনী সোণেশ্বৰ দাসে। কৰ্মশালাৰ সকলো কাৰ্যসূচীতে ৰাইজৰ সহায়-সহযোগ আৰু অংশগ্ৰহণ কামনা কৰিছে।

আৰক্ষীক পদক্ষেপ গ্ৰহণৰ আহ্বান গাঁওবাসীৰ

ডিব্ৰুগড়ৰ পুৰণি বলাই গাঁৱৰ নিৰুদিষ্ট ৰিমজিম দলে সোণোৱালৰ এপ্তাহেও নাই সন্ধান

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১ জুলাই ঃ ডিব্ৰুগড় জিলাৰ বৰবৰুৱা আৰক্ষী থানাৰ অধীনস্থ, লেপেটকটাৰ পুৰণি বলাই গাঁৱৰ নিবাসী কিৰণ সোণোৱালৰ পুত্ৰ কিৰিটি সোণোৱাল ওৰফে কিশোৰৰ পত্নী ৰিমজিম দলে সোণোৱাল সন্ধানহীন হোৱা আঠ/ন-দিন পাৰ হ'ল যদিও লেপেটকটা আৰক্ষীয়ে মোবাইল ফোন নম্বৰৰ জৰিয়তে সন্তেদ উলিয়াব নোৱাৰাটো আৰক্ষীৰ বিফলতাৰ স্বৰূপ উদঙাই দিছে। উল্লেখযোগ্য যে ৰিমজিম দলে সোণোৱালে ষ্টেট বেংক অব ইণ্ডিয়া কোটোহা শাখালৈ বুলি যোৱা ২২ জুনত ওলাই গৈছিল যদিও আজিলৈকে ঘৰলৈ উভতি নাহিল। এইক্ষেত্ৰত পৰিয়ালৰ লোকে লেপেটকটা আৰক্ষী চকীত এই সম্পৰ্কে এক এজাহাৰ দাখিল কৰিছিল যদিও আৰক্ষীয়ে মহিলা গৰাককীৰ নিৰুদ্দেশৰ সন্দৰ্ভত সন্তেদ উলিয়াত সম্পূৰ্ণ বিফল হৈছে বুলি আক্ষেপ প্ৰকাশ কৰিছে। স্থানীয় ৰাইজে ডিব্ৰুগড় জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, খোৱাং সমজিলা আৰক্ষী অধীক্ষকৰ প্ৰতি লেপেটকটা আৰক্ষী চকীৰ অন্তৰ্গত পুৰণি বলাই গাঁৱৰ নিৰুদিষ্ট ৰিমজিম দলে সোণোৱালৰ সন্ধানৰ ক্ষেত্ৰত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

নামখলা শ্ৰীশ্ৰীহৰি মন্দিৰৰ ৪৩সংখ্যক ৰাস মহোৎসৱৰ নতুন সমিতি গঠন

অসম বাৰ্তা, খৈৰাবাৰী, ১ জুলাই ঃ দৰং-ওদালগুৰি জিলা সীমান্তৰ সংগমস্থলি নামখলা শ্ৰীশ্ৰীহৰি মন্দিৰৰ ৪৩ সংখ্যক ৰাস মহোৎসৱৰ নতুন সমিতিখন যোৱা ৩০ জুন মঙ্গলবাৰে গঠন কৰা হয়। নামখলা শ্ৰীশ্ৰীহৰি মন্দিৰৰ ৪২ সংখ্যক ৰাস মহোৎসৱৰ পৰিচালনা সমিতিৰ উদ্যোগত ৰাস মহোৎসৱৰ প্ৰেক্ষাগৃহত ৰাস মহোৎসৱৰ পৰম্পৰা অতুত ৰাশি সাংস্কৃতিক, ঐতিহ্য সংৰক্ষণ কৰি সুশৃংখলিত ভাৱে আয়োজন কৰাৰ লগতে যুৱ সমাজক এই ৰাস মহোৎসৱৰ লগত অধিক ভাৱে জড়িত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি অনুষ্ঠিত হোৱা এখন সাধাৰণ সভাত স্থানীয় ৰাইজৰ উপস্থিতিত ৰাইজৰ সৰ্বসন্মতি মৰ্মে ৪৩ সংখ্যক নামখলা শ্ৰীশ্ৰীহৰি মন্দিৰৰ ৰাস মহোৎসৱৰ নতুন সমিতিখন গঠন কৰা হয়। ৪২ সংখ্যক ৰাস মহোৎসৱ পৰিচালনা সমিতিৰ সভাপতি ভূপেন চহৰীয়াৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাত ২০২৬ বৰ্ষৰ ৪৩ সংখ্যক ৰাস মহোৎসৱৰ বাবে ছিপাঝাৰ বিধান সভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীক সভাপতি, গজেন শৰ্মাক কাৰ্যকৰী সভাপতি, ভূপেন বৰুৱা আৰু কন্দৰ্প শইকীয়াক উপ সভাপতি, বসন্ত চহৰীয়াক মুখ্য সম্পাদক, হেমন্ত কলিতা আৰু শান্তি ৰঞ্জন শইকীয়াক সম্পাদক, লগতে অনিৰুদ্ধ শৰ্মাক কাৰ্যালয় সম্পাদক হিচাপে লৈ উদযাপন সমিতি গঠন কৰা হয়। উলেখ্য যে নামখলা শ্ৰীশ্ৰীহৰি মন্দিৰৰ ৪৩ সংখ্যক ৰাস মহোৎসৱৰ নৱ নিৰ্বাচিত বিষয়ববীয়া সকলে আগন্তুক ৰাস মহোৎসৱখনি ৰাইজৰ সহাই সহযোগিতাৰে সফল ভাৱে ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। সভাৰ অন্তত উপস্থিত ৰাইজে নতুন সমিতিৰ বিষয়ববীয়া সকলক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে নামখলা শ্ৰীশ্ৰীহৰি মন্দিৰৰ ৪৩ সংখ্যক ৰাস মহোৎসৱৰ সৰ্বাংগীণ উন্নতি কামনা কৰে।

ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়ত ৰাষ্ট্ৰীয় চিকিৎসক দিৱস পালন

অসম বাৰ্তা, ৰঙিয়া, ১ জুলাই ঃ বিশিষ্ট চিকিৎসক প্ৰয়াত ডাঃ বিধানচন্দ্ৰ ৰায়ৰ জন্মদিন উপলক্ষে সমগ্ৰ দেশজুৰি পালন কৰা ৰাষ্ট্ৰীয় চিকিৎসক দিৱস আজি ৰঙিয়াতো পালন কৰা হয়। ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়ত ৰাষ্ট্ৰীয় চিকিৎসক দিৱস উপলক্ষে অনুষ্ঠিত কৰা হয় বিস্তৃত কাৰ্যসূচী। চিকিৎসালয়খনৰ উপ অধিক্ষক ডাঃ দিলীপ কুমাৰ বৈশ্যই কেক কাটি শুভাৰম্ভ কৰা কাৰ্যসূচীৰ অংশ হিচাপে অনুষ্ঠিত কৰা হয় মুকলি সভা। সভাত মহকুমা স্বাস্থ্য বিষয়া ক্ৰমে ডাঃ পদ্মেশ্বৰ কলিতা, ডাঃ নিলমনি কলিতা, মেট্ৰন শেৱালি দেৱীৰ লগতে আন কেবাগৰাকীয়েও চিকিৎসক দিৱস পালনৰ তাৎপৰ্য সন্দৰ্ভত ভাষণ প্ৰসঙ্গত আলোকপাত কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত ষ্টেট বেংক অফ ইণ্ডিয়া, হুগুাইকে ধৰি আন ভালেমান অনুষ্ঠান প্ৰতিষ্ঠানৰ তৰফৰ পৰা চিকিৎসক সকলক সম্বৰ্ধনা জনোৱা হয়। স্বাস্থ্য কৰ্মী অমূল্য বৈশ্য আৰু অশোক শৰ্মাই আত ধৰা অনুষ্ঠানটিৰ আৰম্ভণিতে চিকিৎসালয়খনৰ কৰ্মচাৰী সকলে সমবেত কণ্ঠত পৰিৱেশন কৰা তথা শিল্পী প্ৰভাত নাথে পৰিৱেশন সংগীতৰ অনুষ্ঠানে সমবেত লোকসকলক আপ্লুত কৰে।

চামতাত এছ বি আই বেংকৰ শাখাত বেংক দিৱস পালন

অসম বাৰ্তা, চামতা, ১ জুলাই ঃ নলবাৰী জিলাৰ চামতাত থকা এছ বি আই শাখাটোত আজি এছ বি আই বেংকৰ ৭১ তম প্ৰতিষ্ঠা দিবস উদযাপন কৰা হয়। বেংকটোৰ প্ৰতীক চিহ্নৰে তৈয়াৰ কৰা এটি কেক কাটি এই প্ৰতিষ্ঠা দিৱসটো পালন কৰা অনুষ্ঠানটোত উপস্থিত থাকে PM SHRI চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ নিত্যানন্দ শৰ্মা, ৰূপীয়াবাথান গাঁৱৰ গাওঁপ্ৰধান তথা সংবাদকৰ্মী অতুল ভূঞা, শাখা প্ৰবন্ধক প্ৰসেনজিৎ শৰ্মা, শাখাটোৰ কৰ্মচাৰী কৌশিকদাস, নৱ ঠাকুৰীয়া, নৱদ্বীপ পাঠক, সীমান্ত ডেকা, তপন ডেকা, জয়শ্ৰী ডেকা মুনীন্দ্ৰ তালুকদাৰ, বিপিন বৈশ্য লগতে ৰকিবুল ইছলাম আৰু একাংশ গ্ৰাহক। ১৯৫৫ চনৰ ১ জুলাই তাৰিখে এছ বি আই বেংক হিচাপে আত্ম প্ৰকাশ কৰিছিল ইয়াৰ আগতে ইয়াৰ নামটো imperial Bank of India হিচাপে জনা গৈছিল।

আজি বনমহোৎসৱ সপ্তাহ, গ্ৰীণ চ'ছাইটি আৰু ইকো টাস্ক ফৰ্চৰ উদ্যোগত বৰগাঁওত নাহৰ গছপুলি ৰোপণ কাৰ্যসূচী

অসম বাৰ্তা, জিনজিয়া, ১ জুলাই ঃ বিগত বৰ্ষৰ দৰে এইবাৰো উত্তৰ পূৰ্বাঞ্চলক সামৰি গঠন হোৱা বিহালীৰ প্ৰকৃতি প্ৰেমী অনুষ্ঠান গ্ৰীণ চছাইটি আৰু ইকো টাস্ক ফৰ্চৰ উদ্যোগত বনমহোৎসৱ সপ্তাহৰ প্ৰথম কাৰ্যসূচী পালন কৰা হয়। আজি বৰগাং ৰাষ্ট্ৰীয় ঘাইপথৰ লাইন বজাৰ চাৰ্ভিচ ৰোডত ৫০টা নাহৰ গছপুলি ৰোপণ কৰা হয়। সম্পাদক খগেন মটকে আঁত ধৰা অনুষ্ঠানত ইকো টাস্ক ফৰ্চৰ মেজৰ নিতেন্দ্ৰ সিং দেৱদাই, প্ৰথম গছপুলি ৰোপণ কৰি শুভাৰম্ভ কৰে, ইয়াৰ পিছতে কলাশ্ৰী বিনোদ খনাল, বিহালী খণ্ড উন্নয়ন বিষয়া হিৰণ্য চমুৱা, ইকো টাস্ক ফৰ্চৰ চুবেদাৰ বিপিন চন্দ্ৰ বড়ো, বিহালী স্নাতক মহাবিদ্যালয়ৰ অধ্যক্ষ, ডণ্ৰমেন বৰা, জ্যেষ্ঠ সাংবাদিক অমিতাভ বৰুৱা, গ্ৰীণ চছাইটিৰ সভাপতি প্ৰেম লাল গঞ্জু, কাৰ্যকৰী সভাপতি জয় কুমাৰ সূতাৰ, সমাজকৰ্মী প্ৰদীপ চৌধুৰী, বিহালী প্ৰেছ ক্লাবৰ সভাপতি ভুবন লুইটেল, সম্পাদক অম্লান কাশ্যপ চাহা, সদস্য কৰণ শইকীয়া, মিণ্টু বৰা, সমাজকৰ্মী শঙ্কৰ ঘটক, মোবাৰক হুছেইন, সঞ্জীৱ দত্ত, ছাত্ৰনেতা, বিতুপন লহকৰ আদিয়ে, উল্লেখ্য যে বনমহোৎসৱৰ সামৰণি অনুষ্ঠান ভাগ বিহালী অভয়াৰণ্যৰ কাষৰীয়া অঞ্চল বিহমাৰীত আয়োজন কৰা হ'ব।

নলবাৰীত প্ৰধান শিক্ষক মুকুল ৰাজবংশীৰ কু-কাণ্ডক লৈ তীব্ৰ প্ৰতিক্ৰিয়া

নলবাৰীৰ নামকোনাত প্ৰধান শিক্ষকে দহ বছৰীয়া ছাত্ৰীক আতিশয্য চলোৱাৰ গুৰুতৰ অভিযোগ

অসম বাৰ্তা, নলবাৰী, ১ জুলাই ঃ নলবাৰী জিলাৰ নামকোনাত এগৰাকী প্ৰধান শিক্ষকে নিজৰ কন্যাসম এগৰাকী ছাত্ৰীৰ ওপৰত চলোৱা কু-কাণ্ডই সৰ্বত্ৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে নলবাৰী জিলাৰ এলেঙ্গীদল গাঁৱৰ নামকোনা সত্ৰ নিবাসী প্ৰধান শিক্ষক মুকুল ৰাজবংশীয়ে নিজৰ বিদ্যালয়ৰ কিশোৰী (১০ বছৰীয়া) ছাত্ৰী এগৰাকীক টিউচন কৰিছিল। অভিযোগ অনুসৰি প্ৰধান শিক্ষক ৰাজবংশীয়ে ছাত্ৰী গৰাকীক দীৰ্ঘদিন ধৰি টিউচন কৰি আছিল আৰু যৌন নিৰ্যাতন চলাই আহিছিল। আনকি পঢ়োৱাৰ সময়ত অশ্লীল ছবি দেখাই গোপন অংগত হাত দিয়াৰো অভিযোগ উত্থাপন কৰিছে ছাত্ৰীগৰাকীৰ পৰিয়ালৰ লোকে। পিছে ২৬ জুনৰ সন্ধিয়া ঘটনাটো পৰিয়ালে অৱগত হয় আৰু ২৭ জুনৰ নিশা আত্মিয়ৰ সহযোগত নলবাৰী সদৰ থানাত লম্পট প্ৰধান শিক্ষক মুকুল ৰাজবংশীৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অভিযোগ তুলি এজাহাৰ দাখিল কৰে। লগে-লগে আৰক্ষীয়ে প্ৰধান শিক্ষক গৰাকীক বিচাৰি গৃহত উপস্থিত হয় যদিও আৰক্ষী অহাৰ উমান পাই গৃহৰ পৰাই পলায়ন কৰে মুকুল ছাৰে। ইফালে ২৮ জুনৰ দিনা নলবাৰী সদৰ থানাত অভিযুক্তই আত্মসমৰ্পণ কৰে। পবিত্ৰ শিক্ষাবৃত্তিৰ সৈতে জড়িত হৈ কন্যাসম শিক্ষাৰ্থীক যৌন নিৰ্যাতন চলালে কিয় তাক লৈ এতিয়া সৰ্বত্ৰে প্ৰশ্ন উত্থাপিত হৈছে। বৃহত্তৰ নলবাৰীৰ সচেতন ৰাইজৰ লগতে ৰাৰয়ৰ্চৰ জিলা সমিতি সহ বিভিন্ন সংগঠনে ঘটনাৰ উচিত তদন্ত কৰি দোষীক কঠোৰতম শাস্তি দিয়াৰ বাবে প্ৰশাসনক দাবী তুলিছে। তদুপৰি তদন্ত নিৰপেক্ষ হোৱাৰ স্বাৰ্থত প্ৰধান শিক্ষক মুকুল ৰাজবংশীক চাকৰিৰ পৰা নিলম্বন কৰাৰ বাবে শিক্ষা বিভাগৰ ওচৰত দাবী জনাইছে আৰু কৰ্মৰত বিদ্যালয় খনৰ পৰিচালনা সমিতিয়ে এনে লম্পট প্ৰধান শিক্ষক গৰাকীৰ কু কাণ্ডত কেনেধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে লক্ষণিয় হব বুলিও ৰাইজৰ মাজত চৰ্চা হৈছে।

১ জুলাইত বৰপেটা জিলা দিৱস উদযাপন

অসম বাৰ্তা, বৰপেটা সদৰ, ১ জুলাই ঃ আজি বৰপেটা জিলা দিৱস। বিভিন্ন কাৰ্যসূচীৰে জিলা প্ৰশাসনৰ উদ্যোগত উদযাপন কৰা হয় এই দিৱস। জিলা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী, আৰক্ষী বিভাগ, বিভিন্ন চৰকাৰী বিভাগৰ প্ৰতিনিধি তথা বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ শেষত বৰপেটা জিলা উন্নয়ন আয়ুক্ত গীতালি দুৱৰাই কয় যে জিলা দিৱস উদযাপনৰ মূল উদ্দেশ্য হৈছে সকলো বিভাগৰ মাজত সমন্বয় আৰু একতাৰ মনোভাৱ গঢ়ি তোলা। তেওঁ কয় যে জিলা প্ৰশাসন, আৰক্ষী আৰু বিভিন্ন চৰকাৰী বিভাগ একেলগে কাম কৰি বৰপেটাৰ সামগ্ৰিক উন্নয়নৰ বাবে দায়বদ্ধ। ইতিমধ্যে সম্পন্ন কৰা উন্নয়নমূলক কামসমূহ উদযাপনৰ লগতে ভৱিষ্যতে অধিক দক্ষতা আৰু নিষ্ঠাৰে জনসাধাৰণক সেৱা আগবঢ়োৱাৰ সংকল্প গ্ৰহণ কৰাই এই দিৱসৰ মূল লক্ষ্য। এই দিৱস, অনুষ্ঠানত উপস্থিত থাকি বৰপেটাৰ বিধায়ক দীপক কুমাৰ দাসে কয় যে বৰপেটা জিলাৰ গঠন ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। এখন জিলাৰ মূল উদ্দেশ্য হৈছে জনসাধাৰণৰ জীৱন-যাত্ৰাৰ মান উন্নত কৰা, শিক্ষা, ক্ৰীড়া, উদ্যোগ, কৃষি, বাণিজ্য, যোগাযোগ ব্যৱস্থা আৰু অন্যান্য ক্ষেত্ৰৰ বিকাশ সাধন কৰা। বিধায়ক গৰাকীয়ে বৰপেটাৰ উন্নয়নৰ ক্ষেত্ৰত এতিয়াও বহু কাম বাকী থকা বুলি উল্লেখ কৰি কয় যে জিলাখনৰ ৰাস্তা-ঘাট, শিল্পক্ষেত্ৰ, নদী-বিল সংৰক্ষণ আৰু প্ৰশাসনিক গাঁথনি শক্তিশালী কৰাৰ ওপৰত অধিক গুৰুত্ব দিব লাগিব। তেওঁ বৰপেটাক আমূল পৰিৱৰ্তনৰ দিশে আগুৱাই নিয়াৰ বাবে সকলো পক্ষক একেলগে কাম কৰাৰ আহ্বান জনায়। জিলা দিৱস উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত বৰপেটাৰ উন্নয়ন, ঐতিহ্য সংৰক্ষণ আৰু জনকল্যাণমূলক কাৰ্যসূচী অধিক গতিশীল কৰাৰ সংকল্প গ্ৰহণ কৰা হয়।

কুমাৰ সশক্তিকৰণ যোজনাৰ অধীনত মৰিগাঁৱত বৈদ্যুতিক মৃৎশিল্প চক্ৰ আৰু অন্যান্য সামগ্ৰী বিতৰণ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১ জুলাই ঃ অসম চৰকাৰৰ হস্তঁতাঁত আৰু বস্ত্ৰ সঞ্চালকালয়ৰ অধীনত ৰূপায়িত কুমাৰ সশক্তিকৰণ যোজনাৰ অধীনত আজি মৰিগাঁও জিলা সহকাৰী সঞ্চালক, হস্তঁতাঁত আৰু বস্ত্ৰ কাৰ্যালয়ৰ উদ্যোগত বৈদ্যুতিক মৃৎশিল্প চক্ৰ (Electric Pottery Wheel) আৰু অন্যান্য মৃৎশিল্প সামগ্ৰী বিতৰণ অনুষ্ঠান অনুষ্ঠিত হয়। এই যোজনাৰ মূল লক্ষ্য হৈছে আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে কুমাৰ সম্প্ৰদায়ক অধিক উৎপাদনক্ষম কৰি তোলা, পৰম্পৰাগত মৃৎশিল্প সংৰক্ষণ কৰা আৰু বহনক্ষম জীৱিকাৰ সুযোগ সৃষ্টি কৰি তেওঁলোকৰ আৰ্থ-সামাজিক উন্নয়নত সহায় আগবঢ়োৱা। অনুষ্ঠানত মুখ্য অতিথি হিচাপে মৰিগাঁও জিলাৰ মাননিয়া জিলা আয়ুক্ত উপস্থিত থাকে। লগতে অতিৰিক্ত জিলা আয়ুক্ত অনসূয়া শৰ্মা, ACS; ৰেচম বিভাগৰ সম্প্ৰসাৰণ বিষয়া সুজিতা কলিতা; জাগীৰোড বিধানসভা সমষ্টিৰ মাননিয় বিধায়কৰ প্ৰতিনিধি; লগতে হস্তঁতাঁত আৰু বস্ত্ৰ বিভাগ, মৰিগাঁৱৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। এই অনুষ্ঠানত কুমাৰ সম্প্ৰদায়ৰ মুঠ ২১জন হিতাধিকাৰীক বৈদ্যুতিক মৃৎশিল্প চক্ৰৰ লগতে অন্যান্য মৃৎশিল্প সামগ্ৰী বিতৰণ কৰা হয়। উপস্থিত অতিথিসকলে এই পদক্ষেপৰ শলাগ লৈ কয় যে আধুনিক সঁজুলিসমূহে মৃৎশিল্পৰ উৎপাদনৰ গুণগত মান আৰু উৎপাদনশীলতা বৃদ্ধি কৰাৰ লগতে পৰম্পৰাগত এই শিল্প সংৰক্ষণ আৰু কুমাৰ সম্প্ৰদায়ৰ আৰ্থ-সামাজিক উন্নয়নত উল্লেখযোগ্য ভূমিকা পালন কৰিব।

দোপদৰত কৃতী ছাত্ৰ-ছাত্ৰীক ৰাজহুৱা অভিনন্দন

অসম বাৰ্তা, চেলেংহাট, ১ জুলাই ঃ শিৱসাগৰ জিলাৰ নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত আমগুৰিৰ দোপদৰ অঞ্চলত বিভিন্ন ধৰণৰ সামাজিক কাৰ্যকলাপৰ সৈতে জড়িত হৈ অঞ্চলটোৰ উত্তৰণৰ ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি অহা দোপদৰ আঞ্চলিক নাগৰিক মঞ্চৰ উদ্যোগত আজি অঞ্চলটোৰ কৃতী ছাত্ৰ ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰা হয়। এই উপলক্ষে দোপদৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এক ৰাজহুৱা অভিনন্দন অনুষ্ঠানত চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত ডিষ্টিংশ্যন আৰু ষ্টাৰ মাৰ্ক লাভ কৰা অঞ্চলটোৰ যোল্ল গৰাকী ছাত্ৰ-ছাত্ৰীক ৰাজহুৱা অভিনন্দন জ্ঞাপন কৰা হয়। অনুষ্ঠানত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক অসমীয়াৰ স্বাভিমান গামোচা, এখন প্ৰশস্তি পত্ৰ আৰু এটাকৈ মূল্যবান গছপুলি প্ৰদান কৰা হয়। পূৰ্বৱৰ্তী বৰ্ষবোৰত মঞ্চই হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা সকলো ছাত্ৰ ছাত্ৰীকে ৰাজহুৱা অভিনন্দন জ্ঞাপন কৰি আহিছে যদিও ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতামূলক মানসিকতা বৃদ্ধি কৰাৰ স্বাৰ্থত চলিত বৰ্ষৰ পৰা ডিষ্টিংশ্যন আৰু ষ্টাৰ মাৰ্ক প্ৰাপক ছাত্ৰ ছাত্ৰীক ৰাজহুৱা অভিনন্দন জনোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অভিনন্দন অনুষ্ঠানত সভাপতিত্ব কৰে মঞ্চৰ স্থায়ী সভাপতি লাচিত শইকীয়াই। মঞ্চৰ অন্যতম যুটীয়া সম্পাদক পাপু ৰাজখুৱাই আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকি প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী গুনমনি বৰুৱা, বিদ্যালয়ৰ প্ৰধান যুগান্তৰ লাহন, অৱসৰপ্ৰাপ্ত শিক্ষক দিলীপ বৰুৱা, কল্পনা দোলাকাষৰীয়া আদি ব্যক্তিসকলে ভাষণ প্ৰদান কৰে। অনুষ্ঠানতে দোপদৰ উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষাৰত দুই মেধাৰী ছাত্ৰী উচ্চ শাখাৰ অৰ্পিতা বৰগোহাঁই আৰু নিম্ন শাখাৰ বৃস্তিণা বৰুৱাক বিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক শিক্ষক তথা পৰৱৰ্তী কালৰ প্ৰধান শিক্ষক স্বৰ্গীয় হেমন্ত দোলাকাষৰীয়া সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। প্ৰতি বছৰে দুয়োটা শাখাৰ দুগৰাকী ছাত্ৰ-ছাত্ৰীলৈ প্ৰয়াত প্ৰধান শিক্ষক গৰাকীৰ পৰিয়ালৰ তৰফৰপৰা এই বঁটা আগবঢ়ায় আহিছে। অনুষ্ঠানত দোপদৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক পদ্মলোচন গগৈক ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত তৰুণ গগৈ, ভুৱন গগৈ, পূৰ্ণ কোঁৱৰ লগতে অভিভাৱক-অভিভাৱীকাৰ লগতে ছাত্ৰ ছাত্ৰী আৰু মঞ্চৰ অন্যতম যুটীয়া সম্পাদক বুলবুল আলি প্ৰমুখ্য অন্যান্য বিষয়ববীয়া তথা সদস্যসকল উপস্থিত থাকে।

ডিব্ৰুগড়ত উপস্থিত ৬৪ হাজাৰ কিলো মিটাৰ অতিক্ৰম কৰা সৰ্বভাৰতীয় চাইক্লিষ্ট আশা মালভীয়া

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১ জুলাই ঃ মহিলা সবলীকৰণ, দেশপ্ৰেম আৰু অদম্য সাহসৰ বাৰ্তা প্ৰচাৰৰ লক্ষ্যৰে এক সৰ্বভাৰতীয় চাইক্লিং যাত্ৰা অব্যাহত ৰখা মধ্যপ্ৰদেশৰ এগৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ চাইক্লিষ্ট, খেলুৱৈ তথা পৰ্বতাৰোহী আশা মালভীয়া ডিব্ৰুগড়ত উপস্থিত হয়। যোৱা ১১ জানুৱাৰী তাৰিখে ৭৮ সংখ্যক ভাৰতীয় সেনা দিৱসৰ পবিত্ৰ দিনটোত ৰাজস্থানৰ জয়পুৰৰ পৰা আৰম্ভ হোৱা এই অভিযানৰ মূল লক্ষ্য হৈছে- ভাৰতৰ পশ্চিম প্ৰান্তৰ পৰা অৰুণাচল প্ৰদেশৰ কিবিথু— অৰ্থাৎ দেশৰ আটাইতকৈ পূব প্ৰান্তলৈকে প্ৰায় ৭, ৮০০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰা। বৰ্তমান নিজৰ যাত্ৰাৰ অন্তিম পৰ্যায়ত উপনীত হোৱা আশা মালভীয়াৰ এই দুঃসাহসিক অভিযান কিবিথুত সামৰণি পৰিব। বৰ্তমানলৈকে তেওঁ সফলভাৱে ৮, ১২০ কিলোমিটাৰ পথ অতিক্ৰম কৰিছে। ৰাজস্থান, গুজৰাট, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, বিহাৰ, ঝাৰখণ্ড, পশ্চিম বংগ, ছিকিম, অসম আৰু অৰুণাচল প্ৰদেশৰ মাজেৰে অতিবাহিত হোৱা এই অভিযানে বিশেষকৈ মহিলা আৰু যুৱ প্ৰজন্মক নিজৰ সপোন পূৰণৰ বাবে দৃঢ়তাৰে আগবাঢ়িবলৈ অনুপ্ৰাণি কৰাৰ লগতে দেশজুৰি জাতীয় ঐক্য আৰু সেৱাৰ ভাৱনা জাগ্ৰত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ডিব্ৰুগড় ভ্ৰমণৰ সময়ত আশা মালভীয়াই জিলা আয়ুক্ত বিক্ৰম কৈৰী আৰু জ্যেষ্ঠ আৰক্ষী অধীক্ষক অভিজিৎ গৌৰৱ দিলীপক সাক্ষাৎ কৰি তেওঁৰ এই দেশজোৰা অভিযানৰ উদ্দেশ্য সমূহৰ বিষয়ে অৱগত কৰে। ডিব্ৰুগড় জিলা প্ৰশাসনে তেওঁৰ এই প্ৰশংসনীয় প্ৰচেষ্টাক আন্তৰিক সমৰ্থন আগবঢ়ায় আৰু যাত্ৰাৰ বাকী থকা অংশৰ সফলতাৰ বাবে শুভকামনা জ্ঞাপন কৰে। এই অভিযানৰ বিষয়ে আলোকপাত কৰি আশা মালভীয়াই কয় যে — "এই যাত্ৰা সমগ্ৰ দেশত মহিলা সবলীকৰণ, দেশপ্ৰেম আৰু অদম্য মনোবলৰ বাৰ্তা বিয়পোৱাৰ বাবে উৎসৰ্গিত"- লগতে তেওঁ অৱগত কৰে যে এই বৰ্ষটোত বিভিন্ন অভিযানৰ জৰিয়তে ইতিমধ্যে প্ৰায় ৬৪,০০০ কিলোমিটাৰ পথ চাইকেলেৰে অতিক্ৰম কৰিছে, যি দুঃসাহসিক ক্ৰীড়াৰ মাধ্যমেৰে সামাজিক সজাগতা সৃষ্টি কৰিছে।

শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ প্ৰাক্তন শিক্ষাৰ্থীৰ তোৰণ দান মাংগলিক কাৰ্যসূচীৰে শুভ উন্মোচন

অসম বাৰ্তা, উজনী মাজুলী, ১ জুলাই ঃ নিজক মানৱ সম্পদ হিচাপে গঢ় দিয়াত বিদ্যালয় সমূহৰ অৱদান নিতান্তই গুৰুত্বপূৰ্ণ। এই গুৰুত্বৰ ওপৰত ভিত্তি কৰি শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ প্ৰাক্তন শিক্ষাৰ্থী সকলে আগবঢ়ালে এখনি তোৰণ। ১৯৭২ চনত প্ৰতিষ্ঠা হোৱা এই বিদ্যালয়খনিয়ে ২০২৩ গৌৰৱোজ্বল সোণালীজয়ন্তী বৰ্ষ উদ্‌যাপন কৰি অতীতক সোঁৱৰণৰ ব্যৱস্থা কৰাৰ সময়তে বিদ্যলয়খনি স্মৃতি সুৰক্ষিত কৰাৰ মানসেৰে প্ৰাক্তন শিক্ষাৰ্থী সকলে এখনি তোৰণ নিৰ্মাণ কৰাৰ সিদ্ধান্ত কৰে। সেই অনুক্ৰমে সুন্দৰকৈ নিৰ্মাণ কৰি উলিউৱা তোৰণ খনি আজি শিক্ষানুষ্ঠানটি লৈ আনুষ্ঠানিকভৱে অৰ্পণ কৰে। প্ৰাক্তন শিক্ষাৰ্থী শিক্ষক দীনেশ বৰাই এগছি বন্তি প্ৰজ্বলন কৰাৰ পিচতে বিদ্যালয়খনিৰ প্ৰতিষ্ঠাপক অধ্যক্ষ নৰেন্দ্ৰনাথ শৰ্মাই ফিতা কাটি মুকলি কৰে। প্ৰাক্তন অধ্যক্ষ পদ্মধৰ শইকীয়া বৰ্তমানৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰশান্ত কুমাৰ নাথ, প্ৰাক্তন শিক্ষাৰ্থী আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপৰি বহুসংখ্যক স্থানীয় লোকৰ উপস্থিতিৰ অনুষ্ঠানটিৰ লগত সংগতি ৰাখি আয়োজন কৰা সভাখনিত পিংকুমনি বৰাই এটি গীত পৰিবেশন কৰে। তোৰণ নিৰ্মাণকে ধৰি সমগ্ৰঅনুষ্ঠাটিৰ উদ্যোক্তা আছিল প্ৰাক্তন শিক্ষাৰ্থীৰ দ্বাৰা গঠনহোৱা "সতীৰ্থ বনমালী" নামৰ এটি গোট। এইগোটত মুখ্যভূমিকাত আছিল ১৯৮৬ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থী সকল। মাংগলিক ধ্বনিৰ মাজেৰে তোৰণ উন্মোচিত অনুষ্ঠনটিত প্ৰতিষ্ঠাপক অধ্যক্ষ নৰেন্দ্ৰনাথ শৰ্মা অৱসৰী অধ্যক্ষ পদ্মকান্ত শইকীয়া কেইবাগৰাকী প্ৰাক্তন শিক্ষাৰ্থীয়ে বক্তব্য আগবঢ়ায়। উল্লেখ্য যে, ১৯৮৬ চনত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বুজন সংখ্যক শিক্ষাৰ্থীয়ে বিভিন্ন বিভাগত সংস্থাপন লাভ কৰিছিল। এই বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা অসম বিশ্ববিদ্যালয় ডিফু শাখাৰ অসমীয়া বিভাগৰ মুখ্য প্ৰাধ্যাপক ড° কুসুম্বৰ বৰুৱাই আঁতধৰা অনুষ্ঠানটিত বৰ্তমানৰ শিক্ষাৰ্থীৰ মাজৰ পৰা জ্যেষ্ঠসকলৰ এই বদান্যতাক আদৰণি জনাই এইদান মহানদান বুলি উল্লেখ কৰে।

ব্যৱসায়িক প্ৰতিষ্ঠানত ঘৰুৱা চিলিণ্ডাৰ ব্যৱহাৰৰ বিৰুদ্ধে ৰহাত প্ৰশাসনৰ অভিযান

অসম বাৰ্তা, ৰহা, ১ জুলাই ঃ চৰকাৰী নিৰ্দেশ অমান্য কৰি হোটেল, ৰেষ্টুৰেণ্টত, ধাবা আদিত ঘৰুৱা গেছ চিলিণ্ডাৰ ব্যৱহাৰৰ বিৰুদ্ধে ৰহা প্ৰশাসনৰ ব্যাপক অভিযান। আজি ৰহা সমজিলাৰ সহকাৰী আয়ুক্ত অৰুণাভ বৰুৱাৰ নেতৃত্বত যোগান বিভাগ আৰু আৰক্ষী প্ৰশাসনৰ সহযোগত ৰহা চহৰৰ হোটেল ৰেষ্টুৰেণ্টৰ লগতে দীঘলীআটি আদিত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ ধাবাসমূহত চলালে এই অভিযান। প্ৰশাসনৰ এই অভিযান কালত হোটেল, ৰেষ্টুৰেণ্ট আৰু ধাবাসমূহত অবৈধভাৱে ব্যৱহাৰ কৰা প্ৰায় দুকুৰিতকৈও অধিক ঘৰুৱা চিলিণ্ডাৰ জব্দ কৰে প্ৰশাসনে। উল্লেখ্য যে ৰহাত গৰিষ্ঠসংখ্যক হোটেল, ৰেষ্টুৰেণ্টত আইন ভংগ কৰি অবৈধভাৱে বাণিজ্যিক চিলিণ্ডাৰৰ পৰিৱৰ্তে ঘৰুৱা চিলিণ্ডাৰ ব্যৱহাৰ কৰি আহিছে। যাৰ ফলত মাজে সময়ে ঘৰুৱা চিলিণ্ডাৰৰ কৃত্ৰিম নাটনিয়ে দেখা দিয়ে। বুধবাৰে ৰহা সমজিলা প্ৰশাসনে এই অবৈধ কাৰ্যৰ বিৰুদ্ধে অভিযান চলাই হোটেল ৰেষ্টুৰেণ্টৰ পৰা জব্দ কৰে চল্লিশতকৈও অধিক ঘৰুৱা চিলিণ্ডাৰ। লগতে ভৱিষ্যতে হোটেল ৰেষ্টুৰেণ্টত ঘৰুৱা চিলিণ্ডাৰ ব্যৱহাৰ নকৰিবলৈ সকিয়াই দিয়ে হোটেল ব্যৱসায়ীসকলক।

অৱসৰৰ গ্ৰহণৰ ২৪ ঘণ্টাৰ ভিতৰতে পেঞ্চন লাভ কৰিলে ৮ গৰাকী শিক্ষক-কৰ্মচাৰীয়ে

ওদালগুৰিৰ শিক্ষা বিভাগৰ প্ৰশংসনীয় পদক্ষেপ

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১ জুলাই ঃ চৰকাৰী কৰ্মচাৰী সকলে পেঞ্চনৰ ফাইলৰ বাবে বহু সময় অপেক্ষা কৰি থাকিব লাগে বুলি অভিযোগ উঠাৰ সময়তে ওদালগুৰি জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্য্যালয়ে ধাৰাবাহিকভাৱে গ্ৰহণ কৰি আহিছে এক প্ৰশংসনীয় পদক্ষেপ। এই পদক্ষেপৰ অংশ স্বৰূপে আজি পুনৰ অৱসৰ গ্ৰহণৰ ২৪ ঘণ্টা নহওতেই পেঞ্চন লাভ কৰিলে ওদালগুৰিৰ ৮ গৰাকী শিক্ষক-কৰ্মচাৰীয়ে। আজি ওদালগুৰিৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজন কৰা এটি অনুষ্ঠানৰ মাজেৰে অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সকলক আৰনাইৰে সম্বৰ্ধনা জনোৱাৰ লগতে হাতত প্ৰভিজনেল পেঞ্চনৰ ফাইল তুলি দিয়ে ওদালগুৰিৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক ভবেন দেউৰীয়ে। অৱসৰপ্ৰাপ্ত শিক্ষক কেইজনক পেঞ্চনৰ ফাইল অৰ্পণ কৰি পৰিদৰ্শক ভবেন দেউৰীয়ে শিক্ষক- কৰ্মচাৰী সকলে শিক্ষা ক্ষেত্ৰখন আগবঢ়াই নিয়াৰ ক্ষেত্ৰত কৰা কঠোৰ শ্ৰমক উচ্চ প্ৰশংসা কৰে। তেওঁ সকলোৰে সুস্বাস্থ্য কামনা কৰি শিক্ষা বিভাগৰ তৰফৰ পৰা শিক্ষক সকলক ধন্যবাদ জনাই। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত শিক্ষক সকলেও বিদ্যালয় পৰিদৰ্শক জনক উচ্চ প্ৰশংসা কৰি জিলা খনত শিক্ষা খণ্ডৰ সংস্কাৰ অনাৰ বাবে কৰা প্ৰচেষ্টাক আদৰণি জনাই। অৱসৰৰ ২৪ ঘণ্টাৰ ভিতৰৰে প্ৰভিজনেল পেঞ্চন লাভ কৰি বিভাগটোৰ লগতে চৰকাৰকো ধন্যবাদ জনাই শিক্ষক - কৰ্মচাৰী সকলে। উল্লেখ যে ওদালগুৰিৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্য্যালয়ে প্ৰতি মাহৰ এক তাৰিখে এটি অনুষ্ঠানৰ আয়োজন কৰি অৱসৰ লোৱা শিক্ষক-কৰ্মচাৰী সকলক মাত্ৰ ২৪ ঘণ্টাৰ ভিতৰত পেঞ্চনৰ ফাইল হাতত তুলি দি আহিছে।

সম্পাদকীয়

অসমৰ যোগাযোগ ব্যৱস্থাত যুগান্তকাৰী পৰিৱৰ্তনৰ সম্ভাৱনা

অসমৰ মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় তথ্য-প্ৰযুক্তি, ৰে'ল আৰু ইলেক্ট্ৰনিক্স মন্ত্ৰী শ্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতে অনুষ্ঠিত কৰা বৈঠকখনে অসমৰ উন্নয়নমূলক ক্ষেত্ৰত এখন নতুন অধ্যায়ৰ সূচনা কৰিছে। এই বৈঠক কেৱল দুগৰাকী জনপ্ৰতিনিধিৰ আলোচনা নহয়, বৰঞ্চ অসমৰ ভৱিষ্যত গঢ়াত সহায়ক হ'ব পৰা পথপ্ৰদৰ্শক এক আলোচনাচক্ৰ হিচাপে চিহ্নিত হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি এই বৈঠকত অসমৰ কেইবাটাও অতি গুৰুত্বপূৰ্ণ দিশত গভীৰভাৱে আলোচনা কৰে আৰু কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ অসমৰ প্ৰতি থকা অহৰহ সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। অশ্বিনী বৈষ্ণৱৰ কামৰ প্ৰতি থকা স্পষ্ট দৃষ্টিভংগী আৰু সক্ৰিয় মনোভাৱে মুখ্যমন্ত্ৰীক সদায় অনুপ্ৰাণিত কৰে বুলি তেওঁ উল্লেখ কৰে, আৰু এই বৈঠকো তাৰেই এক উজ্জ্বল দৃষ্টান্ত।

বৈঠকত আলোচিত বিষয়সমূহৰ ভিতৰত তথ্য-প্ৰযুক্তি আৰু ইলেক্ট্ৰনিক্স খণ্ডত অসমক এখন মুখ্য কেন্দ্ৰস্থল হিচাপে গঢ়ি তোলাৰ প্ৰস্তাৱ অন্যতম। মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ ভৌগোলিক অৱস্থান, কৌশলগত সুবিধা আৰু প্ৰাকৃতিক সম্পদসমূহ তুলি ধৰি ভাৰতৰ ছেমিকণ্ডাক্টৰ ক্ষেত্ৰখনত অসমে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব পাৰে বুলি মত পোষণ কৰে। অসমৰ পূব দিশত অৱস্থিত এই ৰাজ্যই দক্ষিণ-পূব এছিয়া তথা আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ লগত সংযোগ স্থাপনৰ এক অপৰূপ সুযোগ বহন কৰে। এই দিশত মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীৰ পৰা প্ৰয়োজনীয় পৃষ্ঠপোষকতা বিচাৰে আৰু অসমক ডিজিটেল ভাৰতৰ এক প্ৰধান স্তম্ভ হিচাপে গঢ়ি তোলাৰ লক্ষ্য ব্যক্ত কৰে।

ৰে'ল খণ্ডতো মুখ্যমন্ত্ৰীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ উত্থাপন কৰে। তাৰ ভিতৰত লংকা-উমৰাংছ'ৰ মাজত নতুন ৰে'লপথ নিৰ্মাণৰ প্ৰস্তাৱ বিশেষভাৱে উল্লেখযোগ্য। এই ৰে'লপথে অসমৰ ভিতৰুৱা অঞ্চলসমূহক প্ৰধান পথৰ লগত সংযুক্ত কৰাৰ লগতে স্থানীয় বাণিজ্য আৰু পৰ্যটন খণ্ডত ইতিবাচক প্ৰভাৱ পেলাব। ইয়াৰ উপৰিও ভাৰত-ভূটান ৰে'ল প্ৰকল্পটো শীঘ্ৰে ৰূপায়ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। এই প্ৰকল্পটোৱে অসমৰ আন্তঃৰাষ্ট্ৰীয় সংযোগ বৃদ্ধি কৰি উত্তৰ-পূবৰ অৰ্থনৈতিক সমগ্ৰতাত আমূল পৰিৱৰ্তন আনিব পাৰে বুলি তেওঁ মত প্ৰকাশ কৰে। এই দুটা ৰে'ল প্ৰকল্পই অসমৰ যোগাযোগ ব্যৱস্থাত যুগান্তকাৰী পৰিৱৰ্তন ঘটাই অঞ্চলটোৰ উন্নয়নক ত্বৰান্বিত কৰিব। এই বৈঠকৰ ফলত অসমৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক মহলত এক আশাৰ সঞ্চাৰ হৈছে। তথ্য-প্ৰযুক্তি আৰু ৰে'ল খণ্ডত কেন্দ্ৰৰ সহায়ত অসম আগুৱাই গ'লে ই অসমৰ যুৱ প্ৰজন্মৰ বাবে বিপুল কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। অসমৰ শিক্ষিত যুৱক-যুৱতীসকলে তথ্য-প্ৰযুক্তিৰ এই নতুন সম্ভাৱনাক লৈ উৎসাহিত হৈ পৰিছে। লগতে, উন্নত ৰে'ল যোগাযোগে কৃষি, উদ্যোগ আৰু বাণিজ্য ক্ষেত্ৰখনক এক নতুন দিশ প্ৰদান কৰিব। কিন্তু এই উন্নয়ন প্ৰকল্পসমূহ ৰূপায়ণ কৰোঁতে কিছুমান প্ৰত্যাহ্বানও আছে। ভূমি অধিগ্ৰহণ, পৰিৱেশৰ ওপৰত প্ৰভাৱ আৰু আন্তঃগাঁথনিৰ বাবে প্ৰয়োজনীয় পুঁজি যোগান ধৰাটো প্ৰধান প্ৰত্যাহ্বান। মুখ্যমন্ত্ৰীয়ে এই প্ৰকল্পসমূহৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰয়োজনীয় সহায় বিচাৰিছে আৰু আশা কৰিছে যে এই প্ৰকল্পসমূহ অতি সোনকালে বাস্তৱ ৰূপ লাভ কৰিব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই আগন্তুক দিনসমূহত এই প্ৰকল্পসমূহৰ অগ্ৰগতি সম্পৰ্কে ৰাইজক অৱগত কৰি থকাৰ আশ্বাস দিছে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱেও অসমৰ বিকাশৰ প্ৰতি থকা তেওঁৰ দলৰ অঙ্গীকাৰ পুনৰ্ব্যক্ত কৰি প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ আশ্বাস দিছে। এই বৈঠকে অসমৰ বাবে এক ঐতিহাসিক সুযোগ কঢ়িয়াই আনিছে বুলি ক'ব পাৰি। অসমৰ জনসাধাৰণে এই প্ৰকল্পসমূহৰ ফলামৃত উপভোগ কৰিব পাৰিব বুলি আশা কৰা হৈছে। তথ্য-প্ৰযুক্তিৰ নতুন দিগন্ত অসমলৈ অনাৰ লগতে ৰে'ল পৰিবহণৰ উন্নয়নে অসমক দক্ষিণ-পূব এছিয়াৰ এক প্ৰধান বাণিজ্য কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠিত কৰিব।

এই বৈঠকখনে অসমৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত থকা ইতিবাচক সমন্বয়ৰ পৰিচয় দিছে। অসমৰ সামগ্ৰিক উন্নয়নৰ বাবে তথ্য-প্ৰযুক্তি, ৰে'ল আৰু ইলেক্ট্ৰনিক্স খণ্ডত কেন্দ্ৰীয় সহায় অতি গুৰুত্বপূৰ্ণ। অশ্বিনী বৈষ্ণৱৰ দৰে এগৰাকী দক্ষ মন্ত্ৰীৰ সহায়ত অসমে অতি সোনকালে এক নতুন যুগৰ সূচনা কৰিব বুলি বিশ্বাস কৰা যায়। আশা কৰা যায়, অনাগত দিনসমূহত এই আলোচনাৰ ইতিবাচক ফলাফল অসমৰ উন্নয়নৰ এক মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব। এই প্ৰকল্পসমূহৰ কাৰ্যকৰী ৰূপায়ণৰ বাবে ৰাজ্যবাসীয়ে মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। অসমৰ অগ্ৰগতিৰ বাবে এই বৈঠকখন এক মহৎ পদক্ষেপ হিচাপে চিহ্নিত হৈ আছে।

মূল্যবোধৰ শিক্ষা ঃ শিশুৰ চৰিত্ৰ গঠনত পৰিয়ালৰ ভূমিকা

অতীতৰ সমাজ ব্যৱস্থাৰ ফালে লক্ষ্য কৰিলে দেখা যায় যে, যৌথ পৰিয়ালসমূহে শিশুৰ চৰিত্ৰ গঠনত এক অনন্য ভূমিকা পালন কৰিছিল। ককা-আইতা, বৰদেউতা-বৰমা, খুড়া-খুড়ী আদিৰে পৰিপূৰ্ণ একোখন ঘৰত শিশুৱে অকলশৰীয়া অনুভৱ কৰাৰ সুযোগ নাপাইছিল। বিশেষকৈ ককা-আইতাৰ সান্নিধ্যই শিশুৰ মানসিক বিকাশত মহৌষধৰ দৰে কাম কৰিছিল। ৰাতি জুহালৰ কাষত বা বিছনাত শুৱাৰ সময়ত ককা-আইতাই কোৱা পুৰাণৰ সাধু, বিভিন্ন সাধুকথাৰ মাজত লুকাই থকা নৈতিক শিক্ষা, সমাজপ্ৰীতি আৰু ধৰ্মীয় চেতনাই শিশুৰ মনত গভীৰ সাঁচ বহুৱাইছিল। কিন্তু বৰ্তমান সময়ত অৰ্থনৈতিক কাৰণ, নগৰীকৰণ আৰু আধুনিক মানসিকতাৰ বাবে যৌথ পৰিয়ালসমূহ ক্ৰমান্বয়ে ভাঙি একক পৰিয়াললৈ ৰূপান্তৰিত হৈছে। ইয়াৰ ফলত শিশুসকল ককা-আইতাৰ মৰম আৰু তেওঁলোকৰ সুদীৰ্ঘ জীৱনৰ অভিজ্ঞতাৰ পৰা বঞ্চিত হৈছে।

সমাজ এখন সুস্থ, সবল আৰু প্ৰগতিশীল কৰি গঢ়ি তুলিবলৈ হ'লে প্ৰতিজন নাগৰিক সৎ, চৰিত্ৰবান, দায়িত্বশীল আৰু নৈতিক মূল্যবোধসম্পন্ন হোৱাটো অতি প্ৰয়োজন। এজন ব্যক্তিক সমাজৰ আদৰ্শ নাগৰিক হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত 'মূল্যবোধৰ শিক্ষা'ই প্ৰথম আৰু প্ৰধান ভূমিকা পালন কৰে। মূল্যবোধ হৈছে মানুহৰ চিন্তা-চেতনা, আচৰণ আৰু কৰ্মক সঠিক দিশত পৰিচালিত কৰা কিছুমান নৈতিক আদৰ্শ। বৰ্তমানৰ আধুনিক, অৰ্থসৰ্বস্ব আৰু প্ৰযুক্তিনিৰ্ভৰ অন্ধ দৌৰত মানুহে ক্ৰমান্বয়ে সততা, উদাৰতা আৰু পৰোপকাৰৰ দৰে চিৰন্তন গুণসমূহ হেৰুৱাই পেলাইছে, যাৰ ফলত সমাজত নৈতিকতাৰ স্খলন এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান হিচাপে দেখা দিছে। এই জটিল সন্ধিক্ষণত আজিৰ শিশুক শৈশৱৰে পৰা সঠিক মূল্যবোধৰ শিক্ষাৰে দীক্ষিত কৰাটো সমাজৰ সৰ্বপ্ৰধান দায়িত্ব। কিয়নো তেওঁলোকেই হৈছে ভৱিষ্যৎ সমাজৰ একো একোজন কাণ্ডাৰী। শৈশৱতে মানৱীয় গুণৰ বিকাশ ঘটিলেহে ভৱিষ্যতে এখন শান্তিপূৰ্ণ আৰু উন্নত সমাজ গঠন সম্ভৱ হ'ব। শিশুৰ এই দীঘলীয়া জীৱন যাত্ৰাত মূল্যবোধৰ প্ৰথম পাঠশালাখন গঢ়ি উঠে তেওঁলোকৰ আপোন ঘৰখনতেই।

প্ৰতিটো শিশুৰ বাবে তেওঁলোকৰ পৰিয়ালটোৱেই হৈছে বিশ্বৰ প্ৰথম শিক্ষানুষ্ঠান। কোনো আনুষ্ঠানিক বিদ্যালয়ৰ দুৱাৰদলিত ভৰি দিয়াৰ পূৰ্বেই শিশোৱে ঘৰৰ পৰিৱেশৰ পৰা জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰাথমিক শিক্ষাসমূহ লাভ কৰে। পিতৃ-মাতৃ আৰু পৰিয়ালৰ জ্যেষ্ঠ সদস্যসকল হৈছে শিশুৰ প্ৰথম পথপ্ৰদৰ্শক। মনস্তত্ত্ববিদসকলৰ মতে, মানুহৰ মগজুৰ সৰ্বাধিক বিকাশ শৈশৱ অৱস্থাতে ঘটে। এই সময়ছোৱাত শিশোৱে যি দেখিব, যি শুনিব আৰু যি অনুভৱ কৰিব, সেয়া তেওঁৰ অবচেতন মনত গভীৰভাৱে খোদিত হৈ ৰয়। শিশু এজনে কেনেকৈ কথা পাতিব, সমাজত কেনেকৈ আচৰণ কৰিব, জ্যেষ্ঠজনক কেনেকৈ শ্ৰদ্ধা জনাব আৰু কনিষ্ঠক কেনেকৈ মৰম কৰিব- এই সকলোবোৰ কথা তেওঁ পৰিয়ালৰ কাৰ্যকলাপ নিৰীক্ষণ কৰি আয়ত্ত কৰে। শিশুৰ কোমল মনটো এখন বগা কাগজৰ দৰে, য'ত পৰিয়ালে যি নীতিশিক্ষা অংকন কৰি দিব, শিশুৰ ভৱিষ্যতৰ চৰিত্ৰটো ঠিক তেনেদৰেই গঢ় লৈ উঠিব। গতিকে, সমাজৰ আটাইতকৈ ক্ষুদ্ৰ আৰু শক্তিশালী গোট 'পৰিয়াল'ৰ ওপৰতেই শিশুৰ চৰিত্ৰ গঠনৰ মূল দায়িত্ব ন্যস্ত থাকে।

শিশুৰ এটা স্বাভাৱিক আৰু অতি শক্তিশালী প্ৰবৃত্তি হৈছে অনুকৰণশীলতা। তেওঁলোকে মুখৰ উপদেশতকৈ চকুৰ সন্মুখত দেখা কাৰ্যবোৰহে বেছি সোনকালে আৰু নিৰ্ভুলভাৱে গ্ৰহণ কৰে। বহু সময়ত দেখা যায় যে পিতৃ-মাতৃয়ে সন্তানক মুখেৰে সততাৰ বাণী শুনায়, কিন্তু ব্যৱহাৰিক জীৱনত তাৰ ওলোটাটোহে প্ৰতিফলিত কৰে। উদাহৰণস্বৰূপে, ঘৰত মিছা মতা বা জ্যেষ্ঠজনক অৱজ্ঞা কৰা দেখিলে শিশোৱেও তাকেই স্বাভাৱিক বুলি ভাবি লয়। বিপৰীতে, যি ঘৰত পিতৃ-মাতৃয়ে পৰস্পৰক সন্মান কৰে আৰু আনৰ প্ৰতি সদয় আচৰণ কৰে, সেই ঘৰৰ শিশুৰ মনত স্বতঃস্ফূৰ্তভাৱে সৎ গুণৰ বিকাশ ঘটে। পৰিয়ালৰ ভিতৰতেই শিশোৱে প্ৰথমবাৰৰ বাবে 'ত্যাগ' আৰু 'সহানুভূতি'ৰ শিক্ষা লাভ কৰে। যেতিয়া শিশোৱে দেখে যে মাক-দেউতাকে ঘৰৰ বনকৰা মানুহজনক সন্মান কৰিছে, দুখীয়া-দৰিদ্ৰক সহায় কৰিছে বা অসুস্থ প্ৰতিবেশীক শুশ্ৰূষা কৰিছে, তেতিয়া শিশুটিৰ মনতো পৰোপকাৰ আৰু সংবেদনশীলতাৰ ভাৱ জাগ্ৰত হয়। গতিকে, সন্তানক কেৱল মুখেৰে নীতিশিক্ষা দিয়াতকৈ পিতৃ-মাতৃয়ে নিজৰ আচৰণক আদৰ্শ স্বৰূপ কৰি তোলাটো অত্যন্ত অপৰিহাৰ্য।

অতীতৰ সমাজ ব্যৱস্থাৰ ফালে লক্ষ্য কৰিলে দেখা যায় যে, যৌথ পৰিয়ালসমূহে শিশুৰ চৰিত্ৰ গঠনত এক অনন্য ভূমিকা পালন কৰিছিল। ককা-আইতা, বৰদেউতা-বৰমা, খুড়া-খুড়ী আদিৰে পৰিপূৰ্ণ একোখন ঘৰত শিশুৱে অকলশৰীয়া অনুভৱ কৰাৰ সুযোগ নাপাইছিল। বিশেষকৈ ককা-আইতাৰ সান্নিধ্যই শিশুৰ মানসিক বিকাশত মহৌষধৰ দৰে কাম কৰিছিল। ৰাতি জুহালৰ কাষত বা বিছনাত শুৱাৰ সময়ত ককা-আইতাই কোৱা পুৰাণৰ সাধু, বিভিন্ন সাধুকথাৰ মাজত লুকাই থকা নৈতিক শিক্ষা, সমাজপ্ৰীতি আৰু ধৰ্মীয় চেতনাই শিশুৰ মনত গভীৰ সাঁচ বহুৱাইছিল। কিন্তু বৰ্তমান সময়ত অৰ্থনৈতিক কাৰণ, নগৰীকৰণ আৰু আধুনিক মানসিকতাৰ বাবে যৌথ পৰিয়ালসমূহ ক্ৰমান্বয়ে ভাঙি একক পৰিয়াললৈ ৰূপান্তৰিত হৈছে। ইয়াৰ ফলত শিশুসকল ককা-আইতাৰ মৰম আৰু তেওঁলোকৰ সুদীৰ্ঘ জীৱনৰ অভিজ্ঞতাৰ পৰা বঞ্চিত হৈছে। আজিকালি বহু শিশুৰ ককা-আইতাৰ মুখৰ সজীৱ কথা-বতৰা বা মৌখিক সাধুকথাৰ সোৱাদ নোপোৱাৰ বাবে তেওঁলোকৰ ভাষিক আৰু কাল্পনিক চিন্তা-শক্তিৰ পৰিসৰো সীমিত হৈ পৰিছে। কিতাপৰ পাতত থকা নীতিশিক্ষামূলক সাধুবোৰো তেওঁলোকক মৰমেৰে পঢ়ি শুনাবলৈ বা তাৰ অন্তৰালৰ সত্যটোক সহজকৈ বুজাই দিবলৈ ঘৰখনত জ্যেষ্ঠজনৰ অভাৱ ঘটিছে। ফলত শিশুৱে যান্ত্ৰিকভাৱে ডাঙৰ হ'বলগীয়া হৈছে আৰু পৰম্পৰাগত জ্ঞানৰ পৰা দূৰত অৱস্থান কৰিছে। একক পৰিয়ালৰ এই শূন্যতা দূৰ কৰিবলৈ পিতৃ-মাতৃয়ে অধিক তৎপৰতা প্ৰদৰ্শন কৰিব লাগিব। তেওঁলোকে সন্তানক নিজৰ শিপা, পৰম্পৰা আৰু লোক-সংস্কৃতিৰ সৈতে চিনাকি কৰাই দিয়াৰ বাবে বিশেষ সময় উলিয়াব লাগিব।

নলিনী ৰঞ্জন ভূঞা

আজিৰ দিনত শিশুসকলৰ শৈশৱটো স্মাৰ্টফোন, কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ স্ক্ৰীণৰ মাজত আৱদ্ধ হৈ পৰিছে। বহু সময়ত পিতৃ-মাতৃয়ে নিজৰ কৰ্মব্যস্ততাৰ বাবে বা সন্তানক শান্ত কৰি ৰাখিবলৈ অতি কম বয়সতে তেওঁলোকৰ হাতত মোবাইল ফোন তুলি দিয়ে। ইয়াৰ ফলত শিশুসকল কিতাপৰ জগতখনৰ পৰা বা সমাজৰ বাস্তৱ সম্পৰ্কবোৰৰ পৰা আঁতৰি এক ছদ্মবেশী জগতত হেৰাই যাবলৈ ধৰিছে। ইণ্টাৰনেটত উপলব্ধ বহুতো অনৈতিক, হিংসাত্মক আৰু অপসাংস্কৃতিক সমলে শিশুৰ কোমল মনস্তত্ত্বত গভীৰ কু-প্ৰভাৱ পেলাইছে। ইয়াৰ ফলত শিশুৰ মাজত জেদ, ক্ৰোধ আৰু অসামাজিক প্ৰৱণতা বৃদ্ধি পাইছে। এই ক্ষেত্ৰত পৰিয়ালৰ সজাগতা অতি জৰুৰী। পিতৃ-মাতৃ কেৱল অভিভাৱক হ'লেই নহ'ব, তেওঁলোকে সন্তানৰ বন্ধু হৈ তেওঁলোকৰ ডিজিটেল কাৰ্যকলাপৰ ওপৰত চকু ৰাখিব লাগিব। মোবাইলৰ ব্যৱহাৰ সীমিত কৰি শিশুসকলক সমনীয়াৰ লগত খেলিবলৈ উদগনি দিয়া, বিভিন্ন মহৎ লোকৰ জীৱনী পঢ়াৰ অভ্যাস গঢ়া, আৰু প্ৰকৃতিৰ সান্নিধ্যলৈ লৈ যোৱাৰ দায়িত্ব পৰিয়ালে গ্ৰহণ কৰিব লাগিব।

শিশুৰ চৰিত্ৰ গঠনৰ আন এক অপৰিহাৰ্য দিশ হৈছে অনুশাসন। পৰিয়ালত শিশুসকলক এক সুস্থ অনুশাসনৰ মাজত ৰখাটো প্ৰয়োজনীয়, কিন্তু এই অনুশাসন কেতিয়াও একনায়কত্ববাদী বা অত্যধিক কঠোৰ হ'ব নালাগে। অতিমাত্ৰা শাসন, গালি-গালাজ বা শাৰীৰিক প্ৰহাৰে শিশুৰ মনত হীনমান্যতা, ভয় আৰু বিদ্ৰোহী ভাৱৰ জন্ম দিয়ে। তেওঁলোকে নিজৰ ভুলবোৰ লুকুৱাবলৈ মিছা কথাৰ আশ্ৰয় ল'বলৈ শিকে। আনহাতে, অত্যধিক মৰম বা অন্ধ স্নেহেও শিশুক বিপথে পৰিচালিত কৰিব পাৰে, যাৰ ফলত তেওঁলোকে কাকো খাতিৰ নকৰা হৈ পৰে। গতিকে, মৰম আৰু শাসনৰ মাজত এক সুন্দৰ ভাৰসাম্য ৰক্ষা কৰাটো জৰুৰী। শিশোৱে কোনো ভুল কৰিলে তাক শান্তভাৱে, মৰমেৰে বুজাই দিব লাগে যে, তেওঁৰ কাৰ্যটো কিয় ভুল আছিল আৰু ইয়াৰ পৰিণাম কি হ'ব পাৰে। তেওঁলোকক নিজৰ মতামত প্ৰকাশ কৰাৰ সম্পূৰ্ণ স্বাধীনতা দিব লাগে, যাতে তেওঁলোকৰ আত্মবিশ্বাস আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা বৃদ্ধি পায়।

আজিৰ প্ৰতিযোগিতামূলক শিক্ষা ব্যৱস্থাই শিশুসকলক এক তীব্ৰ মানসিক চাপৰ মাজলৈ ঠেলি দিছে। কেৱল পৰীক্ষাৰ নম্বৰ, প্ৰথম স্থান লাভ কৰা বা শৈক্ষিক সফলতাহে যেন জীৱনৰ একমাত্ৰ লক্ষ্য- তেনে এক পৰিৱেশ সৃষ্টি কৰা হৈছে। ইয়াৰ ফলস্বৰূপে, বৰ্তমানৰ যুৱ প্ৰজন্মৰ মাজত সহনশীলতা ক্ৰমান্বয়ে হ্ৰাস পাইছে। সামান্য ব্যৰ্থতা, পৰীক্ষাত কম নম্বৰ পোৱা বা মনৰ আশা পূৰণ নহ'লেই বহু শিশু আৰু কিশোৱে হতাশাত ভুগি চৰম পথ বাছি লোৱা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত পৰিয়ালে শিশুক শৈশৱৰে পৰাই জীৱন যুদ্ধৰ আচল শিক্ষা দিয়া উচিত। তেওঁলোকক বুজাব লাগে যে জয় আৰু পৰাজয়, লাভ আৰু লোকচান-এই সকলোবোৰ জীৱনৰ একেটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি। সফলতাত যেনেকৈ অহংকাৰ কৰিব নালাগে, ব্যৰ্থতাতো তেনেকৈ ভাঙি পৰিব নালাগে। ধৈৰ্য্য, মানসিক দৃঢ়তা আৰু সংগ্ৰাম কৰাৰ প্ৰেৰণা পৰিয়ালৰ পৰাই আহে। যেতিয়া পিতৃ-মাতৃয়ে সন্তানক বিভিন্ন প্ৰত্যাহ্বানৰ মাজতো থিয় হৈ থাকিবলৈ সাহস দিয়ে, তেতিয়া শিশুটি ভৱিষ্যতে এজন মানসিকভাৱে শক্তিশালী আৰু দায়িত্বশীল ব্যক্তি হিচাপে সমাজত প্ৰতিষ্ঠিত হ'ব পাৰে।

পৰিয়ালৰ ভিতৰতেই শিশুৱে লিংগ বৈষম্য, জাতিভেদ প্ৰথা আৰু সামাজিক শ্ৰেণী বিভাজনৰ দৰে বিষয়সমূহৰ প্ৰথম ধাৰণা লাভ কৰে। বহু ঘৰত ল'ৰা আৰু ছোৱালী সন্তানৰ মাজত কাম-কাজ, খোৱা-বোৱা বা স্বাধীনতাৰ ক্ষেত্ৰত বৈষম্যমূলক আচৰণ কৰা দেখা যায়। এনে পৰিৱেশে শিশুৰ মনত সংকীৰ্ণতাৰ জন্ম দিয়ে। সুস্থ মূল্যবোধৰ শিক্ষাই শিশুক সমাজৰ সকলো মানুহক সমান চকুৰে চাবলৈ শিকায়। পৰিয়ালত ল'ৰা-ছোৱালী উভয়কে ঘৰুৱা দায়িত্ব সমানে ভগাই দিয়া উচিত। ইয়াৰ উপৰি, সমাজৰ বিভিন্ন ধৰ্ম, বৰ্ণ আৰু জাতিৰ মানুহৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ শিশুক সৰুৰে পৰা শিকাব লাগে। ধৰ্মনিৰপেক্ষতা, মানৱতাবাদ আৰু বিশ্বজনীন ভ্ৰাতৃত্ববোধৰ শিক্ষা যদি পৰিয়ালৰ পৰা পোৱা যায়, তেন্তে ভৱিষ্যতে সমাজত সাম্প্ৰদায়িক হিংসা বা বৰ্ণবৈষম্যৰ দৰে ব্যাধিবোৰ চিৰদিনৰ বাবে নিৰ্মূল হ'ব।

পৰিশেষত ক'ব পাৰি যে, শিক্ষা কেৱল বিদ্যালয়ৰ চাৰিসীমাৰ ভিতৰতে আৱদ্ধ নহয়। বিদ্যালয় বা মহাবিদ্যালয়ে এজন শিক্ষাৰ্থীক অৰ্থ উপাৰ্জনৰ বাবে কোনো ডিগ্ৰী বা কাৰিকৰী জ্ঞান দিব পাৰে। কিন্তু তেওঁক এজন প্ৰকৃত 'মানুহ' হিচাপে গঢ়ি তুলিব পাৰে কেৱল পৰিয়ালেহে। মূল্যবোধৰ শিক্ষা কোনো মুখস্থ কৰা বিষয় নহয়, ই হৈছে অন্তৰৰ গভীৰৰ পৰা অহা এক জীৱন ধাৰণৰ পবিত্ৰ পদ্ধতি। বৰ্তমান আমাৰ সমাজত দিনক দিনে বাঢ়ি অহা অপৰাধপ্ৰৱণতা, দুৰ্নীতি, ধৰ্ষণ আৰু নৈতিক অৱক্ষয় ৰোধ কৰিবলৈ হ'লে আমি শিপাৰ পৰাই সংস্কাৰ সাধন কৰিব লাগিব। আমাৰ মানৱ সমাজৰ আটাইতকে পবিত্ৰ শিপাডাল হৈছে পৰিয়াল। প্ৰতিগৰাকী পিতৃ-মাতৃয়ে যদি নিজৰ সন্তানক কেৱল ধন-সম্পত্তি, লাহ-বিলাসৰ সামগ্ৰী বা কিতাপৰ নম্বৰ যোগান ধৰাতকৈ সৎ চৰিত্ৰ, দেশপ্ৰেম, ধৰ্মনিৰপেক্ষতা আৰু মানৱতাৰ অক্ষয় শিক্ষা প্ৰদানত অধিক ব্ৰতী হয়, তেন্তে এখন অপৰাধমুক্ত, শান্তিপূৰ্ণ আৰু আদৰ্শ সমাজ গঠন হোৱাটো নিশ্চিত।

অম্বুবাচী কামাখ্যা মন্দিৰৰ উৎসৱ

ৰশ্মি ৰেখা শইকীয়া ভূঞা

পুৰণি কালৰপৰাই ভাৰতত শাক্ত ধৰ্মৰ প্ৰভাৱ আছে। ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত ৰাজ্য অসমও শক্তি পূজাৰ বাবে বিখ্যাত। অসমক যেতিয়া প্ৰাগজ্যোতিষপুৰ বা কামৰূপ বুলি জনা গৈছিল তেতিয়াৰে পৰাই অসমত শক্তি পূজাৰ প্ৰচলন আছে। ভাৰতত একান্ন (৫১)খন জাগ্ৰত শক্তিপীঠ আছে আৰু তাৰে ভিতৰত অসমৰ কামাখ্যাও অন্যতম। এই পীঠ স্থান কামাখ্যাতেই উদযাপন কৰা হয় অম্বুবাচী উৎসৱ আৰু এই উৎসৱতেই হয় অম্বুবাচী মেলা। অম্বুবাচী কামাখ্যা মন্দিৰত পালন কৰা এটা অতি গুৰুত্বপূৰ্ণ উৎসৱ। এই অম্বুবাচীৰ সময়তেই অম্বুবাচী মেলা চাবলৈ কামাখ্যালৈ বিভিন্ন ঠাইৰ অলেখ ভক্ত প্ৰাণ ৰাইজৰ আগমন ঘটে। কামাখ্যাৰ অম্বুবাচীৰ মহত্ত্ব কেৱল অসমতেই সীমাবদ্ধ হৈ থকা নাই। ই সমগ্ৰ বিশ্বতে প্ৰসাৰিত হৈছে।

অম্বুবাচী হৈছে প্ৰাচীন কালৰে পৰাই অসমত প্ৰচলিত হৈ অহা এক উৎসৱ। ই এক ঋতুকালীন কৃষি ভিত্তিক উৎসৱ। প্ৰত্যেক বছৰে আহাৰ মাহৰ সাত (৭) তাৰিখৰ পৰা অম্বুবাচী উৎসৱ পালন কৰা হয়। শাক্ত ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে পালন কৰা হয়। পৃথিৱী ঋতুমতী হোৱা সময় ছোৱাকে অম্বুবাচী বুলি কোৱা হয়। সন্তান সম্ভৱা হ'বলৈ নাৰী ঋতুমতী হোৱাৰ দৰেই শস্য সম্ভৱা হ'বলৈ আই বসুমতী ঋতুমতী হয়। পৃথিৱীৰ উৰ্বৰতাৰ বাবেই এই অম্বুবাচী উৎসৱ পালন কৰা হয়। অম্বুবাচী শব্দটো "অম্বু" আৰু "বাচী" দুটা শব্দৰ পৰা উৎপত্তি হৈছে। সংস্কৃত ভাষাত অম্বু মানে হৈছে পানী আৰু বাচী মানে হৈছে প্ৰস্ফুটিত হোৱা। অম্বুবাচীৰ অৰ্থ হৈছে ব্যাপক পানীৰ সঞ্চাৰ হোৱা। ই পৃথিৱীত হ'ব লগা বৰষুণৰ সম্ভাৱনীয়তাক প্ৰকাশ কৰে আৰু ইয়াৰ পৰাই পৃথিৱীৰ উৰ্বৰতা বৃদ্ধি হয় আৰু উৎপাদন ক্ষম হয়। অম্বুবাচীক উজনি অসমত "খাঁঠ লগা" বুলিও কয়। অম্বুবাচীৰ প্ৰবৃত্তি পৰা নিবৃত্তিৰ সময়লৈ কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ হৈ থাকে। আহাৰ মাহৰ সাত (৭) তাৰিখৰ দিনা অম্বুবাচীৰ প্ৰবৃত্তি হোৱাৰ লগে লগেই কামাখ্যা মন্দিৰৰ মূল গৃহৰ দুৱাৰ বন্ধ কৰি দেৱী দৰ্শন কাৰ্য বন্ধ কৰি দিয়া হয়। আহাৰ মাহৰ দহ (১০) তাৰিখৰ দিনা অম্বুবাচীৰ নিবৃত্তিৰ লগে লগে মন্দিৰৰ দুৱাৰ খোলা হয় আৰু নীতি-নিয়ম অনুসৰি কামাখ্যা দেৱীক স্নান, পূজা আদি কৰি আহাৰ মাহৰ দ্বাদশ দিনা দৰ্শনাৰ্থীৰ বাবে মন্দিৰৰ দুৱাৰ আনুষ্ঠানিক ভাৱে মুকলি কৰা হয়। এই সময়ছোৱাতে কামাখ্যা মন্দিৰৰ প্ৰাঙ্গনত অম্বুবাচী মেলাৰ আয়োজন কৰা হয় য'ত দেশ-বিদেশৰ পৰ্যটকৰ সমাৱেশ ঘটে। অম্বুবাচী উপলক্ষে কামাখ্যা মন্দিৰত উপস্থিত হোৱা ভক্ত প্ৰাণ ৰাইজসকল মন্দিৰৰ প্ৰাঙ্গনতে আশ্ৰয় লয় আৰু তাতে সেই কেইদিন নাম-কীৰ্তন কৰি থাকে। মন্দিৰৰ বাহিৰতে ধূপ-ধুনা জ্বলাই দেৱী কামাখ্যাৰ আৰাধনা কৰে। অম্বুবাচীৰ নিবৃত্তিৰ পাছত ভক্ত প্ৰাণ ৰাইজ মন্দিৰৰ ভিতৰলৈ গৈ দেৱী দৰ্শন কৰি পুষ্পমাল্য অৰ্পণ কৰে আৰু দেৱীৰ আশীৰ্বাদ লয়। মন্দিৰৰ পুৰোহিতে ভক্তসকলক দেৱীৰ গাত অম্বুবাচীৰ সময়ত মেৰিয়াই থোৱা ৰঙা বৰণৰ বস্ত্ৰ প্ৰদান কৰে। লোকবিশ্বাস অনুসৰি এই ৰঙা বস্ত্ৰ পুৰুষে সোঁহাতত বা ডিঙিত আৰু মহিলাই বাওঁহাতত বা ডিঙিত পৰিধান কৰিব লাগে। এই ৰঙা বস্ত্ৰ পৰিধান কৰিলে মনো কামনা পূৰ্ণ হয় বুলি বিশ্বাস কৰা হয়। হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ বাবে অম্বুবাচী এটা পবিত্ৰ উৎসৱ। অম্বুবাচীৰ সময়ত পালন কৰা বহুতো নীতি-নিয়ম আছে। এই সময়ছোৱাত পৃথিৱীৰ বুকুত কৃষি-কৰ্মৰ লগত জড়িত সকলো কাৰ্য, যেনে- মাটি চহোৱা, শস্য ৰোৱা, গছৰ পৰা ফল-ফুল চিঙা আদি নিষিদ্ধ থাকে। সন্ন্যাসী, ব্ৰাহ্মণ, বিধৱা তিৰোতাই এই কেইটা দিনত সিজোৱা আহাৰ গ্ৰহণ নকৰে, ফলাহাৰ গ্ৰহণ কৰে। অম্বুবাচীৰ কেইদিনত ঋতুমতী হোৱা নাৰীয়ে সিজোৱা খাদ্য গ্ৰহণ কৰিব নোৱাৰে, ফলাহাৰ গ্ৰহণ কৰিব লাগে লগতে তেওঁলোকে মাটি স্পৰ্শ কৰিব নোৱাৰে আৰু অম্বুবাচীৰ প্ৰবৃত্তিৰ পূৰ্বেই মাটিৰ কলহত পানী আনি থৈ অম্বুবাচীৰ নিবৃত্তি নোহোৱালৈ সেই পানীকেই খাই থাকিব লাগে। অম্বুবাচীৰ দিন কেইটাত কেঁচা গাখীৰ খালে বছৰটোত আৰু সৰ্প দংশনৰ কোনো ভয় নাথাকে বুলি এক বিশ্বাস আছে। এই কেইদিনত হিন্দু ধৰ্মাৱলম্বী লোকে কোনো ধৰণৰ মাংগলিক কাৰ্য নকৰে আৰু ঘৰত থকা উপাসনা গৃহ বা নামঘৰ বা মন্দিৰ আদিত প্ৰৱেশ নকৰে অম্বুবাচীৰ নিবৃত্তিৰ লগে লগেই সকলো লোকেই ঘৰে ঘৰে সকলো বাচন-বৰ্তন, কাপোৰ-কানি, ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰে আৰু শান্তি পানী চটিয়াই সকলো শুদ্ধি কৰে। তাৰ পাছতহে সকলোৱে নিজৰ নিজৰ উপাসনা স্থল, নামঘৰ, মন্দিৰ আদিত প্ৰৱেশ কৰে। অম্বুবাচী উৎসৱৰ সময়তেই কামাখ্যা মন্দিৰৰ প্ৰাঙ্গনত বিখ্যাত অম্বুবাচী মেলা অনুষ্ঠিত হয়। অম্বুবাচী বুলি ক'লেই কামাখ্যালৈ ভাৰতৰ বিভিন্ন ঠাইৰ লোকৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ ধৰ্ম প্ৰাণ ৰাইজৰ সমাৱেশ ঘটে। অম্বুবাচীৰ সময় ছোৱাত কামাখ্যালৈ বিভিন্ন বেশৰ সাধু, সন্ন্যাসী আদি দেশৰ বিভিন্ন প্ৰান্তৰ পৰা আহে। এই সাধু-সন্ন্যাসীৰ বিভিন্ন আচৰিত চৰিত্ৰই অম্বুবাচী মেলাৰ সময়ত সাধাৰণ লোকৰ মাজত আলোড়নৰ সৃষ্টি কৰে। এই কেইদিনত অম্বুবাচী মেলাক কেন্দ্ৰ কৰি কামাখ্যা মন্দিৰৰ প্ৰাঙ্গন লোকে লোকাৰণ্য হৈ পৰে। এই অম্বুবাচী মেলা প্ৰায় চাৰিদিন ধৰি চলে। এই মেলাত নানা সামগ্ৰীৰ অসংখ্য দোকান বহে। ইয়াত অসমৰ থলুৱা সামগ্ৰীৰ লগতে ভালে মান বহিৰাগত সামগ্ৰীৰো প্ৰচলন ঘটে। এই বৈশিষ্ট্যই অম্বুবাচীক আন উৎসৱবোৰতকৈ পৃথক কৰিছে। ই এটা কৃষি ভিত্তিক উৎসৱ। অম্বুবাচী উৎসৱত তান্ত্ৰিকতাৰ সমাৱেশ ঘটে। অত্যন্ত কঠোৰ কিছু নীতি-নিয়মৰ মাজেৰে অম্বুবাচী উৎসৱ পালন কৰা হয়। অম্বুবাচীয়ে শক্তি পূজাক প্ৰতিনিধিত্ব কৰে। ই তান্ত্ৰিকতাত বিশ্বাসী। অম্বুবাচী মেলাৰ সময়ত কামাখ্যা মন্দিৰ লোকাৰণ্য হৈ পৰে। এই সময় ছোৱাত ভক্ত প্ৰাণ ৰাইজে কামাখ্যা দেৱীৰ আশিস লৈ মগ্ন হৈ পৰে। বৰ্তমান সময়ত কামাখ্যা মন্দিৰৰ অম্বুবাচী মেলাক ব্যাপক ৰূপত পৰিৱৰ্ধিত কৰা হৈছে। কামাখ্যা মন্দিৰৰ লগতে সমগ্ৰ নীলাচল পাহাৰকো অম্বুবাচী মেলাৰ বাবে সজোৱা হয়। পৰ্যটকক আকৰ্ষণৰ বাবে কামাখ্যা মন্দিৰৰ লগতে নীলাচল পাহাৰক সুন্দৰ কৰি তুলিবলৈ চৰকাৰে বিভিন্ন আঁচনি হাতত লৈছে। চৰকাৰে সুস্থিৰ পৰিকল্পনাৰে অম্বুবাচী মেলাক বিখ্যাত পৰ্যটন ক্ষেত্ৰ ৰূপে গঢ় দিব পৰিব। অম্বুবাচী মেলাৰ উপলক্ষে বহা দোকানসমূহত ফুলৰ মালা, পূজা কৰা সামগ্ৰীৰ পৰা আৰম্ভ কৰি বিভিন্ন ৰঙৰ মানুহৰ নিত্য ব্যৱহাৰ্য বিভিন্ন সামগ্ৰী পোৱা যায়। এই দোকানসমূহে অম্বুবাচী উপলক্ষে কামাখ্যালৈ অহা ভক্ত প্ৰাণ ৰাইজক আকৰ্ষণ কৰে। সেয়েহে অম্বুবাচী উৎসৱৰ লগত সংগতি ৰাখি পালন কৰা অম্বুবাচী মেলা কেৱল ধৰ্মীয় উদ্দেশ্যৰে হৈ থকা নাই। ইয়াৰ লগত অৰ্থনৈতিক উদ্দেশ্যও যোগ হৈছে। অম্বুবাচী মেলাত অসমৰ লগতে বহিঃৰাজ্যৰো ব্যৱসায়ী দোকান দিবলৈ আহে লগতে লাখ লাখ পৰ্যটক উপস্থিত হোৱা এই মেলাত বহু কোটি কোটি টকাৰ ব্যৱসায় হয়। ই অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত যোগাত্মক প্ৰভাৱ পেলাইছে আৰু ভৱিষ্যতৰ দিনত ই আৰু আশাৰ সঞ্চাৰ কৰিব। প্ৰতিবছৰে লাখ লাখ পৰ্যটকে ভিৰ কৰা অম্বুবাচী মেলা অসম তথা ভাৰতৰ লগতে বিশ্বৰ বাবে গৌৰৱ হৈ থাকক। অম্বুবাচী কেৱল ধৰ্মীয় পৰিসৰৰ ভিতৰতেই সীমাবদ্ধ নহয়। ই সম্প্ৰীতিৰ এক নিদৰ্শন কিয়নো অম্বুবাচীৰ সময়ত হিন্দু ধৰ্মৰ বাহিৰেও আন সম্প্ৰদায়ৰ লোকো কামাখ্যাৰ প্ৰাঙ্গনৰ অম্বুবাচী মেলালৈ যায়।

অম্বুবাচী মেলাক আমি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ মেলা হিচাপে পৰিচয় কৰাই দিব পাৰিলে অসমৰ পৰ্যটনত অম্বুবাচী মেলাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

লেখকৰ ঠিকনা : জামুগুৰি, (কুসুমতলা)

ভাৰতীয়ৰ বাবে সহজলভ্য কৰক বিশ্বকাপ ফুটবলৰ খেল

এতিয়া সমগ্ৰ বিশ্ব ফুটবল জ্বৰত আক্ৰান্ত। চলিত মাহৰ ১১ তাৰিখৰ পৰা আমেৰিকা, কানাডা আৰু মেক্সিকোত ফুটবলৰ মহাৰণ আৰম্ভ হৈছে। এইবাৰ বিশ্বকাপত পূৰ্বৰ ৩২খন ৰাষ্ট্ৰৰ সলনি ৪৮খন দেশে অংশগ্ৰহণ কৰিব। আমাৰ দেশ ভাৰতবৰ্ষই এইবাৰো বিশ্বকাপ ফুটবল খেলিবলৈ সমৰ্থ নহ'ল যদিও ভাৰতত কিন্তু ফুটবল খেলৰ জনপ্ৰিয়তা একেবাৰে কম নহয়। বিশেষকৈ বিশ্বকাপৰ সময়ত প্ৰত্যেকজন ফুটবল প্ৰেমীয়ে নিজৰ নিজৰ প্ৰিয় দলটোক সমৰ্থনৰ বাবে সাজু হৈ থাকে। কিন্তু দুখৰ বিষয় এইবাৰ ভাৰতৰ ফুটবল প্ৰেমী লোকৰ বাবে বিশ্বকাপ ফুটবল চোৱাটো সহজ হৈ থকা নাই। এক কথাত ক'বলৈ গ'লে দুৰ্লভ হৈ পৰিছে। পূৰ্বৰ দৰে বৰ্তমান সমগ্ৰ চকাৰী চেনেলে ফুটবল মেচ দেখুৱাই। হটষ্টাৰ, জিঅ' টিভি এইবাৰ কত উপলব্ধ নহয়। একমাত্ৰ Zee 5 আৰু Tata play ত এইবাৰৰ বিশ্বকাপ উপলব্ধ। Tata playত পেক ৭০০ৰ ওপৰত। গতিকে এতিয়া ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল ৰাষ্ট্ৰ এখনত বিশ্বকাপ চোৱাটো সহজ হৈ থকা নাই। এই ছেগতে ভাৰতৰ জনপ্ৰিয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দেৱক অনুৰোধ জনাও যে ভাৰতৰ সকলো ফুটবল প্ৰেমী লোকৰ বাবে বিশ্বকাপ ফুটবল সুলভ কৰি তোলাৰ ব্যৱস্থা কৰক। যিখন দেশত ফুটবলৰ দৰে জনপ্ৰিয় খেল এখন চোৱাৰ বাবে জনসাধাৰণে ইমান কষ্ট কৰিব লাগে সেইখন দেশত ফুটবলে কেনেকৈ সফলতা লাভ কৰিব। গতিকে মাননিয় প্ৰধানমন্ত্ৰী মহোদয়ে বিষয়টো যেন গুৰুত্ব সহকাৰে বিবেচনা কৰে আৰু ভাৰতৰ ফুটবল প্ৰেমীৰ বাবে ফুটবল চোৱাটো সহজ কৰি তোলে তাকে কামনা কৰিলোঁ।

কমলেশ কাঞ্চন

জিলা প্ৰশাসন আৰু জলসম্পদ বিভাগৰ তাৎক্ষণিক হস্তক্ষেপৰ দাবী

বৰপেটাৰ বৰদলনি আৰু বামুণ দংৰাত নদী খহনীয়াৰ তাণ্ডৱ

অসম বাৰ্তা, কুমুল্লী পৰা, ১ জুলাই ঃ বৰপেটা জিলাৰ মন্দিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত ১ নং বৰদলনি গাঁৱত ভেলেঙী নদীৰ অব্যাহত গৰাখহনীয়াই অঞ্চলবাসীৰ মাজত তীব্ৰ উদ্বেগ আৰু আতংকৰ সৃষ্টি কৰিছে। বিগত প্ৰায় এমাহ ধৰি চলি থকা এই খহনীয়াৰ ফলত গাঁওখনৰ বাসিন্দাসকলে অনিশ্চয়তাৰ মাজত দিন কটাবলগীয়া হৈছে। স্থানীয় লোকে জনোৱা অনুসৰি, অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগে নিৰ্মাণ কৰা পকী পথটো এতিয়া ভেলেঙী নদীৰ গৰ্ভত বিলীন হোৱাৰ উপক্ৰম হৈছে। খহনীয়াৰ সমস্যা সন্দৰ্ভত জিলা প্ৰশাসনক সংবাদ মাধ্যম আৰু সামাজিক মাধ্যমৰ জৰিয়তে কেইবাবাৰো অৱগত কৰা হ'লেও এতিয়ালৈকে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই বুলি অভিযোগ উত্থাপন কৰিছে ৰাইজে। ইফালে, মন্দিয়া আৰক্ষী চকী অঞ্চলৰ বামুণ দংৰা গাঁৱতো ব্ৰহ্মপুত্ৰ নদীৰ ব্যাপক গৰাখহনীয়াই ভয়াবহ ৰূপ ধাৰণ কৰিছে। উক্ত স্থানত জলসম্পদ বিভাগে জি'অ বেগ (Geo Bag) ব্যৱহাৰ কৰি খহনীয়া প্ৰতিৰোধৰ কাম আৰম্ভ কৰা দেখা গৈছে যদিও যিবোৰ অংশত এই ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই, সেইবোৰ ঠাইত খহনীয়া অব্যাহত থকাত স্থানীয় বাসিন্দাসকল উদ্বিগ্ন হৈ পৰিছে। বৰ্তমান ভেলেঙী আৰু ব্ৰহ্মপুত্ৰ— এই দুয়োখন নদীৰ গৰাখহনীয়াই ১ নং বৰদলনি আৰু বামুণ দংৰা গাঁৱৰ বিস্তীৰ্ণ অঞ্চলত আতংকময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। কিন্তু এতিয়ালৈকে জিলা প্ৰশাসন অথবা স্থানীয় জনপ্ৰতিনিধিসকলে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন নকৰাত ৰাইজৰ মাজত অসন্তুষ্টি বৃদ্ধি পাইছে। ভুক্তভোগী ৰাইজে অসম চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পিযুষ হাজৰিকাৰ দৃষ্টি আকৰ্ষণ কৰি বৰদলনি আৰু বামুণ দংৰাৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে জি'অ বেগ ব্যৱহাৰকে ধৰি স্থায়ী আৰু বিজ্ঞানসন্মত ব্যৱস্থা শীঘ্ৰে গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। তেওঁলোকে কয়, সময়মতে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰিলে অঞ্চলটোৰ পথ-ঘাট, কৃষিভূমি আৰু বহু পৰিয়ালৰ বাসগৃহ নদীগৰ্ভত বিলীন হোৱাৰ আশংকা অধিক বৃদ্ধি পাব।

মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিনামূলীয়া কাৰাটে-কিক বক্সিং প্ৰশিক্ষণ

অসম বাৰ্তা, মাকুম, ১ জুলাই ঃ পোনপ্ৰথমবাৰ মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু মাকুম নগৰ সমিতি আছু গোটৰ সহযোগত ছাত্ৰ-ছাত্ৰীৰ বাবে মাকুম হিন্দী বিদ্যালয়ৰ প্ৰাংগনত আজিৰে পৰা ১৫ জুলাইলৈকে আয়োজন কৰা হৈছে গ্ৰীষ্মকালীন বিনামূলীয়া কাৰাটে-কিক বক্সিং প্ৰশিক্ষণ। ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক সক্ষমতা বৃদ্ধি, আত্মৰক্ষাৰ কৌশল আয়ত্ত কৰা আৰু শৃংখলাবদ্ধ জীৱন গঢ়ি তোলাৰ লক্ষ্যৰে আয়োজন কৰা প্ৰশিক্ষণ কাৰ্যসূচীত প্ৰশিক্ষণ প্ৰদান কৰিছে মাকুম হাপজান চাহ বাগিচাৰ অভিজ্ঞ সমৰ কলা প্ৰশিক্ষক ভৰত কৰ্মকাৰৰ লগতে শিষ্য সকলে। উল্লেখযোগ্য যে প্ৰতিদিনে পুৱা ৬ বজাৰ পৰা ৭ বজালৈ উক্ত প্ৰশিক্ষণ অনুষ্ঠিত হ'ব আৰু ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকৰ লগতে ইচ্ছুক যিকোনো যুৱতী-মহিলা সকলে এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰিব পাৰিব। এনে প্ৰশিক্ষণে ছাত্ৰ-ছাত্ৰীসকল আৰু যুৱতী-মহিলা সকলৰ আত্মবিশ্বাস বৃদ্ধি কৰাৰ লগতে আত্মৰক্ষাৰ দক্ষতা গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব বুলি মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শিৱা দাসে সংবাদ মাধ্যমৰ জৰিয়তে মত প্ৰকাশ কৰে। আজিৰ আৰম্ভণি অনুষ্ঠানত তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি হিৰণ্য মৰাণ মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ উপৰিও মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ আৰু মাকুম নগৰ সমিতি আছু গোটৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

"গোটলং ভিতৰসুঁতি গাঁৱৰ বহুদিনীয়া সমস্যা সমাধান হ'ব"

তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভাৰ আধাৰশিলা স্থাপন

অসম বাৰ্তা, তেজপুৰ সদৰ, ১ জুলাই ঃ ২০০৪ চনৰ জীয়াভৰলী নদীৰ প্ৰলয়ংকাৰী বানে তেজপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত ভিতৰসুঁতি গাঁৱৰ একমাত্ৰ দলংখনৰ বিস্তৰ ক্ষতিসাধন কৰাৰ ফলত কেইবাখনো গাঁৱৰ ৰাইজৰ যাতায়তৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈছিল। ৰাইজে বহুতো আবেদন নিবেদন কৰাৰ পিছতো চৰকাৰ প্ৰশাসনে গুৰুত্ব আৰোপ কৰা নাছিল। কেইবাবাৰো দৈনিক গণ অধিকাৰ বাতৰি কাকতত বাতৰি প্ৰকাশ হৈছিল। অৱশেষত আহিল সু-খবৰ। আজি তেজপুৰ বিধান সভা সমষ্টিৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই তেজপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ভিতৰসুঁতি গাঁৱৰ জৰাজীৰ্ণ দলংখনৰ পথৰ লগতে পকী দলং নিৰ্মাণ কৰাৰ বাবে আজি আধাৰশিলা স্থাপন কৰে। আজিৰ অনুষ্ঠানত তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাৰ লগতে লোক নিৰ্মাণ বিভাগৰ নদুৱাৰ, ৰঙাপাৰা আৰু তেজপুৰ সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তা নিত্যাৰঞ্জন বৰকটকী, SDO অঞ্জন বৰগোহাঁই, দোলাবাৰী গাঁও পঞ্চায়তৰ সভাপতি আফতাব হুছেইন, গাঁও প্ৰধান দীপক কুমাৰ মজুমদাৰ, সমাজসেৱক মিৰ্জানুৰ হুছেইন, যুৱ সাংবাদিক ছাইদুল ইছলামৰ লগতে বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে। এই দলঙৰ লগতে পথৰ আধাৰশিলা স্থাপন কৰাৰ বাবে তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভাক ধন্যবাদ জনোৱাৰ লগতে এই দলং আৰু পথে ভিতৰসুঁতি, পৰুৱা, জাহাজডুবা, খনামুখ অঞ্চলৰ ৰাইজৰ যাতায়তৰ ক্ষেত্ৰত সুবিধা হব বুলি মন্তব্য কৰে।

মৰণক শৰণ দি দৈনিক যাতায়াত গঞা ৰাইজৰ

গৰেমাৰী পথাৰত মৰণফাণ্ডত পৰিণত বাঁহৰ দলং

অসম বাৰ্তা, জনীয়া, ১ জুলাই ঃ মন্দিয়া সমষ্টিৰ গৰেমাৰী পথাৰৰ এখন জৰাজীৰ্ণ বাঁহৰ দলং স্থানীয় ৰাইজৰ বাবে মৰণফাণ্ডত পৰিণত হৈছে। দলংখনৰ জৰাজীৰ্ণ অৱস্থাৰ বাবে প্ৰতিদিনে মৰণক শৰণ দি যাতায়াত কৰিবলগীয়া হৈছে গাঁওবাসী। একে স্থানতে থকা দুখনকৈ বাঁহৰ সাঁকোৱে যিকোনো সময়তে ভাঙি ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা বৃদ্ধি পাইছে। দলংখনৰ বহু অংশ ইতিমধ্যে ভাঙি গৈছে। বাঁহবোৰ পচি দুৰ্বল হৈ পৰাৰ লগতে খোজ পেলোৱাৰ লগে লগে কঁপি উঠে। বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰী, কৃষক, মহিলা, বৃদ্ধ, অসুস্থ ৰোগীকে ধৰি সকলো শ্ৰেণীৰ লোকেই প্ৰতিদিনে এই বিপদসংকুল সাঁকোৰ ওপৰেদি অহা-যোৱা কৰিবলৈ বাধ্য হৈছে। দলংৰ দুৰৱস্থাৰ বাবেই এজন লোকে সময়মতে চিকিৎসালয় নোপোৱাত প্ৰাণ পৰ্যন্ত হেৰুৱাব লগা হৈছে বুলি জানিব পৰা গৈছে। ৰাইজে অভিযোগ কৰে যে, বিষয়টো বিভাগীয় কৰ্তৃপক্ষ আৰু স্থানীয় পঞ্চায়ত প্ৰতিনিধিৰ দৃষ্টিগোচৰ একাধিকবাৰ কৰা হৈছিল যদিও আজিলৈ কোনো স্থায়ী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। ফলত চৰম দুৰ্ভোগৰ মাজেৰে দিন পাৰ কৰিছে অঞ্চলটোৰ বাসিন্দাসকলে। ৰাইজে ইয়াক বিভাগীয় কৰ্তৃপক্ষ আৰু জনপ্ৰতিনিধিৰ উদাসীনতাৰ ফল বুলি অভিহিত কৰিছে। চৰকাৰী কোনো সাহায্য লাভ নকৰি অৱশেষত স্থানীয় ৰাইজে নিজাববীয়াকৈ বাঁহ সংগ্ৰহ কৰি দুখনকৈ সাঁকো সাজি লৈছে যদিও বাৰিষা সময়ত সাঁকো দুখন অধিক বিপজ্জনক হৈ উঠে। সামান্য ভৰি পিছলিলেই খালত পৰি গুৰুতৰ দুৰ্ঘটনা ঘটাৰ সম্ভাৱনা থাকে। তথাপিও বিকল্প পথ নথকাৰ বাবে এই জৰাজীৰ্ণ সাঁকোৰ ওপৰেদিয়েই যাতায়াত কৰিবলৈ বাধ্য হৈছে সাধাৰণ মানুহ। এতিয়া অঞ্চলবাসীয়ে অতি শীঘ্ৰে বাঁহৰ সাঁকোৰ পৰিবৰ্তে এখন স্থায়ী RCC দলং নিৰ্মাণ কৰাৰ দাবী উত্থাপন কৰিছে। কোনো অঘটন সংঘটিত হোৱাৰ পূৰ্বেই চৰকাৰ, বিভাগীয় কৰ্তৃপক্ষ আৰু স্থানীয় জনপ্ৰতিনিধিয়ে বিষয়টো গুৰুত্বসহকাৰে লৈ তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে।

বকো জে.এন. কলেজত ৰক্তদান শিবিৰ সমাপন

অসম বাৰ্তা, বকো, ১ জুলাই ঃ কামৰূপ জিলাৰ ঐতিহ্যমণ্ডিত জৱাহৰলাল নেহৰু মহাবিদ্যালয় বকোৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) গোটৰ উদ্যোগত আৰু ভাৰতীয় ৰেড ক্ৰ'ছ ছ'চাইটি কামৰূপ জিলা সমিতিৰ লগতে মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সহযোগত এখনি ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। যোৱা ২৯ জুনত আয়োজন কৰা ৰক্তদান শিবিৰৰ আৰম্ভণিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তপন দত্তই উপস্থিত থকা চিকিৎস্যকৰ দ'ল আৰু ৰক্তদাতাসকলক স্বাগতম জনায় আৰু তেওঁ চমুকৈ ৰক্তদান শিবিৰৰ মহৎ তাৎপৰ্য্য উল্লেখ কৰে আৰু এনেকুৱা এক জীৱন-দায়িনী ৰক্তদান শিবিৰ মহাবিদ্যালয়ত আয়োজন কৰাৰ বাবে আয়োজক NSS তথা সহযোগী IRCS আৰু ছাত্ৰ একতা সভাক ধন্যবাদ জ্ঞাপন কৰে। লগতে অধ্যক্ষ গৰাকীয়ে উল্লেখ কৰে যে "ৰক্তদান মহান দান" এই ক্ষেত্ৰত মহাবিদ্যালয় খনে অবিৰতভাৱে পাঠ্যক্ৰমৰ উপৰিও ৰাইজৰ উপকাৰ হোৱাকৈ বিভিন্ন সমাজ সেৱা আগবঢ়াই আহিছে আৰু ভৱিষ্যতলৈও আগবঢ়াই যাব। প্ৰকাশ যে; ভাৰতীয় ৰেড ক্ৰ'ছ ছ'চাইটিৰ কামৰূপ জিলা সমিতিৰ সম্পাদক এচ. আৰ. এম. মৃদুলে ৰক্তদানৰ স্বাস্থ্য সুৰক্ষা আৰু ইয়াৰ স্বাস্থ্য উপকাৰিতাসমূহ চমুকৈ উল্লেখ কৰে। এইৰক্তদান শিবিৰত অসম ৰাজ্যিক ৰক্ত সংৰচণ পৰিষদৰ (ASBTC) চিকিৎসকৰ দ'ল, ভাৰতীয় ৰেড ক্ৰ'ছ ছ'চাইটিৰ বিষয়ববীয়া; যথেষ্ট সংখ্যক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে। অনুষ্ঠানত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰগ্ৰাম অফিচাৰ ড° বাপুকণ শইকীয়াই উল্লেখ কৰে যে বুজন সংখ্যক NSS Volunteers, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, NCC Cadets, শিক্ষক-কৰ্মচাৰী তথা স্থানীয় ৰাইজে এই শিবিৰত ৰক্তদান কৰাৰ লগতে তেওঁলোকৰ সহযোগিতা, দায়বদ্ধতা আৰু সেৱাৰ মনোভাৱে এই শিবিৰক সফলতাৰ শিখৰত উপনীত কৰাত সহায় কৰে। ড° শইকীয়াই অনাগত দিনতো মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে নিঃস্বাৰ্থভাৱে সমাজসেৱা তথা মহান মানৱীয় কৰ্মত ব্ৰতী হৈ থাকিব বুলি অৱগত কৰে।

চেঙাত চুৰিৰ অভিযোগত ১৯ বছৰীয়া যুৱকক কৰায়ত্ব কৰি আৰক্ষীৰ হাতত গতাই দিলে ৰাইজে

অসম বাৰ্তা, চেঙা, ১ জুলাই ঃ বৰপেটা জিলাৰ চেঙা আৰক্ষী থানাৰ অন্তৰ্গত চেঙা গাঁৱত সংঘটিত এক চুৰিৰ ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। গৃহস্থৰ ঘৰত প্ৰৱেশ কৰি ইলেক্ট্ৰনিক পানীৰ মটৰ চুৰি কৰি থাকোঁতে এজন ১৯ বছৰীয়া যুৱকক স্থানীয় ৰাইজে হাতে-লোটে ধৰি আৰক্ষীৰ হাতত গতাই দিয়ে। জানিব পৰা মতে, ধৃত যুৱকজন হৈছে জাইদুল ইছলাম (১৯)। তেওঁৰ পিতাৰ নাম মইদুল ইছলাম। তেওঁ চেঙা মুচলন্ত গাঁৱৰ আদৰ্শ স্কুলৰ সমীপৱৰ্তী অঞ্চলৰ বাসিন্দা। অভিযোগ অনুসৰি, শুকুৰবাৰে দিনৰ ভাগত চেঙা গাঁৱৰ মাজপাৰাৰ বাসিন্দা ভবিন দাসৰ বাসগৃহত কোনো লোক নথকাৰ সুযোগ লৈ অভিযুক্ত যুৱকজনে ঘৰত প্ৰৱেশ কৰে। সেই সময়তে ঘৰৰ ভিতৰত থকা ইলেক্ট্ৰনিক পানীৰ মটৰ চুৰি কৰাৰ চেষ্টা চলাই থকা অৱস্থাত ঘৰৰ লোক আৰু কাষৰীয়া বাসিন্দাসকলে বিষয়টো লক্ষ্য কৰে। লগে লগে স্থানীয় ৰাইজ একত্ৰিত হৈ যুৱকজনক পলাবলৈ নিদি ঘটনা স্থলীতেই হাতে-লোটে আটক কৰিবলৈ সক্ষম হয়। ঘটনাৰ খবৰ তৎক্ষণাত তাৰাবাৰী আৰক্ষীক দিয়া হয়। খবৰ পাই আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ ধৃত যুৱকজনক নিজৰ জিম্মালৈ লয়। আৰক্ষীয়ে ঘটনা স্থলীৰ পৰা প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰাৰ লগতে অভিযোগৰ ভিত্তিত তদন্ত আৰম্ভ কৰিছে। চুৰি কৰিবলৈ চেষ্টা কৰা ইলেক্ট্ৰনিক সামগ্ৰীৰ বিষয়ে আৰক্ষীয়ে অধিক অনুসন্ধান অব্যাহত ৰাখিছে। স্থানীয় বাসিন্দাসকলৰ অভিযোগ অনুসৰি, ধৃত যুৱকজনৰ বিৰুদ্ধে পূৰ্বৰ পৰাও অঞ্চলটোত সংঘটিত কেইবাটাও চুৰি কাণ্ডৰ সন্দেহ প্ৰকাশ কৰা হৈছিল। ঘটনাটোৰ পিছতে সমগ্ৰ চেঙা অঞ্চলত চাঞ্চল্যৰ সৃষ্টি হৈছে। স্থানীয় বাসিন্দাসকলে অঞ্চলটোত ক্ৰমাৎ বৃদ্ধি পোৱা চুৰিৰ ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰি নিশাৰ সময়ত আৰক্ষীৰ টহল অধিক জোৰদাৰ কৰাৰ দাবী জনাইছে। একে সময়তে বাসিন্দা সকলকো নিজৰ ঘৰ-দুৱাৰ আৰু মূল্যৱান সামগ্ৰী সুৰক্ষিতভাৱে সংৰক্ষণ কৰাৰ বাবে সজাগ থকাৰ আহ্বান জনোৱা হৈছে। ইফালে, আৰক্ষীয়ে ঘটনাটোৰ সকলো দিশ খতিয়ান লৈ তদন্ত অব্যাহত ৰাখিছে। অভিযুক্ত যুৱকজনক সোধা-পোছাৰ জৰিয়তে অধিক তথ্য সংগ্ৰহ কৰাৰ চেষ্টা চলি আছে।

বাঁহবাৰীৰ ১ নং শামুকীয়াত চাওঁতালী বিদ্ৰোহৰ ১৭১ সংখ্যক 'হুল মাহা' (সংহতি) দিৱস উদ্‌যাপন

অসম বাৰ্তা, ঢেকীয়াজুলি, ১ জুলাই ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত বাঁহবাৰীৰ ১ নং শামুকীয়া গাঁৱত ৩০ জুন তাৰিখে চাওঁতালী বিদ্ৰোহৰ ১৭১ সংখ্যক 'হুল মাহা' (সংহতি) দিৱস গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত উদ্‌যাপন কৰা হয়। শোণিতপুৰ জিলা চাওঁতালী সাহিত্য পৰিষদৰ উদ্যোগত, বাঁহবাৰী আঞ্চলিক সমিতি আৰু ১ নং শামুকীয়া চাওঁতালী যুৱ সংঘৰ সহযোগত আয়োজিত এই অনুষ্ঠানত ৰাষ্ট্ৰীয় শ্বহীদ বীৰ সিদু মুৰ্মু আৰু কানহু মুৰ্মুক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়। পুৱা ৯ বজাত পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণৰ জৰিয়তে অনুষ্ঠানৰ শুভাৰম্ভ হয়। অনুষ্ঠানটি সঞ্চালনা কৰে চাওঁতালী সাহিত্য পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক বিজয় টুডুৱে। শোণিতপুৰ জিলা চাওঁতালী সাহিত্য পৰিষদৰ সভাপতি কৃষ্ণকান্ত মাঝিয়ে পৰিষদৰ পতাকা উত্তোলন কৰে। অনুষ্ঠানত শোণিতপুৰ জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা চাওঁতালী সমাজৰ বহু লোক উপস্থিত থাকি হুল বিদ্ৰোহৰ বীৰ শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জনায়। সমগ্ৰ ১ নং শামুকীয়া গাঁৱত উৎসৱমুখৰ আৰু উদুলিমুদুলি পৰিৱেশে বিৰাজ কৰে। অনুষ্ঠান সফলভাৱে সম্পন্ন কৰাত সহযোগিতা আগবঢ়োৱা সকলো ব্যক্তি, স্বেচ্ছাসেৱক আৰু শুভাকাংক্ষীক কৃতজ্ঞতা জ্ঞাপন কৰে শোণিতপুৰ জিলা চাওঁতালী সাহিত্য পৰিষদৰ সভাপতি কৃষ্ণকান্ত মাঝি, সম্পাদক বিৰেন চাওঁতাল, বাঁহবাৰী আঞ্চলিক সমিতিৰ সভাপতি মহেশ্বৰ চাওঁতাল, সম্পাদক দেৱকান্ত মাঝি, ১ নং শামুকীয়া চাওঁতালী যুৱ সংঘৰ সভাপতি ৰতন চাওঁতাল, সম্পাদক লক্ষ্মীৰাম চাওঁতাল আৰু উদ্‌যাপন সমিতিৰ সভাপতি মহেশ্বৰ চাওঁতাল, সম্পাদক ৰণজিত চাওঁতাল তথা কোষাধ্যক্ষ শিবু চৰেনে।

কলাবাৰীৰ কেকোঁৰাবাৰীৰ চহা খেতিয়কৰ ৩ টাকৈ গৰু চুৰি

অসম বাৰ্তা, গহপুৰ, ১ জুলাই ঃ ধাৰাবাহিকভাৱে অব্যাহত থকা চুৰি কাণ্ড ৰোধ কৰাত চূড়ান্ত ভাবে ব্যৰ্থ হোৱা গহপুৰ আৰক্ষীক নিধিৰাম চৰ্দাৰ বুলি অভিহিত কৰিছে ভুক্তভোগী ৰাইজে। মুখ্যমন্ত্ৰীৰ স্মাৰ্ট আৰক্ষী এক কথাত খোলাকটি তালত পৰিণত হৈছে গহপুৰত। গহপুৰ আৰক্ষী থানাৰ অধীনস্থ হাৰাজান আৰক্ষী চকীৰ এলেকাধীন কলাবাৰীৰ কেকোঁৰাবাৰীৰ পৰা যোৱা নিশা এটা চহা কৃষক পৰিয়ালৰ ঘৰৰ চোতালৰ পৰা চুৰি হয় তিনিটাকৈ গো-ধন। গো পালন কৰি পৰিয়াল পোহপাল দি অহা খাটিখোৱা কৃষক পৰিয়ালটোৰ চোতালৰ পৰা এহাল বলধ গৰু আৰু এটা দমৰা গৰু চোৰে লৈ যায় বুলি জানিব পৰা গৈছে। আনৰ খেতি আধি কৰি পেটে-ভাতে কোনোমতে খাই থকা ৰাজু মহন্তৰ পৰিয়ালটোৱে উক্ত গৰু চুৰিকাণ্ডৰ পিছত কান্দোনত ভাগি পৰিছে। কলাবাৰীৰ কেঁকোৰাবাৰীত গৰু চোৰৰ উপদ্ৰৱত এতিয়া স্থানীয় গোপালক সকলে ত্ৰাহি মধুসূদন সুঁৱৰিব লগীয়া হৈছে।

ছাত্ৰ-ছাত্ৰীৰ মাজত গ্ৰীষ্মকালীন নাট্য কৰ্মশালা

দেৰগাঁৱত নাট গুঞ্জৰন ২০২৬ৰ আৰম্ভণি

অসম বাৰ্তা, দেৰগাঁও, ১ জুলাই ঃ দেৰগাঁও অজিত শৰ্মা নাট্য বিদ্যালয়ৰ উদ্যোগত শান্তি মিলন সাংস্কৃতিক গোষ্ঠীৰ সহযোগত অনুষ্ঠিত নাট গুঞ্জৰন ২০২৬ৰ আৰম্ভণি অনুষ্ঠানৰ বিশেষ কাৰ্যসূচী গ্ৰীষ্মকালীন নাট্য কৰ্মশালাৰ প্ৰথম দিনাৰ পুৱা কৰ্মশালাৰ উদ্বোধন কৰে দেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ড° মৃদুল কুমাৰ দত্তই। দেৰগাঁও আফুৱা গাঁওস্থিত অজিত শৰ্মা নাট্য বিদ্যালয়ত অনুষ্ঠিত কৰ্মশালাৰ আৰম্ভণি অনুষ্ঠানটো যুৱ সাংবাদিক, বিদ্যালয়ৰ সম্পাদক অনাদি কুমাৰ বৰঠাকুৰে আঁত ধৰে। অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত অজিত শৰ্মা, প্ৰাণৰ শিল্পী ভূপেন হাজৰিকা, জুবিন গাৰ্গ, নটসূৰ্য ফণী শৰ্মালৈ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। শান্তি মিলন সাংস্কৃতিক গোষ্ঠীৰ সভাপতি দ্বীপেন বৰঠাকুৰ, সমাজকৰ্মী, শিক্ষক দিলিপ হাজৰিকা, আফুৱা গাঁও নামঘৰ পৰিচালনা সমিতিৰ সভাপতি, সাংস্কৃতিক কৰ্মী সব্যসাচী নেওঁগে এই কাৰ্যসূচী ৰূপায়ণ কৰে। তাৰ পিছতে স্বাস্থ্য বিভাগৰ প্ৰাক্তন যুটিয়া সঞ্চালক ডাঃ অপূৰ্ব শৰ্মাই বন্তি প্ৰজ্বলন কৰি প্ৰশিক্ষণৰ বাবে গৃহটি মুকলি কৰে। তাৰ পিছতে বহু গণ্যমান্য ব্যক্তিৰ উপস্থিতিত সম্পন্ন হোৱা মুকলি অনুষ্ঠানত উপস্থিত থাকে সমাজকৰ্মী, লেখক প্ৰদীপ খাদৰীয়া, সমাজকৰ্মী শম্ভু সোমানী, সুধাংশু বল্লভ গোস্বামী, দেৰগাঁও চেম্বাৰ্ছ অৱ কমাৰ্চৰ সম্পাদক, অভিনেতা প্ৰদীপ কাব্ৰা, মাৰৱাড়ী যুৱ মঞ্চৰ ৰাষ্ট্ৰীয় সহঃ সম্পাদক নিতেশ ৰালদোৱা, শিক্ষক প্ৰজ্ঞা সুন্দৰ হাজৰিকা, দেৰগাঁৱৰ জ্যেষ্ঠ সাংবাদিক দীপক শইকীয়া, বৰুৱাবামুণ গাঁও পঞ্চায়তৰ সভানেত্ৰী মৌচুমী বৰা, ৱাৰ্ড সদস্য চন্দ্ৰমা হাজৰিকা, নাট্য বিদ্যালয়ৰ উপদেষ্টা অৱনী বৰঠাকুৰ, সভানেত্ৰী ৰূপালী দেৱী, দৰ্শন প্ৰতিম শৰ্মা, বাসন্তী নাথ, ববিতা ঘোষ আনহাতে উপদেষ্টা মোহন বৰুৱা, সঞ্জীৱ দাস, সাহিত্য বিভাগৰ সম্পাদিকা পূৰৱী গোস্বামী, সাংস্কৃতিক সদস্য প্ৰান্তীক দাস, তন্ময় হাজৰিকা, টিংকু দাসৰ লগতে আফুৱা গাঁও নামঘৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া সকল, আৰু দেৰগাঁৱৰ বিভিন্ন স্তৰৰ ৰাইজৰ উপস্থিতিত সম্পন্ন হোৱা মুকলি অনুষ্ঠানত উপস্থিত ৰাইজে প্ৰশিক্ষক মামু নাথ, ৰিংকু বৰা, সুমন্ত কুমাৰ হাজৰিকা, অনাদি বৰঠাকুৰক শুভেচ্ছা জনায়।

ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকৰ মৌন প্ৰতিবাদ

দুষ্কৃতিকাৰীয়ে ভাঙিলে মাজুলী ফুলনি উচ্চ মাধ্যমিক বিদ্যালয়ৰ আচবাব

অসম বাৰ্তা, উজনী মাজুলী, ১ জুলাই ঃ মাজুলী ফুলনি আৰক্ষী চকীৰ পৰা প্ৰায় ৫০০ মিটাৰ নিলগত থকা ফুলনি উচ্চ মাধ্যমিক বিদ্যালয়ত কোনো দুস্কৃটিকাৰীয়ে দুদিন পূৰ্বে ৰাতি বিদ্যালয়ৰ বিভিন্ন সামগ্ৰী ভাঙি লণ্ড-ভণ্ড কৰে। বিদ্যালয়ৰ দৰ্জা, খিৰিকী, বাথৰূমৰ দৰ্জা খিৰিকী, পানীৰ পাইপ, পানীৰ টেপ, ফেনকে ধৰি বিভিন্ন সামগ্ৰী ভাঙি তচনচ কৰে। ইয়াকে লৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় দল সংগঠনে আজি মৌন প্ৰতিবাদ কাৰ্যসূচী গণ কাৰ্যসূচী গ্ৰহণ কৰে বিদ্যালয়ৰ চৌহদত। উচ্চ মাধ্যমিক বিদ্যালয় খনত প্ৰায় ৫০০ ছাত্ৰ-ছাত্ৰীৰ বিপৰিতে উন্নত মানৰ নহয় আন্তঃগাঁথনি। বিদ্যালয় খনত আছে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কেন্দ্ৰ। মেট্ৰিক চেণ্টাৰ থকাৰ পিছতো বিদ্যালয়খনত নাই স্থায়ী বাউণ্ডেৰী ৱাৰ্ল। ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকসকলে বিদ্যালয়খনৰ চাৰিসীমাত স্থায়ী বাউণ্ডেৰী ৱাৰ্লৰ নিৰ্মাণ কৰা দাবী তোলাৰ লগতে দুস্কৃতিকাৰীক চিনাক্ত কৰি শাস্তীৰ দাবী তুলিছে।

স্থানীয় ক্লাৱৰ সন্মুখৰ জংঘলত মৃতদেহ প্ৰত্যক্ষ কৰাৰ পাছতেই সৃষ্টি চাঞ্চল্য; তদন্ত আৰম্ভ আৰক্ষীৰ

বঙাইগাঁৱৰ মহাবীৰস্থানত পুনৰ অচিনাক্ত মৃতদেহ উদ্ধাৰ; ৰহস্যৰ আৱৰ্তত সমগ্ৰ অঞ্চল

অসম বাৰ্তা, বঙাইগাঁও, ১ জুলাই ঃ বঙাইগাঁৱৰ মহাবীৰস্থান অঞ্চলত পুনৰ এক চাঞ্চল্যকৰ ঘটনা পোহৰলৈ আহিছে। আজি মহাবীৰস্থানস্থিত 'Youth Cultural Troops' ক্লাৱৰ সন্মুখৰ জংঘলত এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হোৱাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, আজি প্ৰথমে স্থানীয় ৰাইজে ক্লাৱটোৰ সন্মুখত থকা জংঘলত মৃতদেহটো পৰি থকা অৱস্থাত প্ৰত্যক্ষ কৰে। এই খবৰ বিয়পি পৰাৰ লগে লগে অঞ্চলটোত হুৱা-দুৱা লাগে। খবৰ পোৱা মাত্ৰকে বঙাইগাঁও আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। মৃতদেহটো প্ৰকৃততে কাৰ, তেওঁৰ পৰিচয় কি আৰু কেনেকৈ সেই জংঘলত মৃতদেহটো আহিল, সেয়া এতিয়ালৈকে পোহৰলৈ অহা নাই। সমগ্ৰ ঘটনাটো বৰ্তমান এক ৰহস্যৰ আৱৰ্তত আছে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত দণ্ডাধীশ উপস্থিত হয় আৰু তেওঁৰ উপস্থিতিতে আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। আৰক্ষীয়ে মৃতদেহটোৰ পৰিচয় উদ্ধাৰৰ লগতে সমগ্ৰ ঘটনাৰ উচিত তদন্ত আৰম্ভ কৰিছে।

কাছাৰপেটী উচ্চ মাধ্যমিক বিদ্যালয়ত নতুনকৈ নিৰ্মিত গণিত আৰু বিজ্ঞান পৰীক্ষাগাৰৰ শুভ উদ্বোধন

অসম বাৰ্তা, অভয়াপুৰী, ১ জুলাই ঃ বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষা খণ্ডৰ অন্তৰ্গত কাছাৰপেটী উচ্চ মাধ্যমিক বিদ্যালয়ত নতুনকৈ নিৰ্মিত গণিত আৰু বিজ্ঞান পৰীক্ষাগাৰৰ শুভ উদ্বোধন কৰা হয়। পৰীক্ষাগাৰটো উদ্বোধন কৰে সৃজনগ্ৰাম সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক নুৰুল ইছলামে। বিদ্যালয়খনৰ চৌহদত অনুষ্ঠিত এক অনুষ্ঠানৰ মাজেৰে গণিত আৰু বিজ্ঞান পৰীক্ষাগাৰৰ আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে সৃজনগ্ৰাম সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক নুৰুল ইছলামে। অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰধান শিক্ষক জহিৰুল ইছলাম, প্ৰাক্তন প্ৰধান শিক্ষক ময়নুল হক চৌধুৰী, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মফিদুল ইছলাম, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু বহু স্থানীয় ৰাইজ উপস্থিত থাকে। উদ্বোধনী ভাষণত বিধায়ক নুৰুল ইছলামে শিক্ষাৰ মান উন্নয়নত আধুনিক পৰীক্ষাগাৰৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। ইয়াৰ পিছতে তেওঁ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে মত-বিনিময় কৰি বিদ্যালয়খনৰ বিভিন্ন দিশ আৰু শিক্ষাৰ উন্নয়ন সন্দৰ্ভত আলোচনা কৰে। নতুন পৰীক্ষাগাৰটো আৰম্ভ হোৱাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে হাতে-কলমে বিজ্ঞান আৰু গণিত শিক্ষা লাভৰ ক্ষেত্ৰত অধিক সুবিধা লাভ কৰিব বুলি আশা প্ৰকাশ কৰে উপস্থিত সকলে।

দেৰগাঁৱত লোমহৰ্ষক হত্যাকাণ্ড; পথৰ ওপৰত মুকলিকৈ হত্যা এজন ব্যক্তিক

অসম বাৰ্তা, দেৰগাঁও, ২ জুলাই ঃ দেৰগাঁৱৰ ছ-গুৰি কছাৰী গাঁৱত বুধবাৰে নিশা প্ৰায় ১১ বজাত সংঘটিত হয় এক লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনা। পাপু ৰাজবংশী নামৰ এজন লোকৰ চোকা অস্ত্ৰৰ আক্ৰমণত নিহত হয় ৰঞ্জিত দাস নামৰ এজন ব্যক্তি। ঘটনা অনুসৰি নিশা অঞ্চলটোৰ লোকসকলে হুলস্থুলৰ শব্দ শুনি পথলৈ ওলাই আহি প্ৰত্যক্ষ কৰে যে পাপু ৰাজবংশী নামৰ লোকজনে আক্ৰমণ কৰি নিহত কৰে এজন ব্যক্তিক। ঘটনাস্থলীত সেই সময়ত উপস্থিত হোৱা ৰাইজে কৰায়ত্ত কৰি এজোপা গছত বান্ধি ৰাখে পাপু ৰাজবংশী নামৰ ঘাটকটোক। আৰক্ষী ঘটনাস্থলীত উপস্থিত হোৱাৰ পাছত চিনাক্ত হোৱা মৃত লোকজন সম্বন্ধত পাপু ৰাজবংশীৰ বৰদেউতাক নেঘেৰিটিঙৰ ৰঞ্জিত দাস বুলি জানিব পৰা গৈছে। কি পৰিস্থিতিত লোকজন ঘটনাস্থলীত উপস্থিত হৈছিল অথবা এই হত্যাকাণ্ড কিয় সংঘটিত হ'ল, সেয়া আৰক্ষীৰ তদন্তত হে পোহৰলৈ আহিব। উল্লেখ্য যে যে পাপু ৰাজবংশী নামৰ অভিযুক্ত লোকজনে কেইবছৰমানৰ পূৰ্বে নিজৰেই মোমায়েকক হত্যা কৰাৰ অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল যদিও পুনৰ মুকলি আকাশৰ তললৈ ওলাই আহিবলৈ সক্ষম হয় লোকজনপূৰ্বে নিজৰেই মোমায়েকক হত্যা কৰাৰ অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল যদিও পুনৰ মুকলি আকাশৰ তললৈ ওলাই আহিবলৈ সক্ষম হয় লোকজন। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলযুৰি চাঞ্চল্যৰ সৃষ্টি হয়।

ভাৰত-জাপান বায়'গেছ প্ৰকল্প

দুয়োখন দেশৰ সম্পৰ্কৰ "আটাইতকৈ শক্তিশালী স্তম্ভ" বুলি অভিহিত কৰে। লগতে জাপানৰ নিখুঁত প্ৰযুক্তি আৰু ভাৰতৰ ছফ্‌টৱেৰৰ ক্ষমতাক একত্ৰিত কৰি বিশ্বজনীন কৃত্ৰিম বুদ্ধিমত্তা (এআই) বিকাশত সহায় কৰাৰ প্ৰতিজ্ঞা পুনৰ দৃঢ় কৰে। নতুন দিল্লীস্থিত হায়দৰাবাদ হাউছত জাপানৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ছানাই টাকাইচিৰ সৈতে দ্বিপাক্ষিক বৈঠক আৰু প্ৰতিনিধি পৰ্যায়ৰ আলোচনা সমাপ্ত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে সংবাদমেল সম্বোধন কৰে। তেওঁ কয় যে দুয়ো দেশৰ মাজত এআই সহযোগিতাৰ মূল চুক্তি স্বাক্ষৰিত হোৱাৰ লগতে কেইবাটাও ভাৰতীয় এআই প্ৰতিষ্ঠানে জাপানীজ অংশীদাৰৰ সৈতে পৃথক চুক্তি সম্পন্ন কৰিছে। "প্ৰধানমন্ত্ৰী টাকাইচি আৰু মই বিশ্বাস কৰোঁ যে প্ৰযুক্তিৰ অংশীদাৰিত্ব আমাৰ সহযোগিতাৰ আটাইতকৈ শক্তিশালী স্তম্ভ হৈ পৰিব। জাপানৰ নিখুঁত প্ৰযুক্তি আৰু ভাৰতৰ ছফ্‌টৱেৰৰ ক্ষমতাৰ সংমিশ্ৰণে বিশ্বজনীন এআই বিকাশত নতুন গতি প্ৰদান কৰিব, "- মোদীয়ে কয়। ইফালে, প্ৰতিৰক্ষা খণ্ডত উল্লেখযোগ্য অগ্ৰগতি হয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে অৱগত কৰে যে ভাৰত আৰু জাপানৰ মাজত প্ৰথম সহ-উন্নয়ন প্ৰকল্পৰ চুক্তি স্বাক্ষৰিত হৈছে। নৌসেনাৰ 'ইউনিকৰ্ণ' ৰেডিঅ' এণ্টিনা সম্পৰ্কীয় এই প্ৰকল্পই দুয়ো দেশৰ প্ৰতিৰক্ষা প্ৰযুক্তি অংশীদাৰিত্বৰ এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি তেওঁ কয়। "এই প্ৰকল্পই সামুদ্ৰিক নিৰাপত্তা, আঞ্চলিক শান্তি আৰু নিয়মভিত্তিক শৃংখলা শক্তিশালী কৰাত সহায় কৰিব, "- মোদীয়ে উল্লেখ কৰে। স্বাস্থ্যসেৱা ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। ফাৰ্মাচিউটিকেল, চিকিৎসা সঁজুলি আৰু জৈৱ প্ৰযুক্তিৰ ক্ষেত্ৰত স্বাক্ষৰিত চুক্তিসমূহে বিশ্ব স্বাস্থ্য সুৰক্ষাত অৰিহণা যোগাব বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। "ভাৰতৰ পৰিসৰ আৰু জাপানৰ গুণমানক একত্ৰিত কৰি আমি বিশ্বলৈ সুলভ মূল্যৰ, নিৰ্ভৰযোগ্য আৰু উন্নত স্বাস্থ্য সমাধান প্ৰদান কৰিম, "- তেওঁ কয়। বৈঠকৰ এক অন্যতম মুখ্য দিশ আছিল শক্তি সুৰক্ষা। প্ৰধানমন্ত্ৰী মোদীয়ে 'ভাৰত-জাপান বায়'গেছ পদক্ষেপ' ঘোষণা কৰে। এই উদ্যোগৰ অধীনত ভাৰতত ১০০০টা বায়'গেছ আৰু জৈৱিক সাৰ উদ্যোগ স্থাপন কৰা হ'ব। "ইয়াৰ দ্বাৰা ভাৰতৰ গাঁওসমূহৰ বহনক্ষমতা, সমৃদ্ধি আৰু গ্ৰাম্য জীৱিকাৰ ক্ষেত্ৰত নতুন শক্তি লাভ কৰিব। ই আমাৰ গোবৰ-ধন পদক্ষেপক অধিক শক্তিশালী কৰিব, "- মোদীয়ে কয়। এই ক্ষেত্ৰত সহযোগিতা চুক্তি ভাৰতৰ সহযোগিতা মন্ত্ৰণালয় আৰু পশুপালন বিভাগ আৰু জাপানৰ অৰ্থনীতি, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰণালয়ৰ মাজত স্বাক্ষৰিত হয়। জাপানৰ প্ৰধানমন্ত্ৰী টাকাইচিয়েও নিজৰ ভাষণত এই পদক্ষেপৰ প্ৰতি সঁহাৰি দিয়ে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰৱৰ্তন কৰা 'জাপান-ভাৰত কোঅপাৰেটিভ বায়'গেছ ফৰ গ্ৰ'থ' (চিবিজি) পদক্ষেপৰ জৰিয়তে গৰুৰ গোবৰৰ পৰা শক্তি উৎপাদন কৰি ১০০০টা জৈৱ গেছ উদ্যোগ নিৰ্মাণৰ লক্ষ্য সফল কৰাত সহায় আগবঢ়োৱা হ'ব। বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে জাপানৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী টাকাইচিক আদৰণি জনাই তেওঁক "কনিষ্ঠ ভগ্নী" (চোটি বেহেন) বুলি সম্বোধন কৰে। তেওঁ কয়, "তেওঁ এগৰাকী দূৰদৰ্শী, জনপ্ৰিয় নেত্ৰী আৰু জাপানৰ নাৰা প্ৰিফেকচাৰৰ পৰা অহা, যি ভাৰত-জাপান বৌদ্ধ ঐতিহ্যৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ।" এই ঐতিহাসিক বৈঠকৰ যোগে ভাৰত-জাপান সম্পৰ্ক নতুন মাইলৰ খুঁটি স্থাপন কৰিলে বুলি ৰাজনৈতিক আৰু কূটনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

ভাৰত-জাপান বাৰ্ষিক শীৰ্ষ সন্মিলনত জাপানী

আৰু আন কেইবাগৰাকী উচ্চপদস্থ বিষয়া এই আলোচনাত উপস্থিত থাকে। দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক, আঞ্চলিক আৰু বিশ্বব্যাপী পৰ্যায়ৰ বিভিন্ন বিষয়ত মতবিনিময় কৰিবলৈ এই বৈঠকখন আয়োজন কৰা হৈছিল। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদী আৰু জাপানী সমকক্ষ টাকাইচিয়ে একান্তভাৱে দ্বিপাক্ষিক বৈঠকতো মিলিত হয়। এই বৈঠকক দুয়ো দেশৰ বিশেষ অংশীদাৰিত্বৰ বন্ধন সুদৃঢ় কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য কৰা হৈছে। আলোচনাৰ প্ৰাকক্ষণত জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীক ৰাষ্ট্ৰপতি ভৱনত এক আনুষ্ঠানিক ৰাজকীয় সন্মানেৰে আদৰণি জনোৱা হয়। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে নিজৰ কেবিনেটৰ সতীৰ্থ আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলক জাপানী প্ৰধানমন্ত্ৰীৰ সৈতে চিনাকি কৰাই দিয়ে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ চৰকাৰী মুখপাত্ৰ শ্ৰী ৰণধীৰ জয়ছোৱালে সামাজিক মাধ্যম এক্সযোগে এই সাক্ষাৎৰ ছবি আপলোড কৰি কয়, "আমাৰ বিশেষ অংশীদাৰিত্ব আৰু অধিক শক্তিশালী কৰিব। জাপানৰ প্ৰধানমন্ত্ৰী ছানাই টাকাইচিক ৰাষ্ট্ৰপতি ভৱনত উষ্ম আদৰণি জনোৱা হয়।" প্ৰধানমন্ত্ৰী মোদীৰ আমন্ত্ৰণত জাপানৰ প্ৰধানমন্ত্ৰীগৰাকী ৰ জুলাইৰ পৰা, জুলাইলৈ তিনিদিনীয়া ৰাষ্ট্ৰীয় ভ্ৰমণত ভাৰতত উপস্থিত আছে। এই ভ্ৰমণৰ মূল সূচীৰ অন্তৰ্গত ৰছ সংখ্যক ভাৰত-জাপান বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ। এই সন্মিলনত দুয়ো দেশৰ মাজত দ্বিপাক্ষিক সহযোগিতা পৰ্যালোচনা কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থসৈতে জড়িত আঞ্চলিক আৰু বিশ্বব্যাপী সমসাময়িক বিষয়সমূহত গভীৰভাৱে আলোকপাত কৰা হ'ব বুলি আশা কৰা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই বাৰ্ষিক সন্মিলনে দুয়োখন দেশৰ কৌশলগত, অৰ্থনৈতিক, প্ৰযুক্তিগত আৰু নিৰাপত্তা ক্ষেত্ৰত সহযোগিতাৰ বাবে এক অনন্য সুযোগ সৃষ্টি কৰিব। কূটনৈতিক সূত্ৰই জানিবলৈ দিয়া মতে, বৈঠকখনত সামুদ্ৰিক সুৰক্ষা, প্ৰতিৰক্ষা প্ৰযুক্তিৰ যৌথ বিকাশ, আৰু বংগোপসাগৰক ভাৰতৰ উত্তৰ-পূব ৰাজ্যবোৰৰ সৈতে সংযোগ কৰা "ঔদ্যোগিক মূল্য শৃংখল" সম্প্ৰসাৰণৰ দিশটো বিশেষভাৱে গুৰুত্ব পাব। উল্লেখযোগ্য যে, ২০২৫ চনৰ আগষ্ট মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰপ্ত সংখ্যক ভাৰত-জাপান বাৰ্ষিক শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ বাবে টকিঅ' ভ্ৰমণ কৰিছিল। তাৰ পিছতেই এইবাৰ জাপানী প্ৰধানমন্ত্ৰীৰ ভাৰত ভ্ৰমণে দুয়ো দেশৰ সম্পৰ্কৰ গভীৰতা আৰু পাৰস্পৰিক বিশ্বাসক প্ৰতিফলিত কৰে। আগন্তুক দিনবোৰত এই আলোচনাৰ যোগে ভাৰত-জাপান মৈত্ৰী নতুন উচ্চতাত উপনীত হ'ব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

বানপীড়িতসকলৰ পুনৰ সংস্থাপন আৰু

ড° হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে নতুন দিল্লীত কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা আৰু সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী শ্ৰী কিৰেণ ৰিজিজুক সাক্ষাৎ কৰি ৰাজ্যৰ বান পৰিস্থিতি সন্দৰ্ভত গভীৰভাৱে আলোচনা কৰে। বৈঠকখনত মুখ্যমন্ত্ৰীগৰাকীয়ে বানপীড়িত লোকসকললৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কেনেদৰে অধিক ফলপ্ৰসূ সহায় আগবঢ়াব পাৰে, লগতে ক্ষতিগ্ৰস্ত অঞ্চলসমূহত পুনৰ সংস্থাপন কাৰ্যক কেনেদৰে দ্ৰুতগতিত সম্পন্ন কৰিব পাৰি, সেই বিষয়বোৰত গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে বৈঠকৰ পাছত সাংবাদিকসকলক কয়, "আমাৰ ডাবল ইঞ্জিনৰ চৰকাৰে এই বিষয়টোত ক্ষিপ্ৰতাৰে সিদ্ধান্ত গ্ৰহণ কৰিব। ইতিমধ্যে আমি বানত ক্ষতিগ্ৰস্ত লোকসকলক পুনৰ সংস্থাপন দিয়াৰ কামত গুৰুত্ব আৰোপ কৰিছো।" উল্লেখ্য যে, এই বিশেষ বৈঠকখনত বাৰিষাৰ প্ৰথম প্ৰবল বানপানীয়ে ৰাজ্যত সৃষ্টি কৰা ধ্বংসযজ্ঞৰ পিছত আগবঢ়াবলগীয়া সাহায্য আৰু পুনৰ্বাসনৰ বাবে কেন্দ্ৰ আৰু অসম চৰকাৰৰ মাজৰ সমন্বয়ৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব শ্ৰী কে কে দ্বিবেদী আৰু অসম ভৱনৰ আবাসিক আয়ুক্ত শ্ৰীমতী কবিতা পদ্মনাভন উপস্থিত আছিল। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অসমৰ বান পৰিস্থিতি পৰ্যবেক্ষণ কৰিবলৈ শেহতীয়াকৈ অসম ভ্ৰমণ কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। ইয়াৰ লগতে মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যম এক্সত (পূৰ্বৰ টুইটাৰ) পোষ্ট দি কয়, "আজি দিল্লীত মাননীয় কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু ডাঙৰীয়াৰ সৈতে এক ফলপ্ৰসূ বৈঠকত অংশগ্ৰহণ কৰোঁ। শেহতীয়াকৈ অসম ভ্ৰমণ কৰি বান পৰিস্থিতিৰ বুজ লোৱাৰ বাবে তেওঁৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আমাৰ বৈঠকৰ সময়ত তেওঁ কিছুমান অতি মূল্যৱান পৰামৰ্শ আগবঢ়াইছিল।" প্ৰত্যুত্তৰত কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱেও সামাজিক মাধ্যমত নিজৰ পোষ্টত উল্লেখ কৰে যে তেওঁ অসমৰ মুখ্যমন্ত্ৰীক নতুন দিল্লীস্থিত নিজ বাসগৃহত সাক্ষাৎ কৰিছে। বাৰিষাৰ বানৰ সময়ত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সক্ৰিয় ব্যৱস্থাৰ বাবে তেওঁ মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰশংসা কৰে। মন্ত্ৰী ৰিজিজুৱে লিখে, "অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক নতুন দিল্লীত থকা মোৰ বাসগৃহত সাক্ষাৎ কৰিলোঁ। বাৰিষাৰ বানৰ সময়ত অসমৰ জনসাধাৰণক সুৰক্ষিত কৰিবলৈ গ্ৰহণ কৰা সক্ৰিয় ব্যৱস্থাৰ বাবে তেওঁ প্ৰশংসাৰ পাত্ৰ। তেওঁৰ গতিশীল নেতৃত্বত অসমে অভূতপূৰ্ব বিকাশৰ স্তৰত উপনীত হৈছে।" ইফালে, মুখ্যমন্ত্ৰীয়ে ৰাজ্যবাসীক আশ্বস্ত কৰি কয় যে বানপানীৰ এই দুৰ্যোগময় পৰিস্থিতিত চৰকাৰ পূৰ্ণ প্ৰস্তুত আৰু ক্ষতিগ্ৰস্ত সকলো লোকক পুনৰ স্বাভাৱিক জীৱনলৈ ঘূৰাই অনাৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰা হ'ব। আগন্তুক দিনবোৰত ৰাজ্য আৰু কেন্দ্ৰৰ সন্মিলিত প্ৰচেষ্টাত বানপীড়িতসকলৰ বাবে অধিক সাহায্য আৰু দীৰ্ঘম্যাদী পুনৰ্বাসন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰে।

বেংগালুৰুত শিল কুৱেৰী দুৰ্ঘটনাত

ভৰ্তি কৰোৱা হয়, য'ত গুৰুতৰভাৱে আহত চোট্টু, গুলাব সিং, আনন্দ, নোহৰ সিং আৰু আন এজন আই চি ইউত চিকিৎসাধীন হৈ আছে। ইতিমধ্যে টাভাৰেকেৰে থানাত এখন গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে আৰু নিহতসকলৰ পৰিয়ালক অৱগত কৰিবলৈ চেষ্টা চলাইছে। নিহতসকলৰ পৰিচয় সন্দৰ্ভত জানিব পৰা মতে, তেওঁলোক হৈছে অসমৰ যাদগিৰি জিলাৰ শ্বাহাপুৰ তালুকৰ নদিয়াল গাঁৱৰ ৰাম নাইক ((৪৬)) আৰু ভুৱনেশ্বৰ সিং (৩৭)), বিহাৰৰ ধৰ্মেশ সিং ((২৮)), ৰাজেশ প্ৰসাদ ((২৮)), ৰাম অৱতাৰ সিং ((৩০)), সত্যনাৰায়ণ গৌণ্ড ((৩২)) আৰু মধ্যপ্ৰদেশৰ শিৱৰাজ সিং ((২২))। এই দুখজনক ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে কৰ্ণাটকৰ মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে। তেওঁ সামাজিক মাধ্যম এক্সত এখন পোষ্টযোগে কয় যে এই দুৰ্ঘটনাত সাতজন শ্ৰমিকৰ মৃত্যু হোৱাত তেওঁ গভীৰভাৱে দুখী হৈছে আৰু নিহতসকলৰ বিদেহী আত্মাই শান্তি লাভ কৰক আৰু তেওঁলোকৰ পৰিয়ালে এই ক্ষতি সহ্য কৰিব পৰাকৈ শক্তি লাভ কৰক বুলি প্ৰাৰ্থনা জনায়। লগতে তেওঁ খনিসমূহত নিয়োজিত শ্ৰমিকসকলৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰাটো খনিৰ মালিকৰ দায়িত্ব বুলি উল্লেখ কৰি নিয়ম উলংঘা কৰা খনিৰ বিৰুদ্ধে চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব বুলি স্পষ্টকৈ কয়। এই দুৰ্ঘটনাৰ পিছত অঞ্চলটো জুৰি শোকৰ ছাঁ পৰিছে আৰু প্ৰশাসনে দোষীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা লোৱাৰ লগতে নিহতসকলৰ পৰিয়াললৈ আৰ্থিক সাহায্য ঘোষণা কৰিব বুলি আশা কৰা হৈছে।

শুকুৰবাৰে ইৰাণলৈ যাব উচ্চস্তৰীয়

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে, এই উচ্চস্তৰীয় প্ৰতিনিধিত্বই ভাৰত আৰু ইৰাণৰ মাজত থকা সভ্যতামূলক সম্পৰ্ক আৰু জনসংযোগৰ গভীৰতাৰ প্ৰতি গুৰুত্ব আৰোপ কৰে, যিয়ে দুয়ো দেশৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক সম্পৰ্কৰ বাবে এক শক্তিশালী ভেটি প্ৰদান কৰে। ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেশকিয়ানে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই জানাজা অনুষ্ঠানলৈ আমন্ত্ৰণ জনাইছিল। কিন্তু প্ৰধানমন্ত্ৰী মোদী আগন্তুক সপ্তাহত ইণ্ডোনেছিয়া, নিউজিলেণ্ড আৰু অষ্ট্ৰেলিয়াৰ তিনিদেশীয় গুৰুত্বপূৰ্ণ ভ্ৰমণসূচীৰ বাবে ইৰাণলৈ যাব নোৱাৰা বাবে এই উচ্চস্তৰীয় প্ৰতিনিধি দল পঠিওৱা হৈছে। আয়াতুল্লা খামেইনিৰ অন্ত্যেষ্টিক্ৰিয়া অনুষ্ঠান ৪ জুলাইৰ পৰা আৰম্ভ হৈ ৯ জুলাইলৈ চলিব। ৪ আৰু ৫ জুলাই তেহৰাণত বিদায়ী অনুষ্ঠান আয়োজন কৰা হ'ব, ছ জুলাই তেহৰাণত মূল অন্তেন্দ্ৰক্ৰিয়া শোভাযাত্ৰা অনুষ্ঠিত হ'ব, ৭ জুলাই পৱিত্ৰ নগৰী কোমত বিশেষ কাৰ্যসূচী থাকিব আৰু ৯ জুলাই উত্তৰ-পূব ইৰাণৰ পৱিত্ৰ নগৰী মাছহাদত তেখেতৰ জন্মস্থানত চূড়ান্ত দাফন কাৰ্য সম্পন্ন কৰা হ'ব। উল্লেখযোগ্য যে, ১৯৮৯ চনৰ পৰা ইৰাণৰ সৰ্বোচ্চ নেতা হিচাপে কাৰ্যনিৰ্বাহ কৰা আয়াতুল্লা আলী খামেইনি ২০২৬ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে আমেৰিকা আৰু ইস্ৰায়েলৰ যৌথ আক্ৰমণত নিহত হৈছিল। তেখেতৰ মৃত্যুৰ পাছত অঞ্চলটোত উদ্ভৱ হোৱা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰী মোদী আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে সময়ে সময়ে ইৰাণী নেতৃত্বৰ সৈতে কথোপকথন চলাই আহিছে। এই প্ৰতিনিধি দল প্ৰেৰণৰ জৰিয়তে ভাৰতে ইৰাণৰ সৈতে থকা কূটনৈতিক সম্পৰ্ক আৰু ঐতিহাসিক বন্ধুত্বৰ প্ৰতি নিজৰ অঙ্গীকাৰ পুনৰব্যক্ত কৰিলে।

নগাঁও উপ-নিৰ্বাচনৰ ৰণকৌশল চূড়ান্ত

বৃহস্পতিবাৰে গুৱাহাটীস্থিত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱনত এক গুৰুত্বপূৰ্ণ সাংগঠনিক বৈঠক অনুষ্ঠিত হয়। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত দলৰ উচ্চপদস্থ নেতাসকলৰ লগতে নগাঁও সমষ্টিৰ অন্তৰ্গত মৰিগাঁও আৰু নগাঁও জিলা কংগ্ৰেছ কমিটিৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, এই বৈঠকত জিলা কমিটিৰ উপৰিও নগাঁও আৰু মৰিগাঁও জিলাৰ আটাইবোৰ ব্লক আৰু মণ্ডল কংগ্ৰেছৰ তৃণমূল পৰ্যায়ৰ বিষয়ববীয়াসকলে যোগদান কৰে। উপ-নিৰ্বাচনত দলীয় ভিত্তি সুদৃঢ় কৰা, ভোটাৰসকলৰ সৈতে সংযোগ স্থাপন কৰা, আৰু আগন্তুক কাৰ্যসূচীসমূহ কেনেদৰে ফলপ্ৰসূভাৱে ৰূপায়ণ কৰিব পাৰি- সেই সম্পৰ্কত বিস্তৃতভাৱে আলোচনা কৰা হয়। দলীয় নেতৃত্বই তৃণমূল পৰ্যায়ৰ প্ৰতিনিধিসকলৰ পৰা প্ৰত্যক্ষ অভিজ্ঞতা আৰু পৰামৰ্শ গ্ৰহণ কৰি নিৰ্বাচনী পৰিকল্পনা আৰু সম্প্ৰসাৰিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠক শেষ হোৱাৰ পিছত সংবাদ মাধ্যমক সম্বোধন কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আগন্তুক নিৰ্বাচনক লৈ দলটো সম্পূৰ্ণ আশাবাদী বুলি প্ৰকাশ কৰে। তেওঁ কয় যে এই উপ-নিৰ্বাচনক কংগ্ৰেছে অতি গুৰুত্বপূৰ্ণ বুলি গণ্য কৰিছে আৰু ইতিমধ্যে তৃণমূল পৰ্যায়ত দলীয় কাম-কাজ তীব্ৰতৰ কৰি তোলা হৈছে। বিগত ২০১৯ আৰু ২০২৪ চনৰ লোকসভা নিৰ্বাচনত নগাঁও সমষ্টিৰ ৰাইজে কংগ্ৰেছক যি অকুণ্ঠ সমৰ্থন আগবঢ়াইছিল, সেই ঐতিহাসিক ভিত্তিত আগন্তুক নিৰ্বাচনতো দলটোৱে ৰাইজৰ আশীৰ্বাদেৰে পুনৰ জয়লাভ কৰিব বুলি তেওঁ দৃঢ়তা প্ৰকাশ কৰে। "ৰাইজে কংগ্ৰেছক যিদৰে আপোন বুলি ভাবে, আমি সেই বিশ্বাস ৰক্ষা কৰিবলৈ সদায় প্ৰতিশ্ৰুতিবদ্ধ আৰু এইবাৰো আমি একে উৎসাহেৰে ৰাইজৰ কাষত থিয় দিম", -গগৈয়ে কয়। ইপিনে, বিজেপি আৰু এআইইউডিএফক তীব্ৰ সমালোচনা কৰি গগৈয়ে অভিযোগ উত্থাপন কৰে যে এই দুয়োটা দলেই সদায় পূৰ্বৰ দৰে সাম্প্ৰদায়িক ৰাজনীতিৰ আশ্ৰয় লৈ ৰাইজৰ প্ৰকৃত সমস্যাসমূহৰ পৰা মনোযোগ আঁতৰাই ৰাখিবলৈ চেষ্টা চলাই আহিছে। কংগ্ৰেছৰ ৰাজনৈতিক স্থিতি সদায় স্বচ্ছ আৰু স্পষ্ট বুলি উল্লেখ কৰি তেওঁ স্পষ্ট কৰে যে তেওঁলোকৰ দলে কোনো ধৰণৰ ঘৃণা বা বিভাজনৰ ৰাজনীতিক কেতিয়াও স্থান দিয়া নাই। ইয়াৰ পৰিৱৰ্তে কংগ্ৰেছে কেৱল ৰাইজৰ অধিকাৰ, জনস্বাৰ্থৰ প্ৰশ্ন, মূল সমস্যা আৰু সেইবোৰৰ স্থায়ী সমাধানৰ আশাক লৈহে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব আৰু সেয়াই তেওঁলোকৰ মুখ্য নিৰ্বাচনী ইস্তাহাৰ হ'ব বুলি গৌৰৱ গগৈয়ে শেষত স্পষ্ট ভাষা সদৰি কৰে।

গুৱাহাটী মহানগৰীত এশ কোটি

ইতিপূৰ্বেও কেইবাবাৰ আৰক্ষীৰ জালত পৰিছিল। অজয় বিশ্বকৰ্মাৰ স্বীকাৰোক্তি অনুসৰি লখিমপুৰ জিলাৰ বঙালমাৰাৰ পৰা এই জালনোটৰ বৃহৎ ছিণ্ডিকেটটো পৰিচালিত হৈ আহিছে। বঙালমাৰাৰ পৰা জালনোট আনি গুৱাহাটীৰ কটাহবাৰীত থাকি ছাহিল আলী ওৰফে ইছমাইলে আৰু তেওঁৰ পত্নীয়ে গুৱাহাটীত এই জালনোটৰ বজাৰ মেলি থৈছে। এই বেহাত ছাহিল আলী আৰু তেওঁৰ পত্নীৰ লগতে আব্দুল গফুৰ, আফচানুৰ ৰহমান আৰু চিন্ময় কলিতাও সক্ৰিয়ভাৱে জড়িত বুলি অজয় বিশ্বকৰ্মাই আৰক্ষীক জনাইছে। সৰবৰাহকাৰীগৰাকীয়ে আৰক্ষীক মেনেজ কৰি এই বেহা চলোৱাৰ অভিযোগও উত্থাপন কৰে আৰু এই গোচৰৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনায়। বিগত ৪৮ ঘণ্টাৰ ভিতৰতে গুৱাহাটী মহানগৰীৰ তিনিটা পৃথক স্থানৰ পৰা আৰক্ষীয়ে জালনোট জব্দ কৰিবলৈ সক্ষম হৈছে। বুধবাৰে নিশা মালিগাঁও আৰু ছয়মাইলৰ পৰা আৰক্ষীয়ে বৃহৎ পৰিমাণৰ জালনোট উদ্ধাৰ কৰে। মালিগাঁও অঞ্চলৰ কামাখ্যা ৰে'ল জংচনৰ পৰা ৭ লাখ ৩৭ হাজাৰ টকাৰ জালনোট জব্দ কৰাৰ লগতে দয়াল দাস আৰু গোলাব শ্বেখ নামৰ দুই সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। তেওঁলোকে এই জালনোটখিনি ঝাৰখণ্ডলৈ নিয়াৰ পৰিকল্পনা কৰিছিল বুলি আৰক্ষীয়ে জানিব পাৰে। ছয়মাইলত দিছপুৰ আৰক্ষীয়ে AS-01-PC-8433 নম্বৰৰ চুইফট ডিজায়াৰ বাহন এখনৰ পৰা চ লাখ পুছ হাজাৰ টকাৰ জালনোট উদ্ধাৰ কৰি দেৱজিৎ দেউৰী আৰু অজয় বিশ্বকৰ্মাক গ্ৰেপ্তাৰ কৰে। তদুপৰিও মঙলবাৰে পাঞ্জাবাৰীত উত্তৰ প্ৰদেশৰ পঞ্জীয়নভুক্ত এখন বাহনৰ পৰা ৰ লাখ টকা মূল্যৰ জালনোট জব্দ কৰি তিনিজন সৰবৰাহকাৰীক আটক কৰিছিল আৰক্ষীয়ে। আটাইকেইটা ঘটনাতে আৰক্ষীয়ে জালনোটৰ লগতে ব্যৱহৃত বাহনসমূহো জব্দ কৰি ধৃতসকলক জেৰা অব্যাহত ৰাখিছে। দিছপুৰ আৰক্ষীৰ জালত পৰা অজয় বিশ্বকৰ্মাই দিয়া এই বিস্ফোৰক স্বীকাৰোক্তিৰ সত্যাসত্য যাচাই কৰিবলৈ আৰক্ষীয়ে উচ্চ পৰ্যায়ৰ তদন্ত আৰম্ভ কৰিছে। আৰক্ষী সূত্ৰে জনোৱা মতে, এই জালনোটৰ ক'লা বেহাৰ মূল সূত্ৰ ধৰিবলৈ লখিমপুৰৰ বঙালমাৰালৈও তদন্ত দল প্ৰেৰণ কৰা হৈছে। গুৱাহাটী মহানগৰীৰ বিত্তীয় নিৰাপত্তাৰ বাবে এই ঘটনা অতিশয় উদ্বেগজনক বুলি বিবেচনা কৰি আৰক্ষী বিভাগে সম্পূৰ্ণ গাম্ভীৰ্য্যৰে তদন্ত চলাই আছে আৰু অতি সোনকালে এই ছিণ্ডিকেটৰ বাকী সদস্যসকলকো গ্ৰেপ্তাৰ কৰাৰ প্ৰতিশ্ৰুতি দিছে।

বানাক্ৰান্ত শিক্ষাৰ্থীক নতুন কিতাপ

বানাক্ৰান্ত ধেমাজি জিলাৰ বিধ্বস্ত বিদ্যালয়সমূহৰ ক্ষয়ক্ষতিৰ সম্পূৰ্ণ খতিয়ান যাতে অতি শীঘ্ৰে সংগ্ৰহ কৰিব পাৰি, তাৰ বাবে জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকক কঠোৰ নিৰ্দেশ দিছে শিক্ষামন্ত্ৰী ডজ্জ্ব ৰণোজ পেগুৱে। জুলাই মাহৰ গৰমৰ বন্ধৰ সময়ছোৱাটোকে কামত লগাই লৈ বানত ক্ষতিগ্ৰস্ত হোৱা শিক্ষানুষ্ঠানসমূহ পুনৰ শিক্ষাদানৰ বাবে উপযুক্ত কৰি তুলিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ প্ৰদান কৰে। যাৱতীয় পুনৰ নিৰ্মাণ কাৰ্য আৰু বিদ্যালয়সমূহৰ নষ্ট হোৱা আচবাব-পত্ৰ, ফাৰ্ণিচাৰ, বিদ্যুৎ ব্যৱস্থা আদিৰ মেৰামতিৰ কাম জুলাই মাহৰ ভিতৰতে সম্পূৰ্ণ কৰিবলৈ তেওঁ স্পষ্টকৈ কয়, যাতে গৰমৰ বন্ধ শেষ হোৱাৰ লগে লগে বিদ্যালয়বোৰ শিক্ষাদানৰ বাবে সাজু হৈ থাকে। অকল আন্তঃগাঁথনিয়েই নহয়, বানৰ ফলত কিতাপ-পত্ৰ নষ্ট হোৱা আৰু ইউনিফৰ্ম হেৰুওৱা ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ভৱিষ্যতৰ প্ৰতিও সচেতন হৈ মন্ত্ৰীগৰাকীয়ে এক গুৰুত্বপূৰ্ণ নিৰ্দেশনা প্ৰদান কৰে। তেওঁ কয় যে বানাক্ৰান্ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নতুন পাঠ্যপুথি আৰু নষ্ট হোৱা ইউনিফৰ্ম জুলাই মাহৰ ভিতৰতে পুনৰ যোগান ধৰিব লাগিব, যাতে গৰমৰ বন্ধ শেষ হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নত কোনো ধৰণৰ বাধা আহি নপৰে। এই পদক্ষেপে বানবিধ্বস্ত ধেমাজিৰ অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট সকাহ দিব বুলি আশা কৰা হৈছে, কাৰণ শিক্ষাৰ প্ৰতি থকা এই গুৰুত্বপূৰ্ণ দায়বদ্ধতাই প্ৰতিকূল পৰিস্থিতিতো শিক্ষাৰ অধিকাৰ সুৰক্ষিত ৰখাত সহায় কৰিব। শিক্ষামন্ত্ৰীগৰাকীৰ এই সত্ত্বৰ আৰু স্পষ্ট নিৰ্দেশে ৰাজ্যৰ শিক্ষা ব্যৱস্থাৰ স্থিতিস্থাপকতা আৰু ছাত্ৰসকলৰ প্ৰতি থকা চৰকাৰৰ সংবেদনশীলতা পুনৰ প্ৰতিফলিত কৰিলে।

পান কাৰ্ড বা ভোটাৰ কাৰ্ড

নোৱাৰে। ন্যায়াধীশদ্বয়ে লগতে কয় যে নথিত সৰু-সুৰা অসামঞ্জস্য থাকিলেও নাগৰিকত্ব প্ৰমাণত বাধা নহয়, কিন্তু আমিনুল হকে নিজৰ পৰিয়ালৰ সদস্যৰ সৈতে ক্ৰমাগত সম্পৰ্ক স্থাপন কৰিব পৰা নাই বাবেই তেওঁ নাগৰিকত্ব প্ৰতিষ্ঠা কৰাত ব্যৰ্থ হৈছে। ভাৰতীয় নাগৰিকত্ব নিৰ্ধাৰণৰ বাবে এজন ব্যক্তিয়ে নিজৰ বংশানুক্ৰমিক নথি সঠিকভাৱে উপস্থাপন কৰি নাগৰিকত্বৰ পূৰ্বৰ তাৰিখৰ পৰা নিজক প্ৰতিষ্ঠা কৰিব পাৰিব লাগে, কিন্তু আমিনুল হকে সেই ক্ষেত্ৰত ব্যৰ্থ হোৱাৰ ফলতে তেওঁক বিদেশী হিচাপে চিনাক্ত কৰা হৈছে। বিদেশী ন্যায়াধিকৰণৰ ৰায়ৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে সাধাৰণতে বাধা নিদিয়ে যদিহে ন্যায়িক প্ৰক্ৰিয়াত কোনো গুৰুতৰ ত্ৰুটি বা সাক্ষীৰ ক্ষেত্ৰত গাফিলতি নাথাকে, অন্যথা উচ্চ ন্যায়ালয়ে গোচৰত হস্তক্ষেপ নকৰে বুলিও পায়েঙে উল্লেখ কৰে। লগতে তেওঁ স্মৰণ কৰে যে ১৯৫১ চনৰ এনআৰচি সন্দৰ্ভত ১৯৭৪ চনতে গুৱাহাটী উচ্চ ন্যায়ালয়ে কৈ থৈছে যে এনআৰচি নথি ভাৰতীয় নাগৰিকত্বৰ উপযুক্ত নথি হ'ব নোৱাৰে। গুৱাহাটী আৰু মুম্বাই উচ্চ ন্যায়ালয়ে পাছপোৰ্টো নাগৰিকত্ব প্ৰমাণৰ নথি নহয়, বিদেশ ভ্ৰমণৰ বাবে ই কেৱল এখন ভ্ৰমণ অনুমতিপত্ৰহে বুলি ৰায় দিছিল, আৰু এই কথা কিছুদিন পূৰ্বে ভাৰত চৰকাৰেও স্পষ্ট কৰিছে। শেষত অধিবক্তা পায়েঙে কয় যে ভাৰতীয় নাগৰিকত্ব প্ৰমাণৰ বাবে কেৱল এটা নথিয়ে যথেষ্ট নহয়, বৰঞ্চ একাধিক নথিয়ে পৰস্পৰ সমৰ্থন কৰিব লাগে; কোনো ব্যক্তিয়ে ভাৰতত নিজৰ নিৰন্তৰ উপস্থিতিৰ ক্ৰমিক নথি প্ৰমাণ কৰিব পাৰিলেহে তেওঁ ভাৰতীয় নাগৰিক হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰে। মাণিক কুমাৰ ৰায়ৰ সহযোগত শোণিত কুমাৰ গোস্বামীৰ এই প্ৰতিবেদন।

ডিব্ৰুগড়ত প্ৰশাসনৰ বৃহৎ

মাৰোৱাৰীপট্টী আৰু পূজাঘাটৰ সমীপত ব্ৰহ্মপুত্ৰৰ পাৰত বুলড'জাৰ যোগে এই অভিযান সম্পন্ন কৰা হয়। দীৰ্ঘদিন ধৰি একাংশ লোকে ট্ৰিপালৰ চালি দি অস্থায়ী ঘৰ নিৰ্মাণ কৰি নৈৰ পাৰৰ সংৰক্ষিত ভূমি দখল কৰি আছিল। প্ৰশাসনে বাৰম্বাৰ তেওঁলোকক ভূমি খালি কৰি দিবলৈ জাননী প্ৰেৰণ কৰিছিল যদিও বেদখলকাৰীসকলে সেই নিৰ্দেশ অমান্য কৰি আহিছিল। ফলত প্ৰশাসনে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি বুলড'জাৰ চলাই নৈৰ পাৰৰ ভূমিটো বেদখলমুক্ত কৰে। এই উচ্ছেদ অভিযান প্ৰায় দুই কিলোমিটাৰ এলেকাজুৰি চলোৱা হৈছে বুলি প্ৰশাসনিক বিষয়া সূত্ৰে জনাইছে। অবৈধভাৱে বসবাস কৰি থকা লোকসকল ডিব্ৰুগড়লৈ ক'ৰ পৰা আহি ব্ৰহ্মপুত্ৰৰ পাৰত ঘৰ সাজি আছিল, সেই সম্পৰ্কে প্ৰশাসনৰ হাতত কোনো স্পষ্ট তথ্য নাই। কিন্তু ব্ৰহ্মপুত্ৰৰ পাৰৰ সংৰক্ষিত অঞ্চলটো প্ৰাকৃতিক সৌন্দৰ্য্য অক্ষুণ্ণ ৰাখিবলৈ আৰু নদীৰ পৰিৱেশ তন্ত্ৰ ৰক্ষাৰ বাবে এই উচ্ছেদ অভিযান অতি প্ৰয়োজনীয় বুলি প্ৰশাসনে মত প্ৰকাশ কৰে। অভিযান শেষ হোৱাৰ পাছত যাতে কোনোৱে পুনৰ এই ভূমি দখল কৰিব নোৱাৰে, তাৰ বাবে প্ৰশাসনে নিৰন্তৰ নজৰ ৰখাৰ লগতে ভৱিষ্যতে এই ধৰণৰ অভিযান অব্যাহত থাকিব বুলিও স্পষ্ট কৰি দিয়ে। ডিব্ৰুগড় প্ৰশাসনৰ এই পদক্ষেপে অবৈধ বেদখলকাৰীসকলৰ মাজত সচেতনতা সৃষ্টি কৰাৰ লগতে ৰাজ্যৰ অন্যান্য অঞ্চলতো প্ৰশাসনিক কঠোৰতাৰ বাৰ্তা প্ৰেৰণ কৰিছে। ব্ৰহ্মপুত্ৰৰ পাৰৰ সৌন্দৰ্য্য ৰক্ষাৰ লগতে নৈৰ গতি আৰু পৰিৱেশৰ প্ৰতি থকা চৰকাৰৰ দায়বদ্ধতাকো এই অভিযানে প্ৰতিফলিত কৰে। ইতিমধ্যে উচ্ছেদ সম্পূৰ্ণ হোৱা অঞ্চলটোত পুনৰ অধিগ্ৰহণ যাতে নহয় তাৰ বাবে প্ৰশাসনে কেৰা চকু ৰাখিছে। এই অভিযান আগন্তুক দিনত অন্য অঞ্চলতো সম্প্ৰসাৰিত কৰিব পাৰে বুলি আশা কৰা হৈছে।

অসমত প্ৰস্তাৱিত বিমানবন্দৰ, হেলিপ'ৰ্ট

মিলিত হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বিমানবন্দৰ সম্প্ৰসাৰণ, নতুন বিমানবন্দৰ স্থাপন আৰু আন্তঃগাঁথনি উন্নয়নৰ কাৰ্যক্ৰম সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। বৈঠকখনত মুখ্যমন্ত্ৰীয়ে অসমৰ ছয়টা স্থান- শিলচৰ, মানস, উমৰাংছ', মাজুলী, ডিফু আৰু চৰাইদেউত- প্ৰস্তাৱিত গ্ৰীনফিল্ড বিমানবন্দৰসমূহৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে ডিমা হাছাও জিলাৰ হাফলঙত এখন হেলিপ'ৰ্ট স্থাপনৰ পৰিকল্পনাৰো পৰ্যালোচনা কৰে। ইয়াৰ উপৰি ৰূপসী বিমানবন্দৰৰ সম্প্ৰসাৰণ আৰু বিশ্বখ্যাত বিমান নিৰ্মাতা প্ৰতিষ্ঠান এয়াৰবাছৰ সহযোগত অসমত এখন আন্তঃৰাষ্ট্ৰীয় স্তৰৰ বিমান পৰিবহণ কেন্দ্ৰ গঢ়ি তোলাৰ পৰিকল্পনা সম্পৰ্কেও মত বিনিময় হয়। শিলচৰৰ নতুন বিমানবন্দৰৰ ক্ষেত্ৰত প্ৰায় সকলো প্ৰস্তুতিমূলক কাম সম্পূৰ্ণ হৈ থকা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰালয়ক প্ৰক্ৰিয়াটো আৰু ত্বৰান্বিত কৰিবলৈ অনুৰোধ জনায়। আন প্ৰস্তাৱিত বিমানবন্দৰসমূহৰ বাবে পূৰ্ব-সম্ভাব্য সমীক্ষা আৰু ভূমি অধিগ্ৰহণৰ কামো অধিক গতিশীলভাৱে আগবঢ়াই নিবলৈ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী ৰামমোহন নাইডুৱে অসমৰ বিমান পৰিবহণ খণ্ডৰ উন্নয়নৰ প্ৰতি সম্পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি আশ্বাস দিয়ে আৰু প্ৰকল্পসমূহ দ্ৰুত গতিত সম্পন্ন কৰিবলৈ ৰাজ্য আৰু কেন্দ্ৰীয় সংস্থাসমূহৰ মাজত সমন্বয় বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠক শেষ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কয় যে অসমৰ বিমান পৰিবহণ খণ্ডৰ বাবে এই সময় এক নতুন সম্ভাৱনাৰ সময়। উন্নত সংযোগ ব্যৱস্থাৰ লগতে ইয়াৰ জৰিয়তে ৰাজ্যৰ যুৱ সমাজৰ বাবে নতুন কৰ্মসংস্থান, ব্যৱসায়ৰ সুযোগ আৰু বিকাশৰ দুৱাৰ মুকলি হ'ব বুলি তেওঁ দৃঢ়তা প্ৰকাশ কৰে। অসমক উত্তৰ-পূবৰ প্ৰৱেশদ্বাৰ হিচাপে গঢ়ি তোলাৰ যি দীৰ্ঘদিনীয়া স্বপ্ন, এই বিমানবন্দৰ প্ৰকল্পসমূহে সেই স্বপ্নক সাকাৰ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই শেষত উল্লেখ কৰে।

অসমৰ মীন আৰু দুগ্ধ খণ্ডৰ

উল্লেখ কৰে। তেওঁ উৎপাদন ক্ষমতা বৃদ্ধি, কৃষক-পশুপালকসকললৈ উন্নত প্ৰশিক্ষণ আৰু প্ৰযুক্তিৰ প্ৰসাৰ, আৰু দুগ্ধজাত সামগ্ৰীৰ গুণগত মান বৃদ্ধিৰ দিশটোও আলোচনাত আগুৱাই লৈ আহে। একেদৰে মীন খণ্ডত অসমৰ পৰা অন্যান্য ৰাজ্য আৰু বিদেশলৈ ৰপ্তানি সম্ভাৱনাসমূহ কেন্দ্ৰীয় সহায়ত কেনেদৰে বঢ়াব পাৰি, তাৰ ওপৰতো গভীৰভাৱে মতবিনিময় হয়। এই সাক্ষাৎ সন্দৰ্ভত বৈঠক শেষ হোৱাৰ পিছতে মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যম এক্সত এখন পোষ্ট প্ৰকাশ কৰে। তেওঁ লিখে, "অসমৰ মীন পালন, পশুপালন তথা দুগ্ধ উৎপাদন খণ্ডৰ অপাৰ সম্ভাৱনাক আমি উপলব্ধি কৰোঁ। এই কথা আমি প্ৰায়েই কৈ আহিছোঁ আৰু যথেষ্টখিনি গুৰুত্ব প্ৰদান কৰি পদক্ষেপো গ্ৰহণ কৰিছিলোঁ। আজি এই সন্দৰ্ভত কেন্দ্ৰীয় মীন পালন, পশুপালন আৰু দুগ্ধ উন্নয়ন মন্ত্ৰী শ্ৰী ৰাজীৱ ৰঞ্জন সিং (লালন সিং) ডাঙৰীয়াৰ সৈতে এক ফলপ্ৰসূ বৈঠকত মিলিত হৈ কিছু ফলপ্ৰসূ সময়ৰ সাক্ষী হ'লোঁ।" আনহাতে, কেন্দ্ৰীয় মন্ত্ৰী লালন সিঙেও এক্সত নিজা পোষ্টযোগে এই বৈঠকৰ বিষয়ে অৱগত কৰে। তেওঁ কয় যে অসমৰ মীন খণ্ডৰ বিশাল সম্ভাৱনাক বাস্তৱ ৰূপ দিয়াৰ বাবে বৈঠকখনত কেইবাটাও গুৰুত্বপূৰ্ণ দিশত আলোকপাত কৰা হয়। ইয়াৰ ভিতৰত মাছৰ উৎপাদন বৃদ্ধি, ৰপ্তানি উন্নয়ন, মূল্য শৃংখলা (ভেলু চেইন) শক্তিশালীকৰণ, আৰু প্ৰক্ৰিয়াকৰণ আন্তঃগাঁথনি সম্প্ৰসাৰণৰ বিষয়ত বিস্তৃত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে অসমক এই খণ্ডত আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ণ সহায় আছে বুলিও উল্লেখ কৰে। উল্লেখযোগ্য যে, অসমৰ অৰ্থনীতিত মীন পালন আৰু দুগ্ধ উৎপাদন খণ্ডই এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। এই খণ্ড দুটাত চাকৰিৰ সম্ভাৱনা বৃদ্ধিৰ লগতে ৰাজ্যৰ গ্ৰাম্য অৰ্থনীতি চাঙখঙা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ এই বৈঠক অসমৰ কৃষি আৰু উদ্যোগিক ক্ষেত্ৰখনলৈ এক নতুন দুৱাৰ মুকলি কৰি দিব বুলি ৰাজ্যৰ মীনপালক আৰু দুগ্ধ উৎপাদকসকলে আশা প্ৰকাশ কৰিছে।

ৰাজ্যত ১৪ আগষ্টৰ ভিতৰতে ১

কৰি ৰাজ্যৰ বন আৰু বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই লক্ষ্য স্পষ্টকৈ ঘোষণা কৰে। এই সেউজ অভিযানত যুৱ প্ৰজন্মক সক্ৰিয়ভাৱে সামৰি লোৱাৰ সিদ্ধান্ত লৈছে চৰকাৰে। মন্ত্ৰীগৰাকীৰ মতে, নৱম শ্ৰেণী আৰু তাতোকৈ ওপৰৰ প্ৰায় ১০ লাখ শিক্ষাৰ্থীক এই কাৰ্যসূচীত অন্তৰ্ভুক্ত কৰা হ'ব। পঞ্জীয়নৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে VB-G RAM-G আঁচনিৰ অধীনত এজন জব কাৰ্ড ধাৰকৰ নাম প্ৰদান কৰিব লাগিব বুলিও তেওঁ স্পষ্ট কৰে। চলিত বৰ্ষৰ অভিজ্ঞতাক ভিত্তি কৰি অহা বৰ্ষৰ বাবেও পৃথক পৰিকল্পনা হাতত লৈছে বন বিভাগে। মন্ত্ৰী মল্লবৰুৱাই জানিবলৈ দিয়ে যে অহা বছৰৰ পৰা এই বাৰ্ষিক বৃক্ষৰোপণ অভিযান আগষ্ট মাহৰ পৰিৱৰ্তে এপ্ৰিল মাহতে আৰম্ভ কৰা হ'ব। তদুপৰি অহা বছৰ থলুৱা ফল-মূলৰ ৰ কোটি পুলি ৰোপণক প্ৰাধান্য দিয়া হ'ব বুলি তেওঁ উল্লেখ কৰে। পৰিস্থিতিতন্ত্ৰৰ ভাৰসাম্য ৰক্ষা আৰু বনাঞ্চল সম্প্ৰসাৰণৰ বাবে ৰাজ্য চৰকাৰে এইবাৰ আধুনিক প্ৰযুক্তিৰ সহায় ল'ব। নদীদ্বীপ আৰু চৰ-চাপৰি অঞ্চলসমূহত আকাশমাৰ্গৰ পৰা বীজ সিঁচাৰ পৰীক্ষামূলক পাইলট প্ৰকল্প হাতত লোৱা হৈছে। যদি এই প্ৰকল্প সফল হয়, তেন্তে পৰৱৰ্তী সময়ত ৰাজ্যৰ অন্যান্য অঞ্চলতো ইয়াক সম্প্ৰসাৰণ কৰা হ'ব। পৰিৱেশৰ লগতে বিত্ত দপ্তৰৰ দায়িত্বও সামলাই থকা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অসম বিধানসভাৰ আগন্তুক বাজেট অধিৱেশন সম্পৰ্কেও গুৰুত্বপূৰ্ণ ইংগিত দিয়ে। বিত্ত মন্ত্ৰী হিচাপে তেওঁৰ প্ৰথমখন ৰাজ্যিক বাজেট হ'ব এইখন। তেওঁ দৃঢ়তাবোধ কৰাই দিয়ে যে আগন্তুক বিত্তীয় ৰেখাচিত্ৰখন সম্পূৰ্ণৰূপে 'জনসাধাৰণৰ অনুকূল' হ'ব। ৰাজ্যৰ শেহতীয়া জনসংখ্যাৰ পৰিৱৰ্তন আৰু প্ৰশাসনিক পদক্ষেপ সম্পৰ্কে সাংবাদিকে দিয়া এক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে চৰকাৰৰ কঠোৰ মনোভাৱ পুনৰ স্পষ্ট কৰে। তেওঁ কয় যে চৰকাৰে উচ্ছেদ অভিযান অব্যাহত ৰাখিব আৰু খিলঞ্জীয়া লোকসকলক সুৰক্ষা দিয়াত চৰকাৰ দৃঢ়প্ৰতিজ্ঞ। লগতে অবৈধ বেদখল আৰু জনসংখ্যাৰ দ্ৰুত পৰিৱৰ্তন, বিশেষকৈ 'মিঞা মুছলমান সম্পৰ্কীয়' বিষয়সমূহ বৰ্তমান প্ৰশাসনৰ বাবে ডাঙৰ উদ্বেগৰ বিষয় বুলিও তেওঁ মন্তব্য কৰে।

মৰিগাঁৱত বন মহোৎসৱ-২০২৬ উপলক্ষে প্ৰকৃতি সংৰক্ষণৰ ব্যতিক্ৰমী প্ৰয়াস

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১ জুলাই ঃ মৰিগাঁও জিলাৰ বঘৰা ঘূলিগাঁও মধ্য ইংৰাজী বিদ্যালয়ত আজি বন মহোৎসৱ-২০২৬ৰ শুভ উদ্বোধনীৰ এক ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত হয়। ১ জুলাইৰ পৰা সপ্তাহ যোৰাকৈ পালন কৰিবলগীয়া এই কাৰ্যসূচী ৰহা কৃষি আৰু কৃষি উদ্যোগ বিকাশ সমিতি, ৰ'দালি দৰ্শন, পৰিৱেশ সুৰক্ষা মঞ্চ আৰু জীৱন জেউতি কৃষক সংঘৰ সহযোগত আয়োজন কৰা হয়। উল্লেখ্য যে প্ৰকৃতি আৰু বন্যপ্ৰাণী সংৰক্ষণৰ লক্ষ্যৰে গলচেপা পাহাৰত প্ৰকৃতি প্ৰেমীসকলে হাতে হাতে কোৰ, চিপৰাং লৈ আম, কঁঠালকে ধৰি বিভিন্ন ফলমূলৰ গুটি ৰোপণ কৰে। বান্দৰ আৰু চৰাই-চিৰিকতিৰ খাদ্যৰ উৎস সৃষ্টি কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা এই পদক্ষেপত বহু স্থানীয় বহু লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বন্যপ্ৰাণীক সুৰক্ষা, গছ-গছনি সংৰক্ষণ আৰু পৰিৱেশ ৰক্ষাৰ বাবে ৰাইজক সজাগ কৰা হয়। "বন্যপ্ৰাণীক আমনি নকৰিব, পক্ষী বধ নকৰিব, গছ নাকাটিব গছেই প্ৰকৃতিৰ কলিজা" শীৰ্ষক বাৰ্তাৰে জনসাধাৰণক আহ্বান জনোৱা হয়। সংগঠনসমূহে বৃহত্তৰ পাহাৰ অঞ্চলত হাজাৰৰো অধিক আম, কঁঠাল আৰু অন্যান্য ফলমূলৰ গুটি ৰোপণৰ এক বৃহৎ কাৰ্যসূচী গ্ৰহণ কৰা বুলি জানিবলে দিয়ে। অনুষ্ঠানত প্ৰকৃতি প্ৰেমীক সম্বৰ্ধনা জনোৱাৰ লগতে সদ্য উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক গামোচা আৰু গছপুলি প্ৰদান কৰি উৎসাহিত কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে চৰাইবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা ৰেখামণি বুঢ়াগোহাঁই, কপাহেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আবুল আছাম আল আমান, কৃষি আৰু কৃষি উদ্যোগ বিকাশ সমিতিৰ সভাপতি গোবিন্দ বৰা, লক্ষেশ্বৰ ডেকা, তুলসী ডেকা, দেৱেন দাস, দিবেন্দ্ৰ নাথ, খৰ্গেশ্বৰ দেউৰী, বসন্ত ডেকাকে ধৰি বহু বিশিষ্ট ব্যক্তি। প্ৰকৃতি, বন্যপ্ৰাণী আৰু মানুহৰ মাজত সুন্দৰ সমন্বয় গঢ়ি তোলাৰ এই প্ৰচেষ্টাই অঞ্চলবাসীৰ মাজত আশাৰ সৃষ্টি কৰিছে।

কাছাৰীপেটী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষকৰ মৃত্যুত শোক

অসম বাৰ্তা, অভয়াপুৰী, ২ জুলাই ঃ অভয়াপুৰী থানাৰ অন্তৰ্গত পিৰাধৰা গাঁৱৰ বাসিন্দা তথা কাছাৰীপেটী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক মনোৰঞ্জন সাহ (৭০) ৰ আজি দুপৰীয়া প্ৰায় ১২.৩০ বজাত উক্ত ৰক্ত চাপজনিত কাৰণত মৃত্যু ঘটে। দীৰ্ঘ দিন ধৰি অসুস্থ হৈ থাকি আজি হঠাৎ স্বাস্থ্যৰ অধিক অৱনতি ঘটাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে বুলি জানিব পৰা গৈছে। কৃতি অৱসৰী শিক্ষকৰ একমাত্ৰ পত্নীক এৰি থৈ তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। একালৰ অৱসৰী শিক্ষক গৰাকীৰ মৃত্যুৰ খবৰে অঞ্চলজুৰি শোকৰ ছাঁ বিয়পায়।

মৰিগাঁও বৰচিলাত বিশাল সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২ জুলাই ঃ মৰিগাঁও জিলাৰ বৰচিলা অঞ্চলত বৰচিলা, পাঘালি আৰু গোপালঘাট পঞ্চায়তৰ ৰাইজৰ উদ্যোগত এক বিশাল সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানটোত স্থানীয় ৰাইজৰ ব্যাপক উপস্থিতিয়ে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মৰিগাঁও সমষ্টিৰ বিধায়ক ৰামাকান্ত দেউৰী। লগতে জিলা পৰিষদৰ উপ-সভানেত্ৰী অৰ্চনা পাটৰ, OBC ব'ডৰ সভাপতি শিবাজি ডেকা আৰু জিলা বিজেপিৰ সম্পাদক জিতু বৰা উপস্থিত থাকে। তেওঁলোকৰ লগতে অঞ্চলটোৰ বহু গণ্যমান্য ব্যক্তি লগতে পঞ্চায়ত কেইটাৰ প্ৰতিনিধিসকলেও অনুষ্ঠানটোত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, অনুষ্ঠানটোত প্ৰায় দুই সহস্ৰাধিক লোকৰ উপস্থিতিয়ে অনুষ্ঠানখনক অধিক জাকজমকীয় কৰি তোলে। সম্বৰ্দ্ধনা অনুষ্ঠানত বিধায়ক ৰামাকান্ত দেউৰীক বহু সংখ্যক লোকে ফুলাম গামোচাৰে সন্মান জনোৱা লগতে অন্যান্য বিশিষ্ট ব্যক্তি সকলকো ফুলাম গামোচাৰে আদৰণি জনায়। এই সভাতে আগন্তুক নগাঁও লোকসভা সমষ্টিৰ উপ নিৰ্বাচনৰ লগতে আগন্তুক তিৱা স্বায়ত্ত্ব পৰিষদৰ নিৰ্বাচনৰ সম্পৰ্কেও বক্তব্য প্ৰদান কৰা দেখা যায়।

যৌতুকৰ দাবীক কেন্দ্ৰ কৰি স্বামীৰ পৰিয়ালৰ বিৰুদ্ধে এজাহাৰ; সংকটজনক অৱস্থাত ডিএমচিএইচত চিকিৎসাধীন

গোলকগঞ্জত বোৱাৰীক জুই লগাই হত্যাৰ চেষ্টাৰ অভিযোগ

অসম বাৰ্তা, গোলকগঞ্জ, ২ জুলাই ঃ ধুবুৰী জিলাৰ গোলকগঞ্জৰ বিছনদৈ গাঁৱত এগৰাকী বিবাহিতা মহিলাক কেৰাচিন তেল ঢালি জুই লগাই হত্যাৰ চেষ্টাৰ অভিযোগক কেন্দ্ৰ কৰি অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। আহত মহিলাগৰাকীৰ পৰিয়ালৰ অভিযোগ অনুসৰি, যৌতুকৰ দাবীক কেন্দ্ৰ কৰি স্বামীৰ পৰিয়ালৰ লোকে এই নৃশংস ঘটনা সংঘটিত কৰে। জানিব পৰা মতে, প্ৰায় তিনি বছৰ পূৰ্বে প্ৰেমৰ সম্পৰ্কৰ জৰিয়তে বিবাহ হৈছিল মহিলাগৰাকীৰ। কিন্তু বিয়াৰ পিছৰে পৰা যৌতুক বিচাৰি স্বামীৰ পৰিয়ালৰ লোকে নিয়মীয়াকৈ শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলাই আহিছিল বুলি অভিযোগ উত্থাপন কৰিছে পিতৃগৃহৰ লোকে। অভিযোগ অনুসৰি, নিশাৰ ভাগত স্বামী ঘৰত নথকাৰ সুযোগ লৈ শহুৰ, শাহু আৰু পৰিয়ালৰ আন সদস্যসকলে মহিলাগৰাকীৰ গাত কেৰাচিন তেল ঢালি জুই লগাই দিয়ে। মহিলাগৰাকীৰ আৰ্তচিঞৰ শুনি ওচৰ-চুবুৰীয়াই দৌৰি আহি তেওঁক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে। প্ৰথমে আহত মহিলাগৰাকীক ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰা হয়। পিছত স্বাস্থ্যৰ অৱস্থা সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ স্থানান্তৰ কৰা হয়। ইফালে, ঘটনাৰ সন্দৰ্ভত মহিলাগৰাকীৰ পৰিয়ালে ছাত্তাৰ আলী, মমিনা বিবি, আকচিনা খাতুন আৰু নুৰ আলমৰ বিৰুদ্ধে গোলকগঞ্জ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। যদিও অভিযোগৰ ভিত্তিত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

হোজাইৰ বিভিন্ন প্ৰান্তত বন বিভাগৰ মাৰাথন অভিযান

অসম বাৰ্তা, মোৰাঝাৰ, ২ জুলাই ঃ বনমন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ কঠোৰ নিৰ্দেশৰ পিছতে ৰাজ্যৰ প্ৰান্ত-প্ৰান্তে আৰম্ভ হৈছে বন বিভাগৰ মাৰাথন অভিযান। তাৰে সমান্তৰালকৈ হোজাই দক্ষিণ সংমণ্ডল বন বিষয়া নয়নজ্যোতি ৰাজবংশীৰ নেতৃত্বত হোজাই জিলাত কঠোৰ হৈ পৰিছে বন বিভাগৰ লোক। দৈনিক হোজাই জিলাৰ বিভিন্ন প্ৰান্তত অভিযান চলাই জব্দ কৰিছে কেবাটাও কাঠফলা মিলৰ লগতে লাখ-লাখ টকাৰ মূল্যৱান কাঠ। বুধবাৰে হোজাই বন সুৰক্ষা বিষয়া উৎপল ডেকাৰ নেতৃত্বত ডবকা আঞ্চলিক বন বিষয়াৰ এটি সঁজাতি দলে এক গোপন খবৰৰ ভিত্তিত ডবকাৰ চামৰালিত অভিযান চলাই কাঠফলা মিল সহ প্ৰায় চাৰি লক্ষাধিক টকাৰ বনৰীয়া কাঠ জব্দ কৰিবলৈ সক্ষম হয়। ইফালে বৃহস্পতিবৰে দিনৰ ভাগত ডবকা পাঁচ নং ৱাৰ্ডৰ মুজিবুৰ ৰহমানৰ ঘৰত ডবকা আঞ্চলিক বন বিষয়াই অভিযান চলাই বৃহৎ পৰিমাণৰ বনৰীয়া গছৰ কুন্দা সহ এখন টাটা মেজিক বাহন জব্দ কৰে। জব্দকৃত টাটা মেজিক বাহন খনৰ নম্বৰ হৈছে এ এচ ৩১ চি ০৭৪৪।

বেলশৰ কোষাগাৰলৈ জিলা আয়ুক্তলৈ পত্ৰ প্ৰেৰণ

বৰক্ষেত্ৰী আৰু পশ্চিম নলবাৰী ৰাজহ চক্ৰ বিষয়াৰ দৰমহা মুকলি

অসম বাৰ্তা, দৌলাশাল, ২ জুলাই ঃ যোৱা ২৫ জুনত নলবাৰীৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ পত্ৰ নং পি.এ১/২০২৬/৭৫ যোগে জিলাখনৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰ আৰু পশ্চিম নলবাৰী ৰাজহ চক্ৰ বিষয়াগৰাকীৰ জুন মাহৰ মাহিলী দৰমহা বন্ধ ৰখাৰ বাবে কোষাগাৰলৈ পত্ৰ প্ৰেৰণ কৰা বিষয়টো প্ৰত্যাহাৰ কৰা হৈছে। নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে এই দুগৰাকী চক্ৰ বিষয়াসহ নলবাৰীৰ ছয়গৰাকী ৰাজহ চক্ৰ বিষয়াৰ জুন মাহৰ মাহিলী দৰমহা বন্ধ ৰাখিবলৈ কোষাগাৰলৈ পত্ৰ প্ৰেৰণ কৰিছিল। অনুৰূপ ধৰণে পাঁচদিন পাছতেই অৰ্থাৎ যোৱা ৩০ জুনত নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে পুনৰ বেলশৰ কোষাগাৰলৈ পত্ৰ প্ৰেৰণ কৰি বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়া আৰু পশ্চিম নলবাৰী ৰাজহ চক্ৰ বিষয়াগৰাকীৰ দৰমহা মুকলি কৰি দিবলৈ নিৰ্দেশনা দিয়াত ৰাইজ আচম্বিত হৈ পৰিছে। নলবাৰীৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ পত্ৰ নং পি.এ১/২০২৬/৭৮ জৰিয়তেই বেলশৰ কোষাগাৰলৈ পত্ৰ প্ৰেৰণ কৰি বৰক্ষেত্ৰী ৰাজহ চক্ৰ বিষয়া সন্তোষ কুমাৰ নাথ আৰু পশ্চিম নলবাৰী ৰাজহ চক্ৰ বিষয়া ডাঃ সংগীতা শৰ্মাৰ দৰমহা মুকলি কৰি দিয়াৰ বাবে পত্ৰ প্ৰেৰণ কৰিছে। উল্লেখ্য যে মুকালমুৱাস্থিত বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ কাৰ্যালয়ত এ.এল.আৰ.এছ বিষয়া সন্তোষ কুমাৰ নাথে চক্ৰ বিষয়া হিচাপে যোগদান কৰাৰ পাছৰে পৰা চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পূৰ্বৰ কাম-কাজৰ তুলনাত সম্প্ৰতি তৰান্বিত হৈ উঠিছে কাৰ্যালয়টোৰ কাম-কাজ। মন কৰিবলগীয়া যে বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ কাৰ্যালয়ত এইগৰাকী বিষয়াই যোগদান কৰাৰ পাছতেই কাৰ্যালয়টোত মধ্যভোগীয়ে প্ৰৱেশ কৰিব নোৱাৰা বুলিও চৰ্চা চলিছে।

গোলাঘাট জিলা সাংবাদিক সংস্থাৰ নৱ-নিৰ্বাচিত সভাপতি, সম্পাদকক গোলাঘাট প্ৰেছ ক্লাবৰ বিপুল সম্বৰ্ধনা

সাংবাদিকৰ স্বাৰ্থত হাতে-হাত ধৰি কাম কৰাৰ সংকল্প

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২ জুলাই ঃ গোলাঘাট প্ৰেছ ক্লাবত আজি আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গোলাঘাট জিলা সাংবাদিক সংস্থাৰ নৱ-নিৰ্বাচিত সভাপতি নগেন বৰা, নৱ-নিৰ্বাচিত সাধাৰণ সম্পাদক প্ৰণৱ চক্ৰৱৰ্তীক গোলাঘাট প্ৰেছ ক্লাবে বিপুল সম্বৰ্ধনা জনায়। প্ৰেছ ক্লাবৰ সভাপতি ড° দেৱজিৎ ফুকনৰ সভাপতিত্বত, প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি দিগন্ত কুমাৰ ভূঞা আৰু সাধাৰণ সম্পাদক প্ৰবীণ কুমাৰ দাসে আঁত ধৰা অনুষ্ঠানত নৱ-নিৰ্বাচিত সভাপতি, সাধাৰণ সম্পাদকক গামোচা, চেলেং, স্মাৰক, সম্বৰ্ধনা পত্ৰ আদিৰে প্ৰেছ ক্লাবে আন্তৰিক সম্বৰ্ধনা জনায়। উক্ত অনুষ্ঠানত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ তৰফৰ পৰা কেন্দ্ৰীয় সাধাৰণ সম্পাদক বিদ্যুৎ শইকীয়া, ছাত্ৰ মুক্তি সংগ্ৰামৰ কেন্দ্ৰীয় উপ-সভাপতি ৰূপম শইকীয়া উপস্থিত থাকি সম্বৰ্ধনা জনায়। গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদক দুলাল চন্দ্ৰ দাস, প্ৰেছ ক্লাবৰ উপ-সভাপতি তথা গোলাঘাট মিডিয়া ফ'ৰামৰ সম্পাদকদ্বয় পংকজ হাজৰিকা, মোস্তাক হুছেইন আদিয়ে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। অনুষ্ঠানত টাই আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় মুখ্য সাংগঠনিক সম্পাদক কৃষ্ণ বৰুৱা, কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক গৌতম লাহন, সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সম্পাদক নিপন গগৈ, অধিবক্তা ধ্ৰুৱজ্যোতি বৰা, নুমলীগড় শোধনাগাৰৰ অৱসৰপ্ৰাপ্ত উচ্চ পদস্থ বিষয়া ধীৰেণ সন্দিকৈ, সাংবাদিক চন্দন কৰ্মকাৰ, পল্লৱীকা বৰুৱা, ভাস্কৰ বৰা, দীপক শইকীয়া, আছিকুল আলি, চুমি দত্ত, বিশিষ্ট লেখক, কবি কুমকুম চাংমাই, বৰ্ণালী বৰা বৰ্মণ, নৰকুমাৰ বৰ্মন, চুমি ভৰালী, আব্দুল কাছিম আদি উপস্থিত থাকে। গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সভাপতি নগেন বৰা আৰু সাধাৰণ সম্পাদক প্ৰণৱ চক্ৰৱৰ্তী, প্ৰেছ ক্লাবৰ সভাপতি ড° দেৱজিৎ ফুকন, কাৰ্যকৰী সভাপতি দিগন্ত কুমাৰ ভূঞাই বক্তব্য আগবঢ়াই সাংবাদিকৰ স্বাৰ্থত জিলা সাংবাদিক সংস্থা আৰু গোলাঘাট প্ৰেছ ক্লাবে হাতে-হাত ধৰি ঐক্যবদ্ধভাৱে কাম কৰাৰ পোষকতা কৰে। প্ৰেছ ক্লাবৰ যোগাত্মক পদক্ষেপক জিলা সাংবাদিক সংস্থাৰ নৱ-নিৰ্বাচিত সভাপতি, সাধাৰণ সম্পাদকে আন্তৰিকতাৰে আদৰণি জনায়।

বিন্নাকান্দিত আজাপৰ বুথ সন্মিলনত উপস্থিত লুৰিণজ্যেতি গগৈ

অসম বাৰ্তা, মোৰাঝাৰ, ২ জুলাই ঃ বিধানসভা নিৰ্বাচনৰ পিছতে বৃহস্পতিবাৰে ডবকাৰ এজেচি মেম'ৰিয়েল হলত অসম জাতীয় পৰিষদ দলৰ বিন্নাকান্দি সমষ্টি কমিঠিৰ আহ্বানত বুথ সন্মিলন সভা অনুষ্ঠিত হয়। পুৱা দহ বজাৰ পৰা দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা সভাত যোৱা বিধানসভা নিৰ্বাচনত বিন্নাকান্দি সমষ্টিত পৰাজয় হোৱাৰ কাৰণ আৰু আগন্তুক দলীয় ভেটি অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে আঞ্চলিক সমিতি, বুথ সমিতিৰ সভাপতি-সম্পাদক আদিকৰি দলীয় কৰ্মীৰ সৈতে পৰ্যালোচনা কৰা হয়। সভাত অসম জাতীয় পৰিষদ দলৰ কেন্দ্ৰীয় সভাপতি ল্যুৰিণজ্যেতি গগৈ, বিন্নাকান্দি সমষ্টিৰ মিত্ৰদলৰ প্ৰাৰ্থী ৰেজাউল কৰিম চৌধুৰী, ৰাজু ফুকন, দেৱজিত অধিকাৰী, হেমন্ত হালৈ, অংকুৰ প্ৰথিম গগৈ আদিকৰি কেন্দ্ৰীয় নেতৃত্বৰ লগতে প্ৰায় অৰ্ধসহস্ৰাধিক দলীয় কৰ্মী উপস্থিত থাকে। সভাৰ অন্তত ৰেজাউল কৰিম চৌধুৰীয়ে সাংবাদিকৰে হোৱা স্বাক্ষাতত কয় যে- বিন্নাকান্দি সমষ্টিৰ পঞ্চাশী হাজাৰ মানুহে আমাক ভোট দিছে, আমি দুৰ্ভাগ্যবষত জিকিব নোৱাৰিলেও বিৰোধীৰ মৰ্যাদা আমাক ৰাইজে দিছে। আমি সদায় বিৰোধীৰ মৰ্যাদা পালন কৰি যাম। বিধায়কে ভাল কাম কৰিলে প্ৰশংসা কৰিম, বেয়া কাম কৰিলে বিৰোধিতা কৰিম। ইফালে বিধায়ক বদৰুদ্দিন আজমলৰ কিছু কামক সমৰ্থন জনালেও আন কিছু ক্ষেত্ৰত তীব্ৰ সমালোচনা কৰা পৰিলক্ষিত হয়। যোৱা দুই-তিনি দিনৰ পৰা বিধায়কে সমষ্টিৰ চৌদিশে হিন্দী চিনেমাৰ নাটক শ্বুটিং কৰা বুলি অভিযোগ উত্থাপন কৰে। আগন্তুক দিনক সমষ্টি এৰি বিদেশত নাযাবলৈও আহ্বান জনায় ৰেজাউল কৰিমে। সভাত উপস্থিত হৈ ল্যুৰিণজ্যেতি গগৈয়েও মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বদৰুদ্দিন আজমলক তীব্ৰ ভাষাৰে কটাক্ষ কৰা পৰিলক্ষিত হয়। হিমন্ত বিশ্ব শৰ্মা আৰু বদৰুদ্দিন আজমল হৈছে এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি।

চামগুৰিৰ কুৰুৱাবাহীত পুখুৰীত পৰি এজন কিশোৰৰ মৃত্যু

অসম বাৰ্তা, পুৰণিগুদাম, ২ জুলাই ঃ নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত কুৰুৱাবাহী অঞ্চলৰ এটা ৰাজহুৱা পুখুৰীত আজি লগৰ বন্ধুৰ সৈতে গা ধুবলৈ গৈ এজন কিশোৰৰ সলিল সমাধি ঘটা ঘটনাই অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। পুখুৰীত গা ধুবলৈ গৈ মৃত্যু হোৱা কিশোৰজন চামগুৰি হাঁহচৰা গাঁৱৰ তথা সপ্তম শ্ৰেণীৰ ছাত্ৰ তন্নৱ কাশ্যপ দাস বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত হাঁহচৰা গাঁৱৰ তন্নৱ কাশ্যপ দাস নামৰ কিশোৰজনে লগৰ বন্ধুৰ সৈতে পুখুৰীত গা-ধুই থকাৰ অৱস্থাত সন্ধানহীন হয়। কিশোৰজন পুখুৰীত সন্ধানহীন হোৱাৰ পিছত লগৰ বন্ধু কেইজনে স্থানীয় লোকক খবৰ দিয়ে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত স্থানীয় লোক উপস্থিত হৈ কিশোৰজনক উদ্ধাৰ কৰিবলৈ পুখুৰীত অভিযান চলাই। প্ৰায় এক ঘণ্টাৰ অন্তত স্থানীয় লোকে পুখুৰীটোৰ পৰা কিশোৰজনৰ মৃতদেহটো উদ্ধাৰ কৰিবলৈ সক্ষম হয় বুলি জানিব পৰা গৈছে। ২০১৩ চনৰ ২৩ মে'ত জন্ম গ্ৰহণ কৰা তন্নৱ কাশ্যপ দাসে সুন্দৰ বাঁহী বজাইছিল বুলি স্থানীয় লোকে জানিবলৈ দিয়ে। আনহাতে, স্থানীয় লোকে পুখুৰীটোৰ পৰা উদ্ধাৰ কৰা কিশোৰজনৰ মৃতদেহটো পৰৱৰ্তী সময়ত চামগুৰি আৰক্ষী থানৰ আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।

বিশ্বনাথৰ শিক্ষা জগতত 'দীক্ষা'ৰ জৰিয়তে ব্যতিক্ৰমী প্ৰয়াস বিধায়ক পল্লৱলোচন দাসৰ

অসম বাৰ্তা, জিনজিয়া, ২ জুলাই ঃ বিশ্বনাথ সমষ্টিৰ শৈক্ষিক পৰিবেশৰ উন্নয়নৰ বাবে এক বৃহৎ আৰু ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰিছে নৱনিৰ্বাচিত বিধায়ক পল্লৱ লোচন দাসে। আজি বিশ্বনাথৰ আৱৰ্ত ভৱনত এখন সংবাদমেল সম্বোধন কৰি বিধায়কগৰাকীয়ে "দীক্ষা" নামৰ এক নতুন আঁচনিৰ কথা ঘোষণা কৰে। এই আঁচনিৰ অধীনত বিশ্বনাথৰ ৩০ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীক NEET আৰু JEEৰ দৰে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সম্পূৰ্ণ বিনামূলীয়াকৈ প্ৰশিক্ষণ দিয়া হ'ব। এই "ছুপাৰ 30" গোটৰ সমস্ত দায়িত্ব বহন কৰিব HELION নামৰ আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠানখনে। ADRE পৰীক্ষাৰ জৰিয়তে দুই লাখ নিবনুৱাক নিযুক্তি দিয়াৰ ৰাজ্য চৰকাৰৰ লক্ষ্যৰ সৈতে সংগতি ৰাখি, বিশ্বনাথৰ ২০০০ গৰাকী যুৱক-যুৱতীক ADRE পৰীক্ষাৰ বাবে বিশেষ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীয়ে অনলাইনযোগেও এই সুবিধা লাভ কৰিব পাৰিব। কেবল ADREয়েই নহয়, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন চাকৰিৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবেও এই প্ৰশিক্ষণৰ জৰিয়তে যুৱচামক প্ৰস্তুত কৰা হ'ব। দ্বিতীয়বাৰৰ বাবে APSC পৰীক্ষাৰ প্ৰশিক্ষণৰ ব্যৱস্থাও কৰা হ'ব। এই প্ৰশিক্ষণসমূহ গ্ৰহণ কৰিবলৈ ইচ্ছুক যুৱক-যুৱতীৰ বাবে আজিৰ পৰাই অনলাইন ফৰ্ম মুকলি কৰা হৈছে। আগ্ৰহী প্ৰাৰ্থীয়ে www. dikshya.co.in ৱেবছাইটত গৈ অহা ১২ জুলাইৰ ভিতৰত ফৰ্ম পূৰণ কৰি জমা দিব লাগিব।

কামৰূপ জিলাত "VB-G RAM-G" কাৰ্যসূচীৰ ৰাষ্ট্ৰীয় শুভাৰম্ভ

১০০ দিনৰ পৰা ১২৫ দিনলৈ বৃদ্ধি নিয়োগ নিশ্চিতকৰণ

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২ জুলাই ঃ হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত কামৰূপ জিলা প্ৰশাসন আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত "VB-G RAM-G" (Viksit Bharat — Guarantee for Rozgar and Ajeevika Mission—Gramin) কাৰ্যসূচীৰ ৰাষ্ট্ৰীয় শুভাৰম্ভ অনুষ্ঠান আয়োজন কৰা হয়। দেশজুৰি একে সময়তে অনুষ্ঠিত এই কাৰ্যসূচীত কামৰূপ জিলায়ো উৎসাহেৰে অংশগ্ৰহণ কৰে। অনুষ্ঠানত হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে ভাষণ প্ৰদান কৰি মহাত্মা গান্ধীৰ গ্ৰাম্য ভাৰত গঢ়াৰ দৃষ্টিভংগীৰ কথা উল্লেখ কৰে। তেওঁ কয় যে "ভাৰতৰ ভৱিষ্যৎ গাঁৱত নিহিত আৰু গাঁওসমূহেই দেশৰ মেৰুদণ্ড। গাঁৱৰ উন্নয়ন অবিহনে সমৃদ্ধ ভাৰত গঢ়া সম্ভৱ নহয়।" তেওঁ জনায় যে চৰকাৰে গ্ৰাম্য নিয়োগ অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে এই আঁচনিৰ অধীনত নিয়োগ নিশ্চিতকৰণ ১০০ দিনৰ পৰা ১২৫ দিনলৈ বৃদ্ধি কৰিছে। লগতে দৈনিক মজুৰি ৩০০ টকালৈ বৃদ্ধি কৰা হৈছে, যাৰ ফলত গ্ৰাম্য পৰিয়ালসমূহৰ জীৱিকা অধিক সুৰক্ষিত হোৱাৰ লগতে আৰ্থিকভাৱে স্বাৱলম্বী সমাজ গঠনত সহায়ক হ'ব। তেওঁ লগতে কয় যে ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰাজ্যজুৰি বিভিন্ন জনকল্যাণমূলক আঁচনি সফলভাৱে ৰূপায়ণ হৈ আছে, যাৰ ফলত গ্ৰামাঞ্চলৰ পৰিয়ালসমূহ আত্মনিৰ্ভৰশীলতাৰ দিশে আগবাঢ়িছে। অনুষ্ঠানত উপস্থিত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব ডঃ বল্লেপু কল্যাণ চক্ৰৱৰ্তীয়ে ডিজিটেল যুগত স্বচ্ছতা আৰু কাৰ্যদক্ষতা নিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰৰ অংগীকাৰৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয় যে ডিজিটেল ব্যৱস্থাৰ জৰিয়তে আঁচনি ৰূপায়ণৰ প্ৰতিটো পৰ্যায়ত অধিক স্বচ্ছতা নিশ্চিত কৰা হ'ব। লগতে বিভাগটোৱে গ্ৰাম্য উন্নয়নৰ স্বাৰ্থত বিভিন্ন উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰি থকা বুলিও তেওঁ উল্লেখ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কয় যে ৰাজ্য চৰকাৰে গ্ৰাম্য উন্নয়নক অগ্ৰাধিকাৰ প্ৰদান কৰি অহাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে এই কাৰ্যসূচী আৰম্ভ কৰা হৈছে। তেওঁ আশা প্ৰকাশ কৰে যে এই অভিযানৰ জৰিয়তে কামৰূপ জিলাৰ প্ৰতিখন গাঁও "বিকশিত গাঁও" হিচাপে গঢ় লৈ উঠিব আৰু গ্ৰাম্য উন্নয়নৰ নতুন দিগন্ত উন্মোচিত হ'ব। লগতে তেওঁ কাৰ্যসূচীখনৰ সফল ৰূপায়ণৰ বাবে সকলোকে আন্তৰিক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। অনুষ্ঠানত কামৰূপ জিলা পৰিষদৰ সভাপতি নিপন ভূঞা, কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, গাঁও পঞ্চায়তৰ সভাপতি, আঞ্চলিক পঞ্চায়তৰ সদস্যৰ লগতে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু বহু সংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

পূব মাজুলী মহাবিদ্যালয়ত মুখা নিৰ্মাণ কৰ্মশালা আৰম্ভ

অসম বাৰ্তা, উজনী মাজুলী, ২ জুলাই ঃ মাজুলী জিলাৰ আগশাৰীৰ শিক্ষানুষ্ঠান পূব মাজুলী মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত আৰু কৰ্তৃপক্ষৰ সহযোগত আজিৰ পৰা মাহযোৱা কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱৰ অপূৰ্ব সৃষ্টি মুখা নিৰ্মাণ কৰ্মশালা আৰম্ভ হৈছে। জিলাখনৰ মুখা নিৰ্মাণৰ বাবে বিখ্যাত চামগুৰি সত্ৰৰ ডেকা সত্ৰীয়া তথা সংগীত কলা কেন্দ্ৰৰ পৰিচালক প্ৰদীপ গোস্বামী আৰু তেওঁৰে সহযোগী গৌতম ভূঞাই কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিছে। এই উপলক্ষে পুৱা ১০বজাৰ পৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এটি উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক অনুপ কুমাৰ বৰাই আৰু উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ, সমাজকৰ্মী দিপক বৰাই। মহাবিদ্যালয়ৰ সহকাৰী গ্ৰন্থাগাৰিক গৌতম শইকীয়াই আঁতধৰা অনুষ্ঠানটিত সমল ব্যক্তি প্ৰদীপ গোস্বামী আৰু গৌতম ভূঞাক চেলেং গামোচাৰে সম্বৰ্ধনা জনোৱা হয় আৰু দুয়োগৰাকী সমলব্যক্তিয়ে ছাত্ৰ-ছাত্ৰী সকলক মুখাৰ ইতিহাস বৰ্ণনা কৰি বৰ্তমান মুখাৰ জনপ্ৰিয়তা আৰু সংস্থাপনৰ ক্ষেত্ৰত মুখাই গ্ৰহণ কৰা ভূমিকাৰ বিষয়ে বহলাই কয়। অনুষ্ঠানত সহকাৰী অধ্যাপক গিৰিশ চন্দ্ৰ ওজা, উত্তম শইকীয়া, দ্বিজেন কুমাৰ শইকীয়া, মানস জ্যোতি বৰা, নিলমনি বৰা উপস্থিত থাকি ভাষণ প্ৰদান কৰে।

পুৰণিগুদামত সংঘটিত দুৰ্ঘটনাৰ নতুন মোৰ; দোষীক কৰায়ত্ব কৰাৰ দাবী

অসম বাৰ্তা, পুৰণিগুদাম, ২ জুলাই ঃ নগাঁও জিলাৰ পুৰণিগুদাম কেঞাপট্টিৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা ৩০ জুনৰ নিশা সংঘটিত হোৱা শোকাৱহ পথ দুৰ্ঘটনাত দুজন যুৱক নিহত হোৱাৰ বাতৰি আজি "অসম বাৰ্তা" কাকতত ইতিপূৰ্বে প্ৰকাশ পোৱাৰ পাছতে ঘটনাই এক নতুন মোৰ লৈছে বুলি জানিব পৰা গৈছে। পুৰণিগুদাম কঢ়ালী গাঁৱৰ দুই যুৱক ক্ৰমে হৃষিকেশ বৰা আৰু বিকাশদীপ মুদৈ নিহত হোৱাৰ পাছত আৰক্ষীয়ে পুৰণিগুদাম অঞ্চলৰ কেইবাখনো দোকানত সংস্থাপন কৰা চিচিটিভি ফুটেজ লাভ কৰিছিল। পুৰণিগুদাম গড়মূৰ অঞ্চলত উক্ত নিশা সংঘটিত হোৱা মৰেল পুলিচিঙৰ ঘটনাৰ আঁত ধৰি আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষিতত দুৰ্ঘটনাটোৰ ন ন তথ্য পোহৰলৈ আহিছে। জানিব পৰা মতে, নগাঁৱৰ এটা নিচামুক্তি কেন্দ্ৰ আৰু পুৰণিগুদামৰ এটা নিচামুক্তি কেন্দ্ৰৰ কেইজনমান যুৱকৰ সৈতে প্ৰথমে আন একাংশ যুৱকৰ প্ৰচণ্ড মাৰপিটৰ ঘটনা সংঘটিত হৈছিল। সমগ্ৰ ঘটনাটোত পুৰণিগুদামৰ আৰোগ্যম নামৰ নিচামুক্তি কেন্দ্ৰটো আৰু নগাঁৱৰ এটা বিশেষ নিচামুক্তি কেন্দ্ৰৰ ব্যক্তি জড়িত থকাৰ অভিযোগ উত্থাপন হৈছে। পাছত সেই ঘটনাটোৰ লগত পুৰণিগুদাম কঢ়ালী গাঁৱৰ হৃষিকেশ বৰা, বিকাশদীপ মুদৈ আৰু পল শইকীয়া নামৰ যুৱক তিনিজন স্কুটীৰে আহি জড়িত হৈ পৰিছিল। ঠিক সেই সময়তেই এখন এম্বুলেন্সে চায়ৰেন বজাই অহাত আৰক্ষীৰ গাড়ী বুলি ভাবি কাজিয়া কৰি থকা সকলোৱে পলাই পত্ৰং দিয়ে। যদিও হৃষিকেশ আৰু বিকাশদীপেও স্কুটী লৈ ভুল পথেৰে পলাবলৈ চেষ্টা কৰোঁতেই সমগ্ৰ দুৰ্ঘটনাটো সংঘটিত হয়। জানিব পৰা মতে, স্কুটীখনত এখন বগা ৰঙৰ বাহনে প্ৰচণ্ড খুন্দা মৰাত হৃষিকেশ বৰা আৰু বিকাশদীপ মুদৈৰ মৃত্যু হয়। একাংশ উদণ্ড লোকে কিয় মাৰপিটৰ ঘটনাটোত জড়িত হৈ পৰিছিল সেয়া এতিয়াও পোহৰলৈ অহা নাই যদিও আৰক্ষীৰ অনুসন্ধানতহে সকলোবোৰ কথা পোহৰলৈ আহিব। অৱশ্যে ঘটনা সন্দৰ্ভত পুৰণিগুদাম আৰক্ষীয়ে ইতিমধ্যে তদন্ত অব্যাহত ৰাখিছে। স্থানীয় ৰাইজ তথা পৰিয়ালৰ লোকে দোষীক কঠোৰ শাস্তি দিবলৈ দাবী জনাইছে।

বিশিষ্ট নগাঞা পাটি ঢোলৰ ওজা থুলেশ্বৰ ডেকাৰ স্মৃতিচাৰণ অনুষ্ঠান; থুলেশ্বৰ ডেকাৰ শিল্পালয় স্মৃতিগ্ৰন্থ উন্মোচন

অসম বাৰ্তা, ৰহা, ২ জুলাই ঃ ৰাভা দিৱসৰ দিনাই ৰহাৰ বিশিষ্ট শিল্পী, সমাজকৰ্মী, নগাঞা ঢোলৰ ওজা তথা অসম বিহু সুৰক্ষা সমিতিৰ সদস্য থুলেশ্বৰ ডেকাৰ মৃত্যু আজি আদ্যশ্ৰাদ্ধ দিনা ৰহাৰ ঐতিহাসিক মেটেকাৰ নিজ বাসগৃহত ৰহাৰ বিভিন্ন দল সংগঠন আৰু ৰাইজৰ সহযোগত থুলেশ্বৰ ডেকা দেৱৰ সোঁৱৰণত স্মৃতিচাৰণ অনুষ্ঠান টি অনুষ্ঠিত হৈ যায়। ৰহাৰ সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা থুলেশ্বৰ ডেকাৰ দেৱৰ এই স্মৃতি চাৰণ অনুষ্ঠানত অগণন গুণমুগ্ধই ডেকা দেৱৰ ৰহাৰ মেটেকাৰ বাস গৃহত ভিৰ কৰে আৰু শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তেখেতৰ মৃত্যুত ৰহা আঞ্চলিক সাংবাদিক সন্থা.ৰহা আঞ্চলিক ছাত্ৰ সন্থা.তিৱা ছাত্ৰ সন্থা.মানৱ অধিকাৰ সংগ্ৰাম সমিতি. ৰহাগী মেলা.যুৱ ছাত্ৰ পৰিষদ. ৰহা শাখা সাহিত্য সভা.জেষ্ঠ নাগৰিক সন্মিলনৰ ৰহা শাখাা, নগাঁও জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা, ৰহা আঞ্চলিক কোচ ৰাজবংশী সন্মিলনী, ৰহা শিল্পী কানন, পদুমনি ৰাস উদযাপন সমিতি, ভৰছ অফ ৰহা, ৰহা ক্ৰীড়া সন্থা, ৰহা পুৰণা চাৰিআলি দুৰ্গা পূজা সমিতি, পূব সৰাগাঁও সেউজ সাধনা শিল্পী সমাজ, বিহু সুৰক্ষা সমিতি, মেটেকা উন্নয়ন সমিতি, খাইগড় মেলা সমিতি, মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থা আদি কৰি শুভাকাংক্ষীয়ে গভীৰ সমবেদনা জ্ঞাপন কৰে। অসম সাহিত্য সভা ৰহা শাখা সম্পাদক লক্ষিপ্ৰসাদ ডেকাই আঁত ধৰা অনুষ্ঠানত ৰহা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি মাধৱ চন্দ্ৰ নাথে স্মৃতিচাৰণ অনুষ্ঠানৰ সভাখনৰ সভাপতিত্ব কৰি ডেকা দেৱৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পিছত সকলোৱে পুষ্পাঞ্জলি অৰ্পণ কৰি বহু জনে ডেকা দেৱৰ জীৱনী ওপৰত নানা বক্তব্য আগবঢ়াই লক্ষিপ্ৰসাদ ডেকা আৰু প্ৰহ্লাদ মছহং সম্পাদনাত থুলেশ্বৰ ডেকা শিল্পালয় নামৰ স্মৃতিগ্ৰন্থখন ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ কমল চন্দ্ৰ শৰ্মাই সকলোৱে সহযোগত শুভ উন্মোচন কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন